# ফেব্ৰুৱাৰী অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ১২/০২/২০২১ শুকুৰবাৰ

---

**আজি ইংৰাজী ১২-০২-২০২১ তাৰিখে ৰাতিপুৱা ৯ঃ০০ বজাত পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচী মতে অসম বিধান সভাৰ অন্তৰৰ্ত্তীকালীন অধিবেশন অনুষ্ঠিত হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** সুপ্ৰভাত। এতিয়া প্ৰশ্ন নং ১, শ্ৰী দূৰ্গা ভূমিজ, তেখেত অনুপস্থিত। প্ৰশ্ন নং ২, 'not related to the Department'. যিহেতু ইয়াত দুটা বিভাগৰ প্ৰশ্ন আছে আৰু দুয়োটা বিভাগৰ পৰা উত্তৰ আহিলেহে ইয়াত প্ৰশ্নটো উত্থাপন কৰিবলৈ দিয়া হয়। ইয়াত আধা অংশ প্ৰশ্নৰ উত্তৰ দিয়াটো সম্ভৱ নহয়। আধা অংশৰ প্ৰশ্নৰ উত্তৰ মোৰ তাত আছে প্ৰয়োজন হ'লে মই আপোনাক দি দিম আৰু প্ৰশ্ন কালীন ঘন্টা শেষ হোৱাৰ লগে লগে মই আপোনাক এই কথাটো সুধিবলৈ দিম। এতিয়া প্ৰশ্ন নং ৩, ডাঃ নোমল মমিন।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীফণী ভূষণ চৌধুৰী (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**ডাঃ নোমল মমিন (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নৰ উত্তৰটো পাইছো। কিন্তু মই যেনেকুৱা ধৰণৰ উত্তৰ বিচাৰিছিলো তেনেধৰণে উত্তৰটো অহা নাই। ইয়াত দিয়া হৈছে যে যিবিলাক মাইগ্ৰেট হৈছে তেওঁলোকৰ নাম বিলাক কটা হৈছে এইটো ঠিকে আছে। কিন্তু ইয়াত দিছে যে In the above mentioned process of re-verification, deletion and addition has been done after taking utmost care to prevent any anomaly. কিন্তু অধ্যক্ষ মহোদয়, পাঁচ গৰাকী ব্যক্তি আছে তাৰ ভিতৰত এগৰাকীৰ নাম দিছে আৰু বাকী চাৰি গৰাকীৰ নাম ডিলিট কৰিছে। এনেকুৱা ধৰণৰ বিষয় লৈ বহু মানুহে মোৰ ওচৰলৈ অভিযোগ লৈ আহিছে কাৰণ মাইগ্ৰেশ্যন হ'লে এটা পৰিয়াল মাইগ্ৰেট হ'ব এটা পৰিয়ালৰ চাৰিজন সদস্যৰ ক্ষেত্ৰত এনেকুৱা ধৰণৰ খেলিমেলি নহয়। যদি এটা পৰিয়ালৰ চাৰিজন সদস্য চাউল আনিবলৈ যায় তেতিয়া মাত্ৰ এজনক দিয়া হয় বাকী কেইজনক দিয়া নহয়। গতিকে এই অন্যায় সমূহ আঁতৰাই দুখীয়া লোক সকলক অন্ন সুৰক্ষা যোজনাৰ অধীনত বিনামূলীয়া চাউল পোৱাৰ পৰা যাতে বিমূখ নকৰে তাৰবাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়কঅনুৰোধ জনালো।

**শ্ৰীফণী ভূষণ চৌধুৰী (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঃ মমিন ডাঙৰীয়াই যিখিনি কথা ক'লে এই কথাখিনি আঁচলতে আমাৰ দৃষ্টিগোচৰ হোৱা নাছিলে। যোৱাকালিও তেখেতে মোক সদনৰ মজিয়াত এই কথাটো অৱগত কৰিছিলে। গতিকে তেওঁ কোৱা ধৰণে যদিহে কোনোবা মানুহৰ নাম ডিলিট হৈছে তেনেহ'লে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

**ডাঃ নোমল মমিন (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিগৰাকী অফিচাৰে এই ক্ষেত্ৰত গাফিলতি কৰিছে তেওঁৰ ওপৰতো বিহীত ব্যৱস্থা লবৰ কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ

জনালো।

**শ্ৰীফণী ভূষণ চৌধুৰী (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিহে কোনোবা বিষয়াৰ কাৰণে এনেধৰণৰ খেলিমেলি হৈছে নিশ্চয়কৈ সেই বিষয়াজনৰ ওপৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়া যদিও এইটো তেখেতৰ সমষ্টিৰ প্ৰশ্ন, তথাপিও আপোনাক এটা চাপ্লিমেণ্টৰী দিছো।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডাঃ নোমল মমিন ডাঙৰীয়াই কৰা প্ৰশ্নটো যদিও তেখেতে সমষ্টিভিত্তিত কৰিছে কিন্তু এইটো সকলো সমষ্টিৰে লগত জড়িত বিষয়। যিটো ৰেচন কাৰ্ডৰ কথা কৈছে, গোটেই অসমতে একেই অৱস্থা। প্ৰথমটো হ'ল এটা পৰিয়ালৰ যদি সাতজন মানুহ আছে পাঁচজনৰ নাম আছে দুজনৰ নাম নাই। দ্বিতীয়তে, কিছুমান ৰেচন কাৰ্ডৰ বেনিফিচাৰিয়ে দুবাৰ-তিনিবাৰ চাউল পাইছে তাৰপিছত বন্ধ কৰি দিছে। তৃতীয় প্ৰশ্নটো হ'ল পাৰহেড পাঁচ কেজিকৈ হ'ব লাগে কিন্তু দেখা যায় কৰ'বাত চাৰি কেজি আৰু কৰ'বাত পাঁচ কেজিকৈ দি আছে। আমি যদি কওঁ তেওঁলোকে কেৰিং চাৰ্জ বা নষ্ট হোৱাৰ কাৰণে কম কৈ দিয়া বুলি কয়। গতিকে এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই এটা স্পষ্টিকৰণ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আজিজ আহমেদ খান আপুনি কৈ লওঁক। মন্ত্ৰী ডাঙৰীয়াই একেলগে উত্তৰটো দিব।

**শ্ৰী আজিজ আহমেদ খান (দক্ষিণ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ জিলাতো এনেধৰণৰ হিতাধিকাৰীৰ নাম কাট খোৱাটো হৈ আছে। গতিকে এনেধৰণৰ খেলিমেলি সমূহ আঁতৰাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া। এই খেলিমেলি সমূহ আঁতৰাবৰ কাৰণে কি কৰিব পৰা যায় অলপ কওঁক।

**শ্ৰীফণী ভূষণ চৌধুৰী (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য চৌধুৰী ডাঙৰীয়াই কথাটো কৈছে যে কিছুমান পৰিয়ালত পাঁচজন সদস্যৰ দুজনৰ নাম উঠিছে তিনিজনৰ নাম উঠা নাই। এনেকুৱা ধৰণৰ কিছুমান অভিযোগ আমাৰ ওচৰত আছে। কথাটো হৈছে যে আমাৰ এটা টাৰ্গেট আছে এই টাৰ্গেট অনুযায়ী প্ৰত্যেকখন জিলাত এনেধৰণৰ বেনিফিচাৰী কাৰ্ড দি থকা হৈছে। আমাৰ অসমত ৫৮, ৮৮,৯৯১ জন হিতাধিকাৰীক আমি এই কাৰ্ড দিব পাৰো। কিন্তু এতিয়ালৈকে আমাৰ অসমত ১,০১,৯৩৩ জন হিতাধিকাৰীক কাৰ্ড দিব পৰা ব্যৱস্থা আমাৰ আছে। এইটো এটা কনটিনিউৱাচ প্ৰচেচ। অলপ আগতে ডাঃ মমিন ডাঙৰীয়াই কৈছে যে তেওঁৰ সমষ্টিত ৮,২৫৬ জন মানুহৰ নাম কৰ্তন হৈছে। কিন্তু আপুনি যদিহে তালিকাখন চায় দেখা পাব যে এজন মানুহৰ নামতে পাঁচ-ছখন কৈ কাৰ্ড আছে। সেয়ে এই ডু প্লিকেচী কাৰ্ড বিলাক ডিলিট কৰা হৈছে আৰু নতুনকৈ হিতাধিকাৰী সকলক দি থকা হৈছে। যদি আমি ধুবুৰী জিলাত চাওঁ, চাউথ শালমাৰা, মানকাছাৰ জিলাত ৯,১৭৯ হিতাধিকাৰী খালী হৈ আছে। গতিকে যিসকলৰ নাম কৰ্তন হৈ আছে সেইসকলৰ নাম বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰি সোমোৱাব পৰা যাব। দ্বিতীয়তে, পাঁচ কে. জি ৰ ঠাইত চাৰি কে.জি, চাৰে চাৰি কে. জি পোৱা বুলি যিটো অভিযোগ উত্থাপিত হৈছে তেনেধৰণৰ অভিযোগ আমাৰ তাত আহে আৰু এনেধৰণৰ অভিযোগ অহাৰ পিছত আমি তালৈ বিভাগীয় বিষয়া পঠিয়াই তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিছো। আজি অসমত

কেইবাখনো জি পি ৰ চেক্ৰেটাৰী চাচপেনশ্যন হৈ আছে। কিন্তু কথাটো হৈছে অধ্যক্ষ মহোদয়, আমাৰ যেতিয়া বিষয়া তদন্ত কৰিবলৈ যায় তেতিয়া কোনো বেনিফিচাৰীয়ে পাঁচ কে. জি ৰ ঠাইত চাৰি কে.জি পোৱা বুলি বা চাৰে চাৰি কে. জি পোৱা বুলি উল্লেখ নকৰে। তাৰফলত আমাৰ কিছু অসুবিধা হয়। কিন্তু তথাপিও আমি অভিযোগ পোৱাৰ লগে লগে বিভাগীয় ভাৱে এইবিলাকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ৪, ডাঃ মতিউৰ ৰহমান মণ্ডল, প্ৰশ্ন নং ৫, আব্দুল ৰহিম আজমল, প্ৰশ্ন নং ৬, শ্ৰী শ্বেৰমান আলী আহমেদ, প্ৰশ্ন নং ৭, শ্ৰী আমিনুল ইছলাম, তেখেতসকল অনুপস্থিত। এতিয়া প্ৰশ্ন নং ৮, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হস্ততাঁত বস্ত্ৰশিল্প বিভাগটোৰ যিটো সমবায় খণ্ড, এই সমবায় খণ্ডৰ যিখিনি বিষয়া আছিল এই বিষয়াখিনিক পুনৰ সমবায় বিভাগলৈ উভটাই নিয়াৰ কাৰণে ইতিমধ্যে এখন জাননী বাহিৰ হৈছে। যিটো বিভাগ ফুলফ্লেজেদ বিভাগ আৰু সেই বিভাগটোত ১৯৭৩ চনতেই শিৱৰমণ কমিটিয়ে কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদন দাখিল কৰাৰ পিছত এই বিভাগটো এটা পূৰ্ণ পৰ্য্যায়ৰ বিভাগ হিচাপে সেই সময়ত গ্ৰহণ কৰিছিল আৰু পৰৱৰ্ত্তী সময়ত হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ অধীনত যিখিনি হস্ততাঁত বস্ত্ৰশিল্প বিভাগে সমবায় বিভাগটো চোৱাচিতা কৰাৰ কাৰণে কৰ্মচাৰী আৰু বিষয়া নিযুক্তি দিয়া হৈছিল। জানিব পৰা মতে অলপতে সমবায় বিভাগে এখন জাননী জাৰী কৰিছে। যি জাননীৰ দ্বাৰা আকৌ হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ সমবায়ৰ যিখিনি কাম বিভাগে আগতে চাইছিল সেই মানুহখিনি পুনৰ উভটাই নিয়াৰ কাৰণে এই ব্যৱস্থাটো লৈছে। এই ব্যৱস্থাৰ ফলত হস্ততাঁত বস্ত্ৰশিল্প বিভাগটো যথেষ্ট ক্ষতিৰ সন্মুখীন হ'ব লগা হ'ব আৰু শিৱৰমণ কমিটিৰ যিটো নেশ্যনেল পলিচি, সেই নেচনেল পলিচিক উলাই কৰা হ'ব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জনিব বিচাৰিছো যে যিটো বিভাগ পূৰ্ণাংগ বিভাগ হিচাবে চলি আছিল এতিয়া পুনৰ সমবায় বিভাগৰ এই গোটেই অফিচাৰ খিনি নিয়াৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিব বা কেনেধৰণে এই বিভাগটো নিদিয়াৰ কাৰণে সিদ্ধান্ত ল'ব এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী ৰঞ্জিত দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক ধন্যবাদ দিছো যে আজি এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন আজি সদনৰ মজিয়াত তেখেতে দাখিল কৰিছে। হস্ততাঁত বস্ত্ৰ বিভাগৰ যিখিনি ক'অপাৰেটিভ অফিচাৰ, যিবিলাক সমবায়ৰ লগত জড়িত আৰু বিশেষকৈ আমাৰ হস্ততাঁত বস্ত্ৰ বিভাগৰ বিভিন্ন ধৰণৰ সমবায় সমিতি আছে, উইভাৰ চচাইটি আছে। এই সমবায় সমিতি আৰু উইভাৰ চচাইটি বিলাক আমাৰ এই অফিচাৰখিনিৰ নিয়ন্ত্ৰণত তেখেত সকলৰ দ্বাৰা পৰিচালিত হয়। তেওঁলোকৰ যিটো বছৰেকীয়া হিচাপ এই বিষয়া সকলৰ দ্বাৰা কৰা হয়। অসম চৰকাৰৰ সমবায় বিভাগৰ পৰা যোৱা চাৰি জানুৱাৰী তাৰিখে ৰেজিষ্টাৰ, ক'অপাৰেটিভ চচাইটি ডি. হাজৰিকা ডাঙৰীয়াই ডাইৰেক্টৰ অব হেণ্ডলুম এণ্ড টেক্সটাইল, ডাইৰেক্টৰ অব ফিচাৰী, ডাইৰেক্টৰ অব ডায়েৰী এই তিনিটা বিভাগলৈ চিঠি লিখিছে যে আমাৰ যিসকল অফিচাৰ আছে তেওঁলোকৰ নিয়ন্ত্ৰণলৈ যাব লাগে। এইবিষয়ে আমি চৰকাৰ অৱগত হৈ আছো। মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই যিটো শংকা কৰিছে সেইটো হয়, সেই শংকাটো আমিও কৰিছো। এই অফিচাৰখিনিক আমি যদি পুনৰ সমবায়লৈ ঘূৰাই দিব লগীয়া হয় তেন্তে আমাৰ বোৱা-কটাৰ পৰা আৰম্ভ কৰি যিখিনি চচাইটিৰ কাম চলি আছে এই কামখিনিত কিছু বাধা

আহিব। গতিকে আজি এই কথাখিনি উত্থাপন কৰাৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। এটা কথা ঠিক যে আমাৰ বিভাগৰ এই বিষয়া সকলক আমাৰ বিভাগটোতেই পুনৰ বাহাল ৰখাৰ চেষ্টা কৰিম আৰু এইবিষয়ে চৰকাৰ আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমত এতিয়া তিনি হাজাৰতকৈও অধিক প্ৰাথমিক বোৱা-কটা সমিতি আছে। এই সকলো বিলাক হিচাপ পৰীক্ষা-নিৰীক্ষা কৰে হস্ততাঁত বিভাগে। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা অহা মাৰ্চ মাহত শেষ হ'ব। আকৌ এপ্ৰিলৰ পৰা পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ হ'ব। হস্ততাঁত বস্ত্ৰ বিভাগৰ যিবিলাক বোৱা-কটা সমবায় সমিতি আছে তাৰে টেকনিকেল মানুহখিনি হস্ততাঁত বস্ত্ৰ বিভাগত আছে কিন্তু সমবায় বিভাগত নাই। যাৰ ফলত যিমানখিনি টকা কেন্দ্ৰীয় চৰকাৰে দিছে সেই টকা এতিয়াও কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিব লগীয়া আছে। পঞ্চবাৰ্ষিক পৰিকল্পনা এপ্ৰিলৰ পৰা আৰম্ভ হ'ব আৰু ইয়াৰ লগে লগে হস্ততাঁত বস্ত্ৰ বিভাগ যথেষ্ট ক্ষতিৰ সন্মুখীন হ'ব। গতিকে মোৰ কথাটো হ'ল যে যিটো সমবায় সমিতিক দিব বিচাৰিছে সেইটো সমবায় সমিতি বিভাগলৈ উভটাই নিয়াৰ যদি কিবা ব্যৱস্থা লৈছে তাৰ কেবিনেট সিদ্ধান্ত হৈছে নে নাই কাৰণ কেবিনেট সিদ্ধান্ত এটাও লাগিব যিহেতু এইটো নেশ্যনেল পলিচিৰ বিপৰীতে গৈছে। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে এটা শক্তিশালী পদক্ষেপ যদি গ্ৰহণ নকৰে তেনেহ'লে হস্ততাঁত বস্ত্ৰ বিভাগ যথেষ্ট ক্ষতিৰ সন্মুখীন হ'ব আৰু মহিলা সকল বিশেষভাৱে ক্ষতিগ্ৰস্ত হ'ব।

**শ্ৰী ৰঞ্জিত দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিটো শংকা কৰিছে তেখেতে শংকা কৰাটো স্বাভাৱিক। যিহেতু এই হস্ততাঁত বা চেৰিকালচাৰ বিভাগটোৰ লগত তেখেত ওতঃপোতঃ ভাৱে জড়িত হৈ আছে। তেখেতৰ সমষ্টিত বিভিন্ন উইভাৰ চচাইটি আছে। যি সমূহ তেখেতৰ দ্বাৰা পৰিচালিত হয় আৰু এই উইভাৰ চচাইটি সমূহে ভাল কাম কৰি আছে। এতিয়ালৈকে এই ৰিষয়টো কেবিনেটত অহা নাই। ইয়াত হস্ততাঁতৰ লগতে ফিচাৰী আৰু ডায়েৰী বিভাগটোও আছে। ইয়াত ফিচাৰী আৰু ভেটেৰিনাৰী মন্ত্ৰীও আছে। এই বিষয়ে আমি চৰকাৰক অৱগত কৰিম আৰু এইক্ষেত্ৰত এটা সঠিক সিদ্ধান্ত গ্ৰহণ কৰিম। ক'অপাৰেটিভ চচাইটিত অডিটৰ পৰা আৰম্ভ কৰি সকলোখিনিৰ এপইণ্টমেণ্ট আমাৰ বিভাগৰ ফালৰ পৰা হয়। গতিকে এই মানুহখিনিক যদি আমি পুনৰ সমবায় লৈ নিয়াৰ ব্যৱস্থা কৰো তেতিয়া আমাৰ যথেষ্ট ক্ষতি হ'ব বিশেষকৈ উইভাৰচ্ খিনিৰ যথেষ্ট ক্ষতি হ'ব। সেয়ে এইবিষয়ে আমি চৰকাৰক অৱগত কৰিম।

**শ্ৰীমাননীয় অধ্যক্ষ ঃ** Thank you. He is also concern. গতিকে এইটো হ'ব। পিছৰ প্ৰশ্ন মোঃ নুৰুল হুদা। Minister, Social Welfare.

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মোঃ নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ চৰকাৰৰ ওচৰত আবেদন আছিল, যে ৰূপহী ICDS Project, এই Project টো চামগুৰি বিধান সভা সমষ্টিত অৱস্থিত য'ত মোৰ এলেকাৰ ৩৪ কিলোমিটাৰ দূৰত অফিচটো অৱস্থিত আৰু মই Re-organisition ৰ কাৰণে বিধান সভাৰ মজিয়াত মাননীয় মন্ত্ৰী ডাঙৰীয়ানীক আবেদন কৰিছিলো আৰু সেই মতে জিলাৰ পৰা Proposal বিচাৰিলে আৰু জিলা কৰ্তৃপক্ষই Re-organisition ৰ কাৰণে

তেওঁলোকে মেপ বনাই Proposal চাবমিট কৰিলে ১৮-০৩-২০২০ চনত। তাৰপিছত এইখিনি কমিশ্যনাৰৰ টেবুলত গ'ল, মইও ব্যক্তিগতভাৱে কমিশ্যনাৰক লগ পাইছো, মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীকো লগ পাইছো আৰু কথাখিনি কৈছো যে, ৰূপহী ডেভেলপমেণ্ট ব্লক এলেকাৰ ১৪ খন গাওঁ পঞ্চায়ত আছে আৰু এই ১৪ খন গাওঁ পঞ্চায়তৰ যিখিনি অঙ্গনবাড়ী চেণ্টাৰ, এই চেণ্টাৰখিনি ৰূপহীৰ যিটো চামগুৰি অফিচ, তাত আছিল ১৬১ টা চেণ্টাৰ আৰু লাওখোৱা প্ৰজেক্টত আছিল ৬৭ টা চেণ্টাৰ। মুঠ ২২৮ টা চেণ্টাৰ আৰু এই ২২৮ টা চেণ্টাৰ লৈ ৰূপহী ডেভেলপমেণ্ট ব্লক এলেকাত এই অফিচটো স্থাপন কৰাৰ কাৰণে আমি কৈছিলো। গতিকে সেই Proposal টো এতিয়ালৈকে কিন্তু approval হোৱা নাই। এইটো অফিচ sifting ৰ কাৰণে approval দিছে যে অফিচটো sifting হব লাগে। গতিকে অফিচটো sifting হ'বই লাগিব, কিন্তু sifting হোৱাৰ লগতে Re-organisation হ'ব লাগে যে লাওখোৱা project ত যি ৬৭ টা চেণ্টাৰ আছে, এই চেণ্টাৰখিনি ৰূপহীলৈ আনিব লাগে আৰু ৰূপহী project ৰ ১৬১ টা চেণ্টাৰ মুঠ ২২৮ টা চেণ্টাৰ লৈ ৰূপহী ICDS Project টো ৰূপহী ডেভলেপমেণ্ট ব্লকত হ'ব লাগে বুলি আমাৰ proposal আছিল আৰু চৰকাৰী ভাবেও এই proposal টো আমাৰ জিলাই পঠাইছিল, মেপ সকলো কৰি দিছে। মই দেখুৱাইছো। দুটা ব্লকৰ মেপ আঁকি কে নেকুৱা হ'ব সকলো মিলাই দিছিল। দিয়াৰ পাছত ডাইৰেক্টৰে কমিশ্যনাৰলৈ পঠালে, কমিশ্যনাৰ লেভেলত তিনিবাৰকৈ মিটিং হোৱাৰ পিছত ক'লে যে, কেবিনেট decision লাগিব, কিন্তু কেবিনেট decision ৰ কাৰণে এতিয়ালৈকে অৰ্ডাৰটো হোৱা নাই। মই অধ্যক্ষ মহোদয়ৰ মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক অনুৰোধ জনাইছো যিহেতু election notification হৈ যাব পাৰে, তাৰ আগতে যাতে Re-organisation order টো দি এই যে ৩৪ কিলোমিটাৰ দূৰলৈ যোৱা অঙ্গনবাড়ী কৰ্মী সহায়িকা সকলৰ এই দুৰ্দশাটো নাশ কৰে, তাৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়ানীক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই যিটো এই পবিত্ৰ সদনত উত্থাপন কৰিছে, এই বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে, গতিকে তেখেতে যিটো কথা কৈছে চামগুৰিত অফিচটো লৈ যোৱাটো একেবাৰে ভুল আছিল আৰু আগৰ পৰা হুদা ডাঙৰীয়াই বিষয়টো মোৰ দৃষ্টিগোচৰ কৰিছিল আৰু এইটো put-up কৰিবৰ কাৰণেও আৰু ব্যৱস্থাটো লবৰ কাৰণেও দিয়া হৈছিল। কিন্তু এতিয়ালৈকে কৰা হোৱা নাই তথাপিও অৰ্ডাৰটো Director ৰ পৰা দিয়া হৈছে স্থানান্তৰ কৰিবৰ কাৰণে আৰু এই ব্লকৰ অধীনত যিখিনি চেণ্টাৰ আছে, সেইখিনি Re-organised কৰি দিয়া হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী জাকিৰ হুছেইন সিকদাৰ। ৰূপহীৰ কথা তাৰ লগতে লিংক কৰি ক'ব। অন্য নক'ব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে সন্মানীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াৰ প্ৰশ্নৰ ওপৰত উত্তৰ মন্ত্ৰী ডাঙৰীয়ানীয়ে দিছে। আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা জানিব বিচাৰিম যে, অসমত বহুতো এনেকুৱা সংহত শিশু উন্নয়ন প্ৰকল্প, অফিচ কাৰ্য্যালয় সমূহ ভাড়াঘৰত চলি আছে। ভাড়া ঘৰৰ কাৰ্য্যালয়ৰ পৰা স্থায়ী কাৰ্য্যালয় কেতিয়া নিৰ্মাণ কৰিব এই বিষয়ে মাননীয় মন্ত্ৰী ডাঙৰীয়ানীৰ কি তথ্য আছে বা কি ধৰণৰ পৰিকল্পনা আছে বিভাগৰ হাতত সেই কথাখিনি জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপোনাৰ প্ৰশ্নৰ একেলগে উত্তৰ দি দিব। এইটো এটা

general question. She can give appeal by.

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, যদিও এইটো সমষ্টি related আছিল, মোঃ নুৰুল হুদা ডাঙৰীয়াৰ, কিন্তু একে principle.গোৱালপাৰা জিলাৰ যিটো জলেশ্বৰ সমষ্টি আৰু গোৱালপাৰা পশ্চিম সমষ্টিলৈ এটা নতুন ICDS Project আছে। কিন্তু জলেশ্বৰ সমষ্টিৰ বহুত অঙ্গনবাড়ী চেণ্টাৰ লক্ষীপুৰত সোমাই আছে। অৰ্থাৎ জলেশ্বৰ সমষ্টিৰ মাজত দুটা ICDS project য়ে কাম কৰি আছে। ফলত কেতিয়াবা দুইজন CDPO ৰ মাজত অলপমান confusion হয়। এই re-organisation যিটো ICDS project ৰ সীমাবিলাক re-organisation ৰ কথা যিহেতু আহিছে, হুদা ডাঙৰীয়াৰ কথাটো মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম। যদি re-organisation কৰা যায়, এই confusion টো আতৰি যায়। Re-organisation টো কৰিব নে নাই ? আৰু দ্বিতীয় এটা appeal যে যদি প্ৰত্যেকটো উন্নয়ন খণ্ড ভিত্তিত ICDS project বিলাক কৰা যায়, মই ভাবো যে, management ত বেচি ভাল হ'ব। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া, এইটো actually এটা policy related issue. আপুনি পাৰিলে কৈ দিলে ভাল হ'ব। এটা কৈছে যে, ভাড়া ঘৰত বহুতত আছো, সেইটোৰ উত্তৰ, তেখেতে কৈছে যে, যিটো আপুনি হুদাৰ তাত ষ্টেপ লৈছে, তেনেকুৱা ষ্টেপ বাকী কেইটাত ল'ব পাৰে। আপুনি এটা opinion দিব পাৰে। তাতকৈ বেছি নহয়।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (সমাজকল্যাণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যেনেকৈ কৈছে, অসুবিধাটো হয়, অকল গোৱালপাৰা নহয়, ধুবুৰীটো তেনেকুৱা ধৰণৰ আছে। আগতে তাত স্থাপন কৰাটোৰে ভুল হৈছিল। গতিকে আজি আমাৰ পবিত্ৰ সদনত, মাননীয় অধ্যক্ষ ডাঙৰীয়াই যেনেকৈ মোক নিৰ্দ্দেশ দিছে তেনেকুৱা সুন্দৰ এটা পলিচি বনাবৰ কাৰণে আমি হাতত ল'ম আৰু দায়িত্ব লৈছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। পিছৰ প্ৰশ্ন শ্ৰীকমলাক্ষ দে পুৰকায়স্থ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ফনী ভূষণ চৌধুৰী (মন্ত্ৰী, খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সমবায় সমিতি যিবিলাক আছে, কথাটো হৈছে যে, খাদ্য সুৰক্ষা আইনৰ অধীনত চাউলৰ যিটো carrying হয়, lifting হয়, গোটেই অসমৰ পৰা আমি কেতিয়াবা কেতিয়াবা কিছুমান complain শুনা পাওঁ। অধ্যক্ষ মহোদয়, complain টো হৈছে এনেকুৱা অসমৰ বিভিন্ন জিলাত এনেকুৱা আছিল, মই প্ৰশ্নটো কৰিমগঞ্জৰ এটা সুধিছিলো যে, for instance যে কৰিমগঞ্জৰ কিমান এতিয়ালৈকে carring ৰ টকা দিবলৈ বাকী আছে। উত্তৰটো যিটো পালো যে, ২০১৯ বৰ্ষৰ আগষ্ট মাহৰ পৰা ২০২০ বৰ্ষৰ মাৰ্চ মাহলৈ ১, ৩৭, ১২, ০২২ টকা আৰু ২০২০ বৰ্ষৰ এপ্ৰিল মাহৰ পৰা ২০২০ বৰ্ষৰ চেপ্তেম্বৰ মাহলৈ ১, ০২, ৬২, ০৪২ টকা, অৰ্থাৎ আমাৰ এতিয়ালৈ ২, ৩৯, ৭৪, ০৬৪ টকা পাবলৈ বাকী আছে। কথাটো হৈছে যে, এই যে carrying ৰ টকা, এই টকাটো পাবলৈ আপোনালোকৰ প্ৰায় দুই তিনি বছৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা টকাটো মোকোলাই দিয়ে তাৰ পাছত জিলালৈ যায় বিৰাট এটা time spare spend হৈ যায়। এইটোৰ কাৰণে কি হয় যে, যিবোৰে carrying কৰে, তেওঁলোকে বুজি পায় যে, আমি দুই বছৰৰ পিছতহে টকাটো পাম। এতিয়া যিহেতু দেৰি হ'ব, তেতিয়া আমি কিবাকিবি এটা মিলাই, কিবাকিবি এটা দুৰ্নীতি কৰি লওঁ আৰু

carrying কৰি ল'লো। গোটেই অসমৰ সমস্যা মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা মই specific এটা sugesstion আছিল, সোনকালে কেনেকৈ হ'ব, কেন্দ্ৰীয় চৰকাৰৰ পৰা টকাটো যেতিয়া মোকোলাই নিদিয়ে আমি জিলালৈ কেনেকৈ সোনকালে পঠাই দিব পাৰে আৰু আটাইতকৈ ডাঙৰ কথা মই এটা enquiry বিচাৰিছো অধ্যক্ষ মহোদয়। Enquiry টো এইকাৰণে বিচাৰিছো কৰিমগঞ্জ জিলাত ১৭ হাজাৰ টকা গৈছিল। নামটো কৈছো গান্ধাই কোৰ্পাটিভ চোছাইটিৰ কাৰণে carrying ৰ টকাটো গৈছিল আৰু কেইটামান carrying ৰ কাৰণে কেইটামান চোছাইটিৰ টকা গৈছিল। বহুতবাৰ আমি জিলা উপায়ুক্তক কমপ্লেইন দিছো। সেইখিনি চোছাইটিয়ে carrying ৰ টকাটো পোৱা নাই। এই টকাটো ক'ত গ'ল? টকাটো আপোনালোকে পঠাইছে, জিলালৈ গৈছে, কিন্তু যিবিলাক চোছাইটিয়ে পাব লগা আছিল, সেইবোৰ চোচাইটিয়ে কিন্তু টকাটো পোৱা নাই। আপুনি enquiry কৰি এই টকাটো ক'ত গ'ল, কাৰ লেপ্চৰ কাৰণে এই চোছাইটি বিলাকে টকা পোৱা নাই। বাবে বাবে মোৰ ওচৰত আহি থাকে। মই মন্ত্ৰী মহোদয়ৰ পৰা specific উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ফনী ভূষণ চৌধুৰী (মন্ত্ৰী, খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থই যিটো প্ৰশ্ন কৰিছে এই সংক্ৰান্তত নিশ্চয় আমি কিছু বিতংকৈ ক'বলগীয়া হ'ব। তেখেতে কোৱাৰ নিচিনাকৈ দুবছৰ পিছত সমবায়ৰ টকা পোৱাটো আগতে হোৱা নাছিল। যোৱা বছৰৰ পৰা এই বিষয়টো হৈছে। এই বিষয়টো এই কাৰণেই হৈছে যিটো NFSA ৰ ব্যৱস্থা, এই NFSA ৰ fair price হ'ব ১৪৩ টকা তেওঁলোকৰ কমিশ্যনৰ বাবদ দিয়া হয়। কিন্তু আমাৰ অসমৰ ক্ষেত্ৰত এই ব্যৱস্থাটো সলনি কৰি এই ১৪৩ টকাটো ভাগ কৰি দিছে। এশ টকা দহ পইচা দিয়াৰ fair price হ'ব আৰু ৪২ টকা ৯০ পইচা দিয়াৰ GPSS ক দিয়াৰ সমবায় সমিতি। এইটো আচলতে NFSA ৰ যিটো গাইড-লাইন তাৰ বিৰুদ্ধে গৈ তাৰ অলপ অনিয়ম কৰি আমাৰ ইয়াত তেনেধৰণৰ ব্যৱস্থাটো কৰা হৈছে কাৰণ অন্যান্য ৰাজ্য বিলাকত তেনেধৰণৰ ব্যৱস্থা আছে। আমাৰ ইয়াত ব্যৱস্থা নহয়। যদি আমি GPSS ক involve নকৰো, তেতিয়াহ'লে আমি চাউল দিব নোৱাৰো। আমাৰ তেনেধৰণৰ আন্তঃগাথনি নাই। এই বিষয়টো কেবিনেটত উত্থাপন হৈছিল আৰু আলোচনাও কৰিছিল। কেবিনেটত আলোচনা কৰি যোৱা **২০১৬** চনৰ **৩১** তাৰিখে সিদ্ধান্ত হৈছিল যে fair price যিটো ১৪৩ টকা, এই ১৪৩ টকাটো ভাগ কৰি কিছু fair price হ'ব, কিছু GPSS ক দিয়া হওঁক। এই কেবিনেট সিদ্ধান্ত মতে **২০১৬** চনৰ পৰা এই ব্যৱস্থাটো চলি আছিল। কিন্তু যোৱা বছৰ ২০১৯ চনত fair price ৰ দুটা ভাগ হৈ গ'ল। দুটা ভাগ হৈ এটা ভাগে ক'লে যে, আমি আচলতে fair price হিচাপে ১৪৩ টকা পাব লাগে । আমি পোৱা নাই এই কথাটো তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক অভিযোগ দিলে। অভিযোগ দিয়াৰ পিছত মাননীয় সাংসদ শ্ৰী নৱ কুমাৰ শৰণীয়া ডাঙৰীয়াই তেওঁলোকক মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত লৈ গ'ল আৰু এই বিষয়টো কেন্দ্ৰীয় মন্ত্ৰীৰ তাত উত্থাপন কৰিলে। উত্থাপন কৰাৰ পিছত যোৱা বছৰৰ জুন মাহৰ ১৫ তাৰিখে এটা সিদ্ধান্ত হৈছিল এই বিষয়টোক লৈ এটা আলোচনা হৈছিল। এই বিষয়টো আলোচনা হৈ কেন্দ্ৰীয় চৰকাৰৰ মাজত বিভাগৰ এটা আলোচনা হৈ এটা সিদ্ধান্ত লৈছিল। মই এটা সিদ্ধান্তৰ অংশ আপোনালোকৰ ওচৰত পঢ়ি দিব বিচাৰিছো। State Government of Assam may submit a note stating the functioning of GPSS, LMPS, WCCS and there relevents toward the

functioning of APS. The note may bring out clearly that is GPPS lams WCCS are performing some functions of the fair price of that justifies the payment of pass commission to them. এনেধৰণৰ তেওঁলোকে সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত আমাৰ বিভাগৰ পৰা তেওঁলোকক justify কৰা হ'ল। এনেধৰণৰ আমাৰ বিভাগৰ পৰা তেওঁলোকক বহুবাৰ চিঠিপত্ৰ প্ৰদান কৰা হ'ল। চিঠি-পত্ৰ প্ৰদান কৰাৰ পাছতো যোৱা বছৰৰ পৰা তেওঁলোকে এতিয়ালৈকে আমাৰ ৭৫ শতাংশ চেন্ট্ৰেল চেয়াৰখিনি আমাক মোকোলাই দিয়া নাই। যাৰ ফলত আচলতে GPSS ৰ যিটো কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰি দিলে গতিকে GPSS ৰ চেন্ট্ৰেল চেয়াৰটো তেওঁলোকে পোৱা নাই আৰু আমাৰ যিটো চেয়াৰ কমিশ্যন, এই কমিশ্যনটো ৭৫ শতাংশ চেন্ট্ৰেল চেয়াৰ, ২৫ শতাংশ ষ্টেট চেয়াৰ। এই ২৫ শতাংশ ষ্টেট চেয়াৰটো দি থকা হৈছে। এইটো এটা অসুবিধা হৈছে কিন্তু আমি আশা কৰিছো এই বিষয়ে ষ্টেট গৰ্ভনমেণ্টৰ লগতো আলোচনা কৰিম, ফাইনেঞ্চ বিভাগৰ লগতো আলোচনা কৰিছো আমি আশা কৰিছো যে, এইটো কম দিনৰ ভিতৰত নিষ্পত্তি হ'ব আৰু নিষ্পত্তি হ'লে নিশ্চয় সভা সমিতি সমূহে পাবলৈ সক্ষম হ'ব। দ্বিতীয়টো হ'ল যে, মাননীয় সদস্য গৰাকীয়ে কৈছে যে, ইয়াৰ পৰা টকা গৈছে কিন্তু তেওঁলোকে টকাটো পোৱা নাই। আগতে তেনেধৰণৰ হৈছিল। আমি ইয়াতে GPSS ৰ বা fair price ৰ যিটো কমিশ্যন আমি জিলা বিলাকলৈ পঠাই দিছিলো, জিলা বিলাকে তাৰ পিছত ডি চি অফিচৰ পৰা fair price বা GPSS ক দিয়াৰ এটা ব্যৱস্থা আছিল। আমি যদি বি টি এ ডি ৰ কথা কওঁ, বি টি এ ডিত আমি ইয়াৰ পৰা টকাটো পঠাই দিওঁ, তেওঁলোকৰ কৰ্তৃপক্ষৰ টকা থাকে বি টি এ ডি প্ৰশাসনে fair price হওঁকবা dealer বিলাকক তেওঁলোকে টকা নিদিয়ে এই ব্যৱস্থাটো হৈ আছিল। কিন্তু শেহতীয়াভাৱে এটা হৈছে যে, FPR MS system কৰা হৈছে যাৰ জৰিয়তে ইয়াৰ পৰা টকাটো পোনপতীয়াকৈ fair price বা dealer বিলাকক দিয়াৰ ব্যৱস্থা কৰিব। গতিকে যিটো নোপোৱা বুলি কৈছে আমি নিশ্চয় চাব লাগিব, ক'ত গৈছে, কি হৈছে তদন্ত কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। কেইবাজনো চাপ্লিমেনণ্টৰি আছে। কিন্তু যিমান পাৰে চমুকৈ ক'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা চাপ্লিমেণ্টৰী মন্ত্ৰী মহোদয়ে যিটো ক'লে সন্তুষ্ট হৈছো প্ৰশ্নৰ উত্তৰটো ঠিক হৈছে। কিন্তু মই বিচাৰিছিলো এই যে, ২০১৭-১৮ চনৰ টকা যিটো গৈছিল এটা enquiry এটা দিব লাগে। লাগিলে মই লিখিতভাৱে দিম। ক'ত বা গ'ল টকাখিনি, টকাখিনি কোনে খাইছে, কি হৈছে কথাখিনি ক্লিয়াৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি লিখিতভাৱে দিয়ক। শ্ৰীগুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যোতি দাস (মংগলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ সমষ্টিত দুটা ব্লক আছে।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট। মই আপোনাক দিম। আপোনালোকে তেনেকৈ উত্থাপন নকৰি, কৰিমগঞ্জৰ সমবায় সমিতি আছিল। আজি শেষ দিন, মই অকনমান দিছো relex কৰিছো। প্ৰশ্নটো পোনপটীয়া কৰিব।

**শ্ৰীগুৰুজ্যোতি দাস (মংগলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুখন ভি চি ডি চি ওডালগুৰি জিলাত পৰে। দুটা ব্লক আছে পূব মঙ্গলদৈ, পশ্চিম মঙ্গলদৈ। গ্ৰাম্য অঞ্চলৰ ৮৪.১৭ শতাংশ পাব লাগে মানুহে। আমাৰ বহুখিনি বাকী আছে। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম ওডালগুৰি জিলাক যাতে উপায়ুক্ত মহোদয়ে এটা আদেশ দি সোনকালে কৰি দিব লাগে। যিখিনি মানুহ বাদ পৰি আছে,

আৰু আমাৰ জিলাতো দুটা ব্লকৰ যথেষ্টখিনি ইতিমধ্যে চাবমিট কৰিছে, চি ফৰ্ম, সেইখিনি যাতে সোনকালে দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। এতিয়া পূৱ মঙ্গলদৈ ব্লকত প্ৰায় ৮০ শতাংশও হোৱা নাই। সেই কাৰণে মই অনুৰোধ কৰিম যাতে কম সময়ৰ ভিতৰত দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া তথ্য যদি আছে কওঁক নহ'লে পিছত ক'ব।

**শ্ৰীগুৰুজ্যোতি দাস (মংগলদৈ) ঃ** আদেশ এটা দিলেও হ'ল। ইতিমধ্যে জমা হৈ আছে চিলেকশ্যনটো।

**শ্ৰী ফনী ভূষণ চৌধুৰী (মন্ত্ৰী, খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে, মই আগতে কৈছো। প্ৰথম প্ৰথম উল্লেখ কৰিছিল, যোৱাবাৰ আগৰ প্ৰশ্নটোত। দৰং জিলাত division আছে ৭৪৭তাৰমানে দৰং জিলাত যিখিনি টাৰ্গেট, সেই টাৰ্গেটত কৈ ৭৪৭ কম পাই আছে। ৭৪৭ জন হিতাধিকাৰীয়ে জনসংখ্যা আমি দিব পাৰো। গতিকে এই ক্ষেত্ৰত যদি মাননীয় বিধায়কগৰাকীয়ে যদি বিভাগৰ লগত যোগাযোগ কৰে নিশ্চয় সেই ৭৪৭ জন জনসংখ্যাক দিব পৰা যাব।

**শ্ৰীগুৰুজ্যোতি দাস (মংগলদৈ) ঃ** মাননীয় মন্ত্ৰী মহোদয়ে যাতে সোনকালে কৰি দিয়ে। যোগাযোগ কৰি আছো। কেৱল দিয়া হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া আপুনি অলপ চাব। ইয়াৰ পাছত শ্ৰী ৰফিকুল ইছলাম। Details ত নাযাব। Because this is Related to Karimganj.

**শ্ৰী ৰফিকুল ইছলাম, জনীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ দ্বিতীয় যিটো 'খ' আছে কৰিছে গোটেই অসমৰ বকেয়া তেখেতে সুধিছে, গোটেই অসমৰ কোন জিলাত কিমান টকা বকেয়া আছে। এই প্ৰশ্ন আছে । ইতিমধ্যে মন্ত্ৰী মহোদয়ে উত্তৰ দিছে ৬০ কোটিৰো অধিক টকা গোটেই অসমত বাকী আছে। প্ৰায় জিলা বিলাকত ডেৰ , দুই আঢ়ৈ কোটি এনেকুৱা টকা বাকী আছে। আৰু এইখিনি পৰিবহণ বেয়া আমি সকলোৱে জানো, চাউল আটা কেৰিং কৰাৰ কাৰণে সময়মতে নিদিয়াৰ কাৰণে, সমবায় সকলে মেনেজ কৰে। তেখেত সকলে কেনেকৈ মেনেজ কৰে আমি সকলোৱে জানো। গোটেই অসমত মোৰ কেৱল জিলাৰ কথা কোৱা নাই অৱশেষত গৈ হিতাধিকাৰী যি পাঁচ কিলো পাব লগা থাকে, চাৰে চাৰি কিলো পায়।

**মাননীয় অধ্যক্ষ ঃ** সেইখিনি আমি সকলোৱে জানো। সেইখিনি আপুনি কৈছে ইতিমধ্যে। Please give the supplimentary. মই আপোনাক allow কৰিছো।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সময়মতে যদি আমি টকা নিদিও, তেতিয়াহ'লে দুখীয়াৰ ভাগৰ পৰা এই ভাগ কৰ্তন হ'ব। গতিকে কোটি কোটি টকা আমি ইফালে সিপালে বিতৰণ কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** এই কথাটো ইতিমধ্যে কমলাক্ষ দে পুৰকায়স্থই কৈছে।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শেষ কৰিম গতিকে সময়মতে টকাটো দিয়াৰ ব্যৱস্থা কৰিব লাগে। গোটেই অসমৰ সমবায়ত ইমান ডাঙৰ কেলেংকাৰী হৈ আছে, আটা চাপ্লাই নিদিয়ে। গতিকে ইয়াৰ এটা তদন্ত হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Governor Speech আছে, debate তাত ক'ব।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** যি সকলৰ প্ৰাপ্য, সেই আটা, তেওঁলোকে কি কাৰণে নাপায় মাননীয় মন্ত্ৰী মহোদয়ে ষ্টেপ ল'ব নেকি।

**মাননীয় অধ্যক্ষঃ** এইটো নোট কৰি ৰাখক। আছে যদি উত্তৰ দিব। শ্ৰী প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমবায় জৰিয়তে যি চাউল যোগান হয়, আৰু এজেণ্টৰ যোগেদি যিখিনি চাউল যোগান ধৰা হয়, আমাৰ প্ৰথম কথা হ'ল এই সমবায়বিলাক আজি বহু দিনৰ পৰা তেখেতসকলে যিটো শ্বেয়াৰ বিক্ৰী কৰে, শ্বেয়াৰ বিক্ৰী কৰাৰ ব্যৱস্থা আজি বহু দিনলৈকে নাই হোৱা।

**মাননীয় অধ্যক্ষঃ** কিন্তু খাদ্য অসামৰিক মন্ত্ৰীয়ে কি ক'ব তাত। সেইটো খাদ্য মন্ত্ৰীৰ বিষয় নহয়।

**শ্ৰীপ্ৰশান্ত ফুকন (ডিব্ৰুগড়) ঃ** অধ্যক্ষ মহোদয়, ২ নম্বৰ কথাটো হ'ল- এজন এজেন্টক কিবা কাৰণত যদি চাচপেণ্ড কৰা যায় তেওঁক আন এজন এজেন্টৰ লগত লগ লগাই দিয়া যায় কিন্তু দেখা যায় যে মানুহখিনি তাৰ পৰা চাউল আনিব যোৱাটো বহুখিনি দূৰত্ব হৈ যায়। তেওঁলোকে যিমানখিনি চাউল পায় তাতকৈ গাড়ী ভাড়াই বহুখিনি গুছি যায়। অধ্যক্ষ মহোদয়, দুই নম্বৰটো হ'ল, আমাৰ বস্তু ওজন কৰা চিষ্টেমটো ডিজিটেল হ'ল গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এখন চাৰ্কোলাৰ উলিয়াই অতি সোনকালে ডিজিটেল কৰাৰ ব্যৱস্থা কৰক। নহ'লে ওজন কৰা দগাটোৰ তলত অকনমান শিল থাকে। ১ কে জি কিনিবলৈ গ'লে ৮০০ গ্ৰামহে পাওঁ। ঠিক তেনেকৈ মাছ বা অন্য ক্ষেত্ৰতো তেনেকুৱাই হৈছে। গতিকে এইটো অতি সোনকালে ডিজিটেল কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ Thank you. Good Suggestion. দুয়োটা Suggestionই ভাল। লাষ্ট Abdul Kalam Rashid Mandal.

**শ্ৰীআবুল কালাম ৰছিদ মণ্ডল (পূব গোৱালপাৰা) ঃ** ছাৰ মোৰ প্ৰশ্নটো হ'ল যেতিয়া কোনো এটা বস্তু ডি চিৰ পৰা এলোটমেন্ট হয় তাৰ পিছত এফ চি আই গোডাউনৰ পৰা কেৰিজ কৰি আনে , মালটো Direct Agent ক দিব লাগে নে dumping কৰিব লাগে ? কেতিয়াবা মালটো এফ চি আইৰ পৰা কেৰিজ কৰি মাজতে ডাম্পিং কৰি আকৌ সমবায়ক দিয়ে। সমবায়ে আকৌ এজেন্টলৈ পঠিয়াই দিয়ে। এইখিনিতে গণ্ডগোলটো হয় । গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে তেওঁ এই বিষয়ে আমাক জনায় যেন যে গোৱালপাৰাত বস্তুকিনি কেনেধৰনে কেৰিজ কৰা হয়, এই বিলাক কিবা টেণ্ডাৰৰ জৰিয়তে কৰা হয়নে এজনে কনট্ৰেক্টটো পাই আছে? যদি এজনে পাই আছে কি ভিত্তিত কৰি আছে?

**অধ্যক্ষ মহোদয় ঃ** ঠিক আছে। উত্তৰটো হয়তো আজি নাপাব পাৰে কাৰণ কোৱেশ্চনটো ৰিলেটেড নহয়। তথাপিও কথাখিনি দৃষ্টি আকৰ্ষণ কৰিছে। যিকেইটা মিনিষ্টাৰ ডাঙৰীয়াই ক'ব পাৰে ক'ব আৰু বাকীখিনি সদস্যগৰাকীয়ে আপোনাক কনটেক্ট কৰিব আপুনি উত্তৰ দিব।

**শ্ৰীফনীভূষণ চৌধুৰী (মন্ত্ৰী, খাদ্য ও যোগান বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়। গোটেই কেইটা প্ৰশ্নৰে উত্তৰ দিব পাৰিম। ছাৰ যিহেতু ইয়াৰ লগত ৰিলেটেড নহয় মই কেইটা মানৰহে উত্তৰ দিম। ৰফিকুল ইছলাম ডাঙৰীয়াই কৈছে যে, " আটাৰ বৃহৎ কেলেংকাৰী, কোটি কোটি টকাৰ।" এইটো ছাৰ মোৰ বোধেৰে সত্য নহয় কাৰণ এনেধৰণৰ আমি কোনো অভিযোগ পোৱা নাই। তেওঁৰ যদি কিবা অভিযোগ আছে তেন্তে তেখেতে দাখিল কৰিব। আমি ডেফিনিটলী তদন্ত কৰাৰ ব্যৱস্থা কৰিম। তেওঁ যিটো কৈছে যে সময়মতে টকাটো পাব লাগে কিন্তু পোৱা নাই, মই সেইটোৰ ক্ষেত্ৰত মাননীয় সদস্যক ক'ব বিচাৰো যে ফুকণ ডাঙৰীয়াই যিটো ক'লে যে জোখ -মাপ কৰা মেচিনটো ডিজিটেল কৰিব লাগে তাৰ বিষয়ে আমি বিভাগে চিন্তা চৰ্চা কৰিম। এখন সমবায় ছাছপেণ্ড হোৱাৰ পিছত আন এজনক জাপি দিয়ে কিন্তু এইটো কৰিবই লাগিব উপায় নাই। ছাছপেণ্ড হোৱা সমবায়খনৰ যিখন নিয়েৰেষ্ট সমবায় সেইখনৰ লগতে টেগ কৰি দিয়া হয়। আচলতে, এইটো পৰিস্থিতি সাপেক্ষে কৰা হয়। দ্বিতীয়তে কথাটো হৈছে যে চাউল ক'ত যাব

লাগে বা কেনেধৰণে অনা হয়, ইয়াত দুটা চিষ্টেম আছে টায়াৰ-১ আৰু টায়াৰ-২ , টায়াৰ-১ হ'ল এফ চি আইৰ গোডাউনৰ পৰা বস্তু লৈ আনে সমবায়লৈকে আৰু টায়াৰ -২ হৈছে সমবায়ৰ পৰা আহে এজেন্টলৈকে। এই দুটা System চলি আছে। তেখেতে যিটো কথা কৈছে কনট্ৰেক্টৰৰ কথাটো, আমাৰ ইয়াত টেণ্ডাৰ হয়। টেণ্ডাৰত পাৰ্টিচিপেট কৰে আৰু যিজনে পায় তেওঁকে কনট্ৰেক্টটো দিয়া হয়। ডাম্পিঙৰ কোনো চিষ্টেম নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো কৈছে ডাম্পিঙ আৰু কনট্ৰেক্টৰ কথাটো লিখি তেওঁক দিব। এতিয়া কোৱেশ্বন নং-১১ ডা ঃ নোমল মোমিন ।

**শ্ৰীৰঞ্জিৎ দত্ত (মন্ত্ৰী, হস্ততাঁত আৰু বস্ত্ৰ, সংখ্যালঘু কল্যাণ ইত্যাদি) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ডাঃ নোমল মোমিন (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মহোদয়ক ধন্যবাদ দিওঁ। আমাৰ মাইনোৰিটি ৱেলফেয়াৰ আগতে এম এচ ডি পি আছিলে । এতিয়া প্ৰাইম মিনিষ্টাৰ জন বিকাশ কল্যাণ যোজনা আঁচনি'ৰ জড়িয়তে পোন প্ৰথমবাৰৰ বাবে আমি বোকাজান সমষ্টিত এই স্কীম পাবলৈ সক্ষম হৈছিলো । খ্ৰীষ্টান মাইনোৰিটি এলেকাত তেখেতৰ সময়তে আমি মাইনোৰিটি ৱেলফেয়াৰ স্কীম বিলাক পাইছিলো। বিগত কংগ্ৰেছ চৰকাৰৰ দিনতে ২-৩ বছৰ ফাণ্ড ডাইভাৰ্ট কৰি যোৱা হৈছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত সবল বলিষ্ঠ পদক্ষেপ লোৱাৰ বাবে এই মাইনোৰিটি ৱেলফেয়াৰ ফাণ্ড আকৌ ঘুৰি আহিল। অধ্যক্ষ মহোদয়, মোৰ questionৰ যিটো উত্তৰ তাতে বোকাজান সমষ্টিত ১০১ টা স্কীম ইনকমপ্লিট হৈ আছে। ২০১৭-১৮ চনৰ পৰা আৰম্ভ হোৱা আঁচনি। তেতিয়া তেখেতে মাইনোৰিটি ৱেলফেয়াৰ মিনিষ্টাৰ নাছিলে কিন্তু এতিয়া দায়িত্বত আছে। চেকেণ্ড ফেজৰ ফাণ্ডখিনি অহা নাই বুলি কৈছে আৰু ফাৰ্ষ্ট ফেজৰ আধা কাম কৰিছে, হাফডান হৈ আছে। যদি ২০১৮ চনৰ কামটো ২০২১ চনলৈ আধাতে কৰি থৈ দিয়ে , এতিয়া বিল্ডিংবিলাক বেয়া হ'বলৈ ধৰিছে, ঘৰবিলাক শেলুৱৈ ধৰা আৰম্ভ হৈছে । গতিকে Deputy Commissioner ক Direction দি incomplete building বিলাক complete কৰিবলৈ নিৰ্দ্দেশ দিব লাগে। যেতিয়া চেকেণ্ড ফেজৰ পইচা আহিব তেতিয়া পইচাখিনি contractorক দিব পাৰিব। ইয়াৰ এটা ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। আৰু এটা কথা অধ্যক্ষ মহোদয়, মই এটা question শুধিছিলো যে How many Schemes under Minority Welfare Department in Bokajan LAC remaining incomplete ? কিন্তু উত্তৰটো এনেকৈ দিলে as per guideline PMJVK is implemented MCBwise not LAC wise, মই কোৱেশ্বনটো এম চি বি ৱাইজ নে এল এ চিৱাইজ সোধা নাছিলো। intention টো কি? MCB টো LAC আণ্ডাৰত নপৰে নেকি? বিধান সভাৰ Answer ৰ procedure টো অলপ ভাল হ'লে ভাল হয়। ইনচাল্টিঙৰ সুৰত প্ৰশ্নৰ উত্তৰ দিয়াটো মই ভাবো ভাল নহয়, ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ...... মিনিষ্টাৰ ডাঙৰীয়া ।

**শ্ৰীৰঞ্জিৎ দত্ত (মন্ত্ৰী, হস্তঁতাত আৰু বস্ত্ৰ, সংখ্যালঘু কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নোমল মোমিন ডাঙৰীয়াই তেখেতৰ বোকাজান এল এ চিৰ যিটো আমাৰ প্ৰধান মন্ত্ৰীৰ জন বিকাশ কাৰ্য্যক্ৰম যিটো ইয়াত তেখেতে এল এ চিৱাইজ বিচাৰিছে কিন্তু তেখেতৰ তাত এম চি বি ৱাইজ আছে। কিয়নো ইয়াত দুটা ব্ল'ক আছে। এটা বোকাজান আৰু এটা নিলিপ। এই দুটা ব্ল'কতেই প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰমবিলাক চলি আছে। তেখেতৰ সমষ্টিত এলেভেন

প্লেন আৰু টুৱেলভ প্লেনৰ ১১০ টা আঁচনি চলি আছে। Drinking water, Toilet, Hospital Labour Room, School Building, Girls Hostel, Anganwadi Centre, Market ইত্যাদি এইবিলাক আঁচনি চলি আছে। চেকেণ্ড ইনষ্টলমেন্টটো কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি এতিয়ালৈকে পোৱা নাই। এই বিলাক জিলা উপায়ুক্তৰ দ্বাৰা কৰা হৈছিল উপায়ুক্তৰ দ্বাৰাই বিভিন্ন ডিপাৰ্টমেন্টৰ টেণ্ডাৰ প্ৰচেচ কৰি বা বিভিন্ন কনষ্ট্ৰাকশ্যন কমিটি লৈ কাম বিলাক কৰিছে। ইউ চি বিলাক নিদিয়া কাৰণে আমাৰ চেকেণ্ড ইনষ্ট'লমেন্টৰ টকা পোৱা নাই। এতিয়া লাহে লাহে ডি চিয়ে দি আছে। বিশেষকৈ নগাওঁ, শিলচৰ, কৰিমগঞ্জ আদি জিলাত আমাৰ কাম চলি আছে। আমাক যিবিলাক ইউ চি দিছে সেইবিলাক আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছো। ইতিমধ্যে আমি যোগাযোগ কৰিছো। টকাবিলাক সোনকালে দিব। তেওঁলোকে চাই চাই চেকেণ্ড ইনষ্ট'লমেন্টবিলাক দি আছে । অন্য জিলাই পাই আছে কিন্তু বোকাজান ব্ল'ক বা নিলিপ ব্ল'কত যিখিনি স্কীম সেইখিনি কাম চলি আছে। আমি সোনকালে পোৱাৰ কাৰণে বিভাগীয় ব্যৱস্থা ল'ম। আপোনালোকে জানি ভাল পাব যে তেখেতৰ সমষ্টিত এখন মডেল ৰেচিডেন্সিয়েল স্কুল ৩০ কোটি ৪২ লাখ টকা আবন্টন হৈছে আৰু ইতিমধ্যে কাম আৰম্ভ হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আধাৰশিলা স্থাপন কৰিছে। আৰু দুটা স্কীম চলিছে কমন চাৰ্ভিছ চেন্টাৰ, এটা ১ লাখ ৪০ হাজাৰ টকা আনটো ১ লাখ ৪৬ হাজাৰ টকা। বোকাজান আৰু নিলিপ ব্ল'কত এই কামখিনি আমি কৰিছো। আগৰ চৰকাৰে ৫ লাখ- ৬ লাখৰ সৰু সৰু স্কীম লৈছিলে যাৰ কাৰনে স্কীমবিলাক কমপ্লিট হোৱা নাছিল। উপায়ুক্তসকলে তেওলোকৰ দ্বাৰাই পৰিচালিত হৈছিলে। এতিয়া আমি ডাঙৰ ডাঙৰ আঁচনি লৈছো- অসমত ২১ খন মডেল ৰেচিডেন্সিয়েল স্কুলৰ কাম হৈ আছে ।৩০ কোটি ৪২ লাখ টকাকৈ ধৰি দিয়া হৈছে। পি ডব্লিউ ডি বিভাগৰ দ্বাৰা কাম কৰি আছো। বাকী যিখিনি কমিউনিটি চেন্টাৰ, স্কুল বিল্ডিঙৰ বাবে যিবিলাক ২০১৯-২০, ২০২০-২১ যিকিনি পইচা আহিছে , ডেৰ কোটি, ২ কোটি- ৫ কোটি টকীয়া আঁচনি এই বিলাক আমি হাউচিং- হাউচফেডৰ দ্বাৰা কৰিছো। এম এচ ডি পিৰ পৰা প্ৰধান মন্ত্ৰীৰ জন বিকাশ কাৰ্য্যক্ৰমৰ অধীনত ডিজিটেল ক্লচ ৰুম আমি দিছো। তেখেতৰ এলেভেন- টুৱেলভ প্লেনত যি ১১০ টা আঁচনিৰ কাম চলি আছে আৰু বৰ্ত্তমান কাম বন্ধ হৈ আছে , আমি জিলা উপায়ুক্তসকলক নিৰ্দ্দেশ দিম যাতে কামখিনি সোনকালে কমপ্লিট হয়।

**ডাঃ নোমল মোমিন (বোকাজান) ঃ** অধ্যক্ষ মহোদয়ক পুনৰবাৰ ধন্যবাদ জনাইছো, Residencial Model School আমাৰ তাত ছেংশ্যন দিয়া বাবে। ইতিমধ্যে কাম আৰম্ভ হৈছে, Boundary wall কমপ্লিট হৈছে আৰু পোষ্টবিলাক বনাই থকা হৈছে। এইটো বোকাজানবাসী ৰাইজৰ বাবে আনন্দ আৰু গৌৰৱৰ কথা যে মাইনোৰিটি ৱেলফেয়াৰ স্কীমৰ পৰা এনেধৰণৰ এটা প্ৰজেক্ট আমি পাইছো। যিটো সম্ভাৱনা কেন্দ্ৰ, সেইটো বোকাজানত পূৰ্ণগতিত কাম হৈ আছে - ৮০ পাৰ্চেন্ট কাম হৈ গ'ল কিন্তু চকীহোলাৰ কামটো আৰম্ভ হোৱা নাই। গতিকে ঠিকাদাৰ গৰাকীক কামটো সোনকালে কৰাৰ বাবে যেন আপুনি এটা instruction দিয়ে। অধ্যক্ষ মহোদয়, আৰু এটা অনুৰোধ জনাও আপোনাৰ জৰিয়তে যে যিখিনি কাম ইনকম্পপ্লিট হৈ আছে- Boundary wall, বিল্ডিংবিলাক, এই সপ্তাহৰ ভিতৰতে কাম আৰম্ভ কৰা ভাল, নহ'লে বাৰিষা আহিলে শেলুৱৈ ধৰা আৰম্ভ হ'ব। গতিকে এইখিনি কামো কৰি দিবলৈ অনুৰোধ জনাইছো। ধন্যবাদ

**অধ্যক্ষ মহোদয় ঃ** এতিয়া মই ৩ গৰাকীৰ নাম পাইছো- শ্ৰীকিশোৰ নাথ, আব্দুৰ ৰছিদ মণ্ডল, সত্যব্ৰত কলিতা। আপোনালোকে ৰিলেটেড যদি হয় ক'ব।

**শ্ৰীআব্দুল ৰছিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত এম এচ ডি পিৰ টকা ডাইভাৰ্ট হৈছিল - এই কথাটো মই মানি নলওঁ কাৰণ মই নিজে গম পাওঁ যে এই চৰকাৰৰ দিনতে টকা পেলাই ৰখা হৈছে - কাম হোৱা নাই। তাৰ উদাহৰণ মই দিব বিচৰা নাই কিন্তু মই কথাটোৰ কাৰেকশ্যন বিচাৰিছো। আৰু দ্বিতীয় কথাটো হৈছে যে, delay হোৱা কথাটো, এম এচ ডি পিৰ এতিয়া পি এম জি ভি কেৰ ২০১২ চনতলক্ষীপুৰ আই টি আইৰ কাম আৰম্ভ হ'ল- ৮ বছৰ হ'ল এতিয়ালৈকে শেষ হোৱা নাই। গতিকে বিভাগক কামখিনি খৰতকীয়াকৈ কৰিবলৈ মন্ত্ৰী মহোদয়ে যাতে নিৰ্দ্দেশ দিয়ে আপোনাৰ জৰিয়তে তাৰ অনুৰোধ জনাইছো। দেখা গৈছে যে, পি এম জি ভি কে ৰ একেলগে অহা স্কীমৰ প্ৰপোজেলৰ ভিতৰত অকল বালিজানাৰ সম্ভাৱনা কেন্দ্ৰ আৰু কৃষ্ণাই সম্ভাৱনা কেন্দ্ৰ গোটেই গোৱালপাৰা জিলাত মাত্ৰ দুটা স্কীমহে টেক আপ কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** আজি উত্তৰ দিব নোৱাৰিব। আপোনাৰ কথাখিনি প্ৰচিডিঙত থাকিব, প্লিছ বহক। প্ৰথম যিটো ক'থা কৈছে সেইটো ৰিলেট কৰিছে। প্লিছ বহক।

**শ্ৰীআব্দুল ৰছিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** এটা কথা হৈছে, য'ত নেকি Technical Staff নাই। পেৰেলেল ডিপাৰ্টমেন্টৰ দ্বাৰা কাম নকৰিলে কিন্তু আপোনালোকে ফেইলাৰ হ'ব, এইটো হেভিং ইঞ্জিনিয়াৰিঙ বেকগ্ৰাউণ্ড মোৰ চাজেশ্যন। আপোনালোকে বেলেগ ডিপাৰ্টমেন্টত লৈ যাওঁক হাউচফেডক দিলে কিন্তু ফেইলাৰ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীকিশোৰ নাথ (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এম এচ ডি পি আঁচনিত মোৰ বৰখলা সমষ্টিত কেইবাখন স্কীম চলি আছে। গোটেইখিনিৰ কাম ভালকৈ চলি আছে। তাত ৩৩ খন স্কুলৰ এডিশ্যনেল ক্লাছ ৰুম বনোৱা আঁচনি লৈছে। বেলেন্স পেমেন্ট নহা বাবে গোটেই স্কুলকেইখনৰ এডিশ্যনেল ক্লাছ ৰুম বনোৱা কামখিনি হাফডান হৈ আছে । গতিকে বেলেন্স পেমেন্ট সোনকালে ৰিলিছ কৰি কামখিনি কমপ্লিট কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সত্যব্ৰত কলিতা

**শ্ৰীসত্যব্ৰত কলিতা (কমলপুৰ) ঃ** অধ্যক্ষ মহোদয়, একেই সমস্যা । আমাৰ যেতিয়া এম এচ ডি পি আছিলে তেতিয়া বহু স্কুললৈ এডিশ্যনেল ক্লাছ ৰুম দিয়া হ'ল। এতিয়ালৈকে ফাইনেল ইনষ্ট'লমেন্ট পোৱা নাই বাবে স্কুলবিলাক আধৰুৱা হ'ল। অঙ্গনাবাদী চেন্টাৰবিলাকো আধৰুৱা হৈ থাকিল। আন এটা আচৰিত কথা অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত এটা সম্ভাৱনা ভৱনৰ কাৰণে ডেৰ কোটি টকাৰ টেণ্ডাৰ হৈ গ'ল। টেণ্ডাৰত ঠিকাদাৰে পাৰ্টিচিপেট কৰিলে তাৰ পিছত পইছা নাই বুলি অভিযোগ উঠিছে। গতিকে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে তেখেতে এই গোটেই কথাটো উপায়ুক্তৰ যোগেদি আলোচনা কৰি কেনেকৈ সম্ভাৱনা ভৱনৰ লগতে স্কুলৰ এডিশ্যনেল ক্লাছৰুমৰ কামখিনি কমপ্লিট কৰিব পৰা যায়, কামখিনি যাতে আমি পুনৰ আৰম্ভ কৰিব পাৰো তাৰ বাবে আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ মই মিনিষ্টাৰ ডাঙৰীয়াক উত্তৰটো সংক্ষেপে ক'বলৈ অনুৰোধ জনালো কাৰণ সময় কম আছে। পিছত লাগিলে বহলাই ক'ব।

**শ্ৰীৰঞ্জিৎ দত্ত (মন্ত্ৰী, হস্ততাঁত আৰু বস্ত্ৰ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয় , আমাৰ সন্মানীয় সদস্য, কিশোৰ নাথ আৰু সত্যব্ৰত কলিতাই যিখিনি প্ৰশ্ন উত্থাপন কৰিলে, এই আধৰুৱা যিখিনি কাম সেইখিনি Eleventh Plan and Tweleve Plan ত আছিলে। বিগত চৰকাৰৰ দিনত লোৱা কাম আছিলে। ইন্দিৰা আৱাস যোজনা লোৱা হৈছিল, এম এছ ডি পি আঁছনিত

৪০,০০০ টকা, ৫০,০০০ টকাৰ ঘৰৰ আঁছনি লোৱা হৈছিল, দম কল লোৱা হৈছিল। এনেধৰনৰ সৰু সৰু স্কীমবিলাক লোৱা হৈছিল। যাৰ কাৰণে এই গোটেই স্কীমৰ কাম আধৰুৱা হৈ থাকিল। ৪০,০০০ টকাত ঘৰ হয় নেকি? আমি চৰকাৰত আহি কি কৰিছো। আমি ডাঙৰ ডাঙৰ স্কুল বনাইছো। হেল্থৰ কাৰণে পইছা খৰছ কৰিছো। আমি কাৰ কাৰণে কৰিছো, ৰাইজৰ বাবে কৰিছো।

**শ্ৰীআবুল কালাম ৰছিদ আলম (পূব গোৱালপাৰা) ঃ** ৰাইজৰ কাৰণে কৰা নাই........ ঠিকাদাৰ আৰু মন্ত্ৰী ৰ কাৰণে কৰিছে।...

( সদনত হুলস্থূল, বিৰোধী আৰু শাসকীয় দলৰ সদস্যৰ মাজত তীব্ৰ বাদ-বিবাদ)

**মাননীয় অধ্যক্ষ ঃ** প্লিছ... প্লিছ ... বহক। এনেকৈ নহ'ব। বহক....। This is a House.

**শ্ৰীৰঞ্জিৎ দত্ত (মন্ত্ৰী, হস্ততাঁত আৰু বস্ত্ৰ ইত্যাদি) ঃ** শুনিবলৈ ধৰ্য্য ৰাখক। সেই কামখিনিত এশ শতাংশ ক'ৰাপশ্যন হৈ আছিলে।

( সদনত হুলস্থূল..)

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over. মই হাফিজ বশিৰ আহমেদ ডাঙৰীয়া, যোৱাবেলি এটা কৈছিলো, মই দিব নোৱাৰিলো, সুজাম উদ্দিন লস্কৰ, Please be brief. গতিকে it is a related question to Mizoram গতিকে তাত কিবা এটা সমস্যা হৈছে মই ক'বলৈ কৈছো।

**শ্ৰীসুজাম উদ্দিন লস্কৰ (কাটলিছেৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি অসমীয়া প্ৰতিদিন কাকতত এটা সংবাদ প্ৰকাশ হৈছে । হাইলাকান্দিৰ মিজোৰাম সীমান্তত উতপ্ত পৰিস্থিতি । অসমৰ গাওঁ জ্বলাই মিজোৰ তাণ্ডৱ। ৪০ জন আহত , মিজো দুৰ্বৃত্তৰ লগতে মিজো আৰক্ষী জোৱানৰ আক্ৰমণ।

**শ্ৰী সুজাম উদ্দিন লস্কৰ (কাটলিছেৰা)ঃ-** মাননীয় অধ্যক্ষ মহোদয়,আমি আপনাকে ধন্যবাদ জানাই এই বিষয়টি উথাপন করার সুযোগ দেওয়ার জন্য। " হাইলাকান্দি মিজোরাম সীমান্ত উত্তপ্ত পরিস্থিতি নিয়ে অসমর গাঁও জ্বলাই মিজোৰ তাণ্ডব। সশস্ত্র দুবৃত্তৰ আক্রমনত ৪০ জন আহত লগতে মিজো আরক্ষী জোৱানৰ আক্রমন।" মাননীয় অধ্যক্ষ মহোদয়, আমার সমষ্টিৰ দুদিকে মিজোরামের বর্ডার ধলছড়া গাঁও পঞ্চায়েতের দিকে ধলছড়া ফাইছেন, কচুরতল ভৈরবী মিজোরাম বর্ডার। বিগত বহু বছৰ থেকে মিজোরা আগ্রাসন করে আমাদের অসমের প্রায় ১০ কিমি জমি দখল করে নিয়েছে। গত ৯ তারিখ সেখানে মিজো দুষ্কৃতিকারীরা মিজোরামের প্রশাসন সঙ্গে নিয়ে বিকাল ৫ টায় ২১ টি বাড়ি-ঘর জ্বালিয়ে দিয়েছে। তারমধ্যে বসতিপূর্ণ যে লোকগুলো ছিল তারা ঘর-বাড়ি ছেড়ে পালিয়ে আসে। মিজোরামের এই সমস্যা আমি বিধায়ক হওয়ার পর ৫ বছর থেকে আমি এই সদনে আরোও একবার উথাপন করেছি। কিছুদিন পর পর মিজোরা এইভাবে জমি দখল করছে। আমার এখানে জালনাছড়া টিলারবাগ যে গাঁাও পঞ্চায়েত তিনটি গ্রাম--কচুরতল, গোলাছড়া, ঝালনাছড়া। কচুরতলে প্রায় এগিয়ে এসে বর্তমানে গলাছড়াতে দখল করছে। গলাছড়ায় আমাদের অসমের একটি ক্যাম্পও আছে তা থাকা সত্বেও মিজোরামের জনসাধারণ আইন হাতে নিয়ে প্রশাসন সঙ্গে নিয়ে এইগুলো কাজ করছে। আমাদের অসমের জনসাধারণ আইন মানে। প্রশাসন সবসময় জনসাধারণকে বাধা দেয়। আমি গতকাল আমাদের মুখ্যমন্ত্রীর সঙ্গে দেখা করেছি, বিস্তারিত তুলে ধরেছি। গতকাল আমাদের এ.ডি.জি.পি মুকেশ আগরওয়ালা স্যার হাইলাকান্দির ডিসি, এসপি সবাই স্পটে গিয়েছেন। আমি ডিজিপির সঙ্গেও দেখা করেছি । বিস্তারিত তথ্য তুলে ধরেছি। গতকাল আমি মিডিয়ার মাধ্যম্যে দেখতে পেলাম যে আমাদের ডিজিপি স্যার বলেছেন দুটা

ফৌজের মধ্যে ঝগড়া হয়েছে। এটি অসত্য। আমাদের অসমের মানুষ শান্তি প্রিয়। কোন কিছু করেনি। মিজোরামের দুস্কৃতিকারীরা ছাত্র ইউনিয়ন এম জেড পি, ওয়াই এম এ প্রশাসনকে সঙ্গে নিয়ে এই ২১ টি ঘর জ্বালিয়ে দিয়েছে। আমি আপনার মাধ্যমে বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করছি যে আমাদের এই মানুষগুলোর স্তুব্ধক্ষতিপূরণ দেওয়ার জন্য সেখানে একটি সি আর পি ক্যাম্প করতে হবে। নাহলে কোনো অবস্থায় এই জমি বাঁচিয়ে রাখা যাবেনা। মুখ্যমন্ত্রী কথা দিয়েছেন গতকাল ডিজিপি কেও বলেছেন এখানে সিআরপি দেওয়ার জন্য গতকাল এডিজিপি মুখেশ আগরওয়াল স্যার ও গিয়েছেন স্পট ভিজিট করতে। আমি আজ আপনার মাধ্যমে অনুরোধ রাখছি যে আমাদের অসমের জমি বাঁচিয়ে রাখতে গেলে সেখানে একটি ক্যাম্পের প্রয়োজন। উনি ঘোষনা করেছেন যে ক্যাম্প হবে কিন্তু বিল্ডিং নেই । বিল্ডিং এর জন্য যাতে আর্থিক অনুদান দেওয়া হয় সেটার জন্য আমি অনুরোধ রাখছি। আমরা সবাই জানি যে আমাদের বর্তমান সরকারের একটি শ্লোগান-- 'জাতি মাটি ভেটি।' তাই এই মাটিকে রক্ষা করা আমাদের একান্ত দরকার। আমার সমষ্টির দু-দিকে ১০ কিমি জায়গা দখল করে নিয়েছে। অসম মিজোরাম দুটি সরকার মিলে যদি একটি গোল টেবিল বৈঠক করে চিরতরে এই সমস্যার সমাধান হয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ, Please be brief.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ তাৰিখে কচুৰতলত মিজো দুষ্কৃতিকাৰীয়ে ২১ ঘৰ অসমীয়াৰ অসমৰ মানুহৰ ঘৰ-বাৰী জ্বলাই দিয়ে। যোৱা অক্টোবৰ মাহৰ পৰায়ে এনেকুৱা ধৰণৰ ঘটনা ঘটি আছে। আমাৰ মন্ত্ৰী মহোদয়ৰ সমষ্টি লাইলাপুৰতো এনেকুৱা ঘটনা হৈছে। মানুহ মাৰিছে, স্কুলঘৰ উৰুৱাই দিছে। এনেকুৱা ধৰণে লাইলাপুৰ, সুতাৰ পুৰীবন, মেদলীচড়া, কচুৰতল আদি ঠাইত ভয়ঙ্কৰ ঘটনা ঘটি গল। মই তেতিয়া - District Administrationক ফোন কৰোতে তেওঁলোকে নাজানো বুলি কলে, তেতিয়া Chief Secretaryক মই ঘটনা সম্পৰ্কে অৱগত কৰিলো। দেখা গৈছে যে চৰকাৰে ঘটনাটো যেনেদৰে গুৰুত্ব সহকাৰে ল'ব লাগিছিল তেনেদৰে লোৱা নাই আৰু আজিলৈকে কোনো এজন মন্ত্ৰীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰা নাই। অসম চৰকাৰে মিজোৰাম চৰকাৰৰ লগত কথা পাতিব লাগে, কেন্দ্ৰীয় চৰকাৰৰ লগত কথা পাতিব লাগে কিন্তু চৰকাৰে এনেকুৱা ধৰণৰ পৰিবেশ সৃষ্টি কৰা নাই যাৰ ফলত মিজোৰামে আমাৰ অসমৰ মাটিত ক্ৰমান্বয়ে আগ্ৰাসন কৰি গৈয়ে আছে। সেয়েহে মই বিচাৰিছো অসম চৰকাৰে এটা শক্তিশালী বেৰিকেড দিব লাগে লগতে ঘটনাটো গুৰুত্বসহকাৰে ল'ব লাগে নহ'লে জাতি মাটি ভেটি নাথাকিব, আমাৰ অসমৰ মানুহৰ ঘৰ-বাৰি জ্বলাই থাকিব, অসমৰ ৰাইজ মৰি থাকিব, স্কুলঘৰ উৰুৱাই থাকিব, মাটি লৈ থাকিব আৰু আমি কি মনে মনে বহি থাকিমঙ্গ Mizoram Youth Students Union ৰ জোৰত তেওঁলোকে আমাৰ ৫ কিঃ মিঃ মাটি লৈ লৈছে, মই নিজেই স্পটত গৈ চাই আহিছো। মিজোৰামেওঁ তাতপুলিচ Police Picket, অফিচ আদি বনাইছে আৰু অফিচত যিখন পতাকা লগাইছে সেইখনো আমাক জাতীয় পতাকা নহয় তেওঁলোকৰে কিবা পতাকা। ইয়াৰ পৰা বুজা যায় যে তেওঁলোকৰ আমাৰ ভাৰতবৰ্ষৰ প্ৰতি কোনো মায়া- মমতা বা শ্ৰদ্ধা-ভক্তি নাই। সেয়েহে এই ঘটনা বিলাক চৰকাৰে গুৰুত্বসহকাৰে ল'ব লাগে যাতে ভৱিষ্যতে আমাৰ অসমৰ মানুহৰ ঘৰ-বাৰী আৰু নজ্বলে , অসমৰ ৰাইজে যাতে নিৰাপদে জীয়াই থাকিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । Minister please, be brief in your reply.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই দুখজনক ঘটনাটোক গৰিহণা দিছো আৰু সময়ে সময়ে ঘটি থকা ঘটনা সমুহত আমাৰ চৰকাৰে তৰফৰ ফালৰ পৰাওঁ তাত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু সেইটো আমাৰ মাননীয় সদস্য সকলেও জানে। যিটো ঠাইত ঘটনাটো হ'ল তাত আমাৰ পি,এম,জি,এছ,ৱাইৰ কাম চলি আছিল আৰু কিছুদিন ধৰি কাম বিলাক বন্ধ হৈ থকাৰ পিছত পুনৰ যেতিয়া কাম আৰম্ভ কৰা হয় তেতিয়া তাত কাম কৰি থকা মানুহখিনিৰ ওপৰত যোৱা ০৯-০২-২০২১ তাৰিখে দিনৰ ১২ মান বজাত এই ঘটনাটো সংঘটিত হয়। মিজোৰামৰ ভৈৰৱী এলেকাৰ এজন লোক আৰু লগত ৩/৪ জন মিজোৰাম আই,আৰ বেটেলিয়ানৰ জোৱান ৰামনাথপুৰ থানাৰ অন্তৰ্গত জালনাচেৰা গাঁৱলৈ (থানাৰ পৰা প্ৰায় **১৬** কিঃমিঃ উত্তৰ-পূৱত অৱস্থিত) আহি উক্ত পথ নিৰ্মাণ কাৰ্যত বাধা প্ৰদান কৰি কয় যে উক্ত স্থান বিবাদমান এলেকাৰ অন্তৰ্গত। বিষয়টো লৈ ৰাস্তাৰ কামত নিয়োজিত বনুৱা আৰু স্থানীয় বাসিন্দাৰ লগত উক্ত ব্যক্তি জনৰ উত্তপ্ত বাক-বিতণ্ডা হয় আৰু হতাহতিও হয়। ইতিমধ্যে স্থানীয় মিজো লোক মিজোৰামৰ আৰক্ষীসহ উক্ত এলেকাত একগোট হয়। লগে লগে জালনাচেৰা গাঁৱৰ বাসিন্দা সকলো উক্ত স্থানৰ সমবেত হয়। সেই সময়ত I/C জামিৰা পি, পি তেওঁৰ সহকৰ্মীসহ ঘটনাস্থলী ত উপস্থিত হৈ দুয়ো পক্ষকে পৃথক কৰাৰ চেষ্টা চলায়। কিন্তু ইতিমধ্যে সন্ধিয়া প্ৰায় ৬ (ছয়) মান বজাত মিজোৰামৰ ফালৰ উত্তেজিত বে-আইনী জনতাই আন্ধাৰৰ সুযোগ লৈ অসমৰ সীমাত অৱস্থিত কিছু সংখ্যক ঘৰত অগ্নিসংযোগ কৰিবলৈ আৰম্ভ কৰে তেতিয়া I/C জমিৰা পি, পি য়ে তেওঁৰ চৰকাৰী আগ্নেয়াস্ত্ৰৰে শূন্যলৈ ৩ ৰাওণ্ড গুলী ফুটায়, ফলত মিজো দুষ্কৃতিকাৰী বোৰ উক্ত এলেকাৰ পৰা আঁতৰি যায় আৰু পলাই যাওঁতে সিহঁতে অসমৰ সীমাৰ ভিতৰৰ পাহাৰৰ পাদদেশত অৱস্থিত প্ৰায় ২৭ টা ঘৰত অগ্নিসংযোগ কৰে। ইয়াৰ ফলত মুঠ ২০ টা পৰিয়াল ক্ষতিগ্ৰস্ত হয়। মিজো দুৰ্বৃত্তৰ আক্ৰমণত ৩ জন স্থানীয় লোকো আঘাত প্ৰাপ্ত হয়। ইতিমধ্যে হাইলাকান্দি জিলাৰ আৰক্ষী অধীক্ষক ঘটনাস্থলীত উপস্থিত হয় আৰু জিলা খনৰ বিভিন্ন অঞ্চলৰ পৰা অহা আৰক্ষী বাহিনীৰ সহযোগত পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। তাৰ পাছত তেওঁলোকে দুৰ্বৃত্তই অগ্নিসংযোগ কৰা ঘৰবোৰত তালাচী চলাই যদিও কোনো লোক আৱদ্ধ হৈ থকা বা জখমী অৱস্থাত পোৱা নগল। ওপৰত উল্লেখ কৰা জখমী তিনিজনক হাইলাকান্দি অসামৰিক চিকিৎসালয়ত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয় আৰু পিছত উন্নত চিকিৎসাৰ বাবে শিলচৰ মেডিকেল কলেজলৈ পঠোৱা হয়। উক্ত জখমী ব্যক্তি সকলক চিকিৎসা প্ৰদানৰ পাছত চিকিৎলয়ৰ পৰা যাবলৈ দিয়া হয়। জখমী সকলৰ নাম হ'ল - **১**) আনামুদ্দিন (৪৫) বছৰ

২) আকিল আলী (৫৫)

৩) কবিৰ হুছেইন লহকৰ (৩২)

আন এক ঘটনাত উপৰোক্ত ঘটনাস্থলীৰ পৰা প্ৰায় ৮ কিঃ মিঃ নিলগত ৰামনাথপুৰ থানাৰ অন্তৰ্গত ঘৰমূৰা গাওঁত অৱস্থিত **"প্ৰেছ বিটাৰিয়ান"** নামৰ এখন মিছনাৰী স্কুলত প্ৰায় ২০/২৫ জনমান দুষ্কৃতিকাৰীয়ে ৰাতি **৯** মান বজাত আক্ৰমণ কৰে। ফলত প্ৰধান শিক্ষকৰ লগতে তেওঁৰ স্ত্ৰী আৰু কন্যা আঘাতপ্ৰাপ্ত হয়। দুষ্কৃতিকাৰী সকলে প্ৰধান শিক্ষক এইচ, বানলাল ডিকা (৪৭ বছৰ)ৰ এলটো গাড়ীখন জ্বলাই দিয়ে আৰু তেওৰঁ বাসগৃহত অগ্নিসংযোগ কৰে যদিও ঘৰটো বিশেষ ক্ষতিগ্ৰস্ত নহল। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষী উপস্থিত হয় আৰু পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। প্ৰধান শিক্ষকজন পৰিয়াল সহ চিকিৎসাৰ বাবে কলাচিবলৈ ৰাওনা হয়।

ইতিমধ্যে ঘটনাস্থলীৰ এলেকাসমূহত যথেষ্টসংখ্যক আৰক্ষীবাহিনী মোতায়েন

কৰা হৈছে আৰু জ্যেষ্ঠ আৰক্ষী বিষয়াৰ তত্বাৱধানত সীমান্তৱৰ্তী অঞ্চলত চোকা পহৰাৰ ব্যৱস্থা কৰা হৈছে। পৰৱৰ্তী দিনা অৰ্থাৎ ইংৰাজী ১০-০২-২০২১ তাৰিখে দক্ষিণ মণ্ডলৰ আৰক্ষী উপ মহাপৰিদৰ্শক, হাইলাকান্দি জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক প্ৰমুখ্যে অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াৰ এটা দলে ঘটনাস্থলী পৰিদৰ্শন কৰে। তেওঁলোকে অঞ্চলটোৰ পৰিস্থিতিৰ বুজ লয় আৰু আক্ৰান্ত অঞ্চলত নিৰাপত্তা ব্যৱস্থা সুদৃঢ় কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। মিজোৰাম চৰকাৰৰ ‘কলাচিব’ জিলাৰ আৰক্ষী অধীক্ষক, মহকুমা বিষয়া প্ৰমূখ্যে এটা দলো তাত উপস্থিত হয় আৰু দুয়ো ৰাজ্যৰ বিষয়া সকলে উক্ত অঞ্চলত শান্তি-শৃঙ্খলা ৰক্ষাৰ বাবে আৰু ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাৱলী নিৰ্ধাৰণ কৰে। অসম চৰকাৰৰ বিষয়া সকলে উক্ত অঞ্চলত গোট খোৱা বিশেষকৈ জালনাচেৰা, গোলাচেৰা, কচুৰথল আদি এলেকাৰ স্থানীয় লোক আৰু নেতৃস্থানীয় ব্যক্তিৰ লগত মত বিনিময় কৰি নিৰা পত্তাৰ আশ্বাস প্ৰদান কৰে।

ওপৰোক্ত ঘটনা সন্দৰ্ভত ৰামনাথপুৰ থানাত গোচৰ নং- 24/2001u/s120 (/ B)/147/148/149/307/323/326/354/395/436/448/449/IPC আৰু গোচৰ নং- 25/2021 u/s 147/148/149/325/427/436/448 IPC পঞ্জীয়নভুক্ত হৈছে আৰু উক্ত দুয়োটা গোচৰৰ তদন্ত চলি আছে।

এই প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত জ্যেষ্ঠ আৰক্ষী বিষয়াৰ তত্বাৱধানত ঘটনা সংঘটিত অঞ্চলত এক প্লেটুন চি,আৰ,পি,এফ, এক প্লেটুন সশস্ত্ৰ আৰক্ষী(ৰাজ্যৰ) আৰু জিলা কাৰ্যবাহী আৰক্ষী বাহিনী মোতায়েন কৰা হৈছে। **‘প্ৰেছ বিটাৰিয়ান’** মিছনাৰী স্কুলটো আৰক্ষীৰ এটা দল মোতায়েন কৰা হৈছে। ইয়াৰ উপৰিও এছ,এছ,বিৰ অতিৰিক্ত এক কোম্পানী অহা ২৪ ঘন্টাৰ ভিতৰত অঞ্চলটোত মোতায়েন কৰা হ’ব।

পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰু শান্তি-শৃঙ্খলা বজাই ৰাখিবৰ বাবে হাইলাকান্দি জিলা প্ৰশাসনে মিজোৰামৰ ‘কলাচিব’ জিলা প্ৰশাসনৰ লগত অহৰহ যোগাযোগ অব্যাহত ৰাখিছে।

ইতিমধ্যে অসম আৰক্ষী সীমান্ত সংগঠনৰ বিশেষ আৰক্ষী সঞ্চালক প্ৰধানে হাইলাকান্দিত বাহৰ পাতি পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আইন-শৃঙ্খলা আৰু নিৰাপত্তা ব্যৱস্থাৰ তদাৰক কৰি আছে।

অধ্যক্ষ মহোদয় তাত এতিয়া পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন। আমাৰ মাননীয় সদস্য সকলে যি জাতি-মাটি-ভেটিৰ কথা কৈছে, আমাৰ মাটি দিয়াক কোনো প্ৰশ্নই নাহে। আমাৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে যি এক ভাৰত, শ্ৰেষ্ঠ ভাৰতৰ কথা কৈছে, গতিকে আমি অসমে কেতিয়াও Con-frontation নিবিচাৰো, আমি তেওঁলোকৰ পৰা বিচাৰো Co-operation, Co-ordination আৰু Co-existance।

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপুনি বহক, আপোনাৰ পৰা মই পৰামৰ্শটো লৈছো, it is not a matter 0f Debate. মই সদনৰ Concern টো কব বিচাৰিছো, মই এনেকৈ ভাৰিছো - **May I say on behalf of the House that the entire House is deeply concerned on the issue and hope that Government will continue its initiatives which they have already taken and to strongly deal with this sensitive issue.**

(সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হয়) You will get enough time to raise this issue at evening but not now. এতিয়া মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে ২০২১-২২ বৰ্ষৰ লেখানুদান বাজেট উত্থাপন কৰিব। (সদনত বাজেট বিতৰণ কৰা হয়)

**माननीय अध्यक्ष** ঃ ধন্যবাদ। অহা কালি এই বাজেট ভাষণৰ ওপৰত আলোচনা হ'ব **৯.৩০** বজাৰ পৰা।

মাননীয় সদস্য শ্বেৰমান আলি ডাঙৰীয়াই point of order ত অলপ কিবা ক'ব বিচাৰিছে।

**শ্ৰী শ্বেৰমান আলি (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Unstarred question no. 7। **২০১৫** চনত Social Welfare ৰ এগৰাকী বিষয়াই দুখীয়া, বিধৱা মানুহৰ **৩** কোটি টকা আত্মসাৎ কৰি লৈ গ'ল।তাৰ পিছৰ পৰা বোধহয় সদনত একেৰাহে দহবাৰ মান প্ৰশ্ন উত্থাপন কৰিছিলো। কেছতো CID ক দিয়া হ'ল বুলি কৈছিল। কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল যে পাঁচ বছৰ এগৰাকী বিষয়াই গৰীৱ, দুখীয়া, বিধৱা মানুহৰ **৩** কোটি টকা আত্মসাৎ কৰি লৈ গ'ল কিন্তু আজিলৈকে তেখেতৰ departmental proceeding ৰ ওপৰত উত্তৰ দিছে যে show cause ৰ উত্তৰ নাই because delinquent officer is not available.

**মাননীয় অধ্যক্ষ** ঃ এই বিষয়তো অতি গুৰুত্বপূৰ্ণ, আপুনি এই বিষয়টোৰ ওপৰত মোৰ কোঠাত আহি আলোচনা কৰিব। I will take up the matter.

মই এটা ঘোষণা কৰিব খুজিছো যে, এতিয়া মই সকলো মাননীয় সদস্য, সদস্যাক অনুৰোধ কৰিব বিচাৰিছো যে, আজি বাজেট ভাষণ সমাপ্ত হোৱাৰ পিছত আপোনালোক সকলোকে অসম বিধান সভাৰ নতুন ভৱনটিলৈ এবাৰ যাবৰ বাবে অনুৰোধ জনালো কালিৰ সিদ্ধান্ত মৰ্মে। এই ভৱনটোত সদনখনৰ নিৰ্মাণকাৰ্য্য চোৱা বাবে আপোনালোকক নিমন্ত্ৰণ কৰিছো। তাতেই একাপ চাহৰ ব্যৱস্থা কৰিছো। আশাকৰো সকলোৱে সেই ভৱনতো চাবলৈ যাব।

এতিয়া মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া আপুনি কওক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাষা গৌৰৱ আঁচনিৰ ওপৰত প্ৰথম প্ৰশ্ন যিটো আছিল **২০১৯-২০** বাজেটত **৭৫** কোটি টকা ধৰা হৈছে। **২০২০-২০২১** ত ৪৪ কোটি টকা ধৰা হৈছে। **২১** টা সংগঠনক ধৰা হ'ল। অথচ বঙালী সংগঠনক **১** টকাও দিয়া হোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যাতে সাম্প্ৰদায়িক কথা record ত নাযায়, সেইটো কাৰণে কৈছো যেতিয়া ভাষা গৌৰৱ আঁচনি দিয়া হ'ল তেতিয়া মই কৈছিলো যে সন্মানীয় বঙালী ভাষী সকলৰ পৰা আমালৈ কোনো আবেদন অহা নাই। আপোনালোকে আবেদন দিয়ক যাতে আমি পুঁজিটো মুকলি কৰিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ Thank You. The House is adjourned till 2 P.M.

(মাননীয় অধ্যক্ষ মহোদয়ে দিনৰ ২ বাজি ১০ মিনিটৰ পৰা সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰে)।

**শ্ৰী বিমল বৰা (টিংখং)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি আপুনি আমাক সকলো সদস্য-সদস্যাক নতুন বিধান সভা সচিবালয় দেখুৱাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। খুব সুন্দৰকৈ আপোনাৰ নেতৃত্বত সেই সচিবালয়ৰ ভৱন নিৰ্মাণ হৈ আছে। অহা কালিলৈ যিহেতু এই বিধান সভাৰ কাৰ্য্যকাল অন্ত পৰিব। গতিকে মই বিজেপি দলৰ হৈ অনুৰোধ জনাইছো যে অহা কালিলৈ আমি তাতে বহিব পৰাৰ সিদ্ধান্ত এটা ল'ব পাৰে নেকি? আপোনাৰ বিবেচনাৰ কাৰণে উত্থাপন কৰিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ- মাননীয় অধ্যক্ষমহোদয়, আপোনাক ধন্যবাদ

জনাইছো। আমাৰ দলৰ ফালৰ পৰাও আমি সাজু আছো। আপুনি এইটো ধুনীয়াকৈ বনাইছে আমি সকলোৰে চাইছো।

**মাননীয় অধ্যক্ষ ঃ-** কিছু Obstacles থাকিব পাৰে, সেই Obstacles খিনি আপোনালোকে সহ্য কৰিব লাগিব।

**শ্ৰী বিমল বৰা (টিংখং) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি পৰিদৰ্শন কৰি থাকোতে আমাৰ মাননীয় মন্ত্ৰীয়ে কৈছে,যে প্ৰথম প্ৰৱেশ নে শেষ প্ৰস্থান।

মাননীয় অধ্যক্ষ ঃ- উপায় নাই। ওপৰৰ জনে যাক যি লিখিছে তেনেকৈয়ে হ'ব। আমাৰ সকলোৰে নিজৰ প্ৰচেষ্টা থাকিব লাগিব আৰু তেওঁ কৃপা কৰিলেহে আমি পাৰ হ'ব পাৰো। ধন্যবাদ, আমি তেতিয়াহ'লে কাইলৈ ৯-৩০ বজাত আমি তালৈ যাম। মই মন্ত্ৰী সকলকো অনুৰোধ কৰিম। যদি Obstacles থাকে, অলপ কষ্ট হলেও সহ্য কৰিব । আমি Trial এটা দিব পাৰো, হাউচটোৰ কিবা যদি defect থাকে, যেতিয়া formally inaugurate হ'ব সেই সময়ত defect খিনি গুচাই দিব পাৰিম। আমাৰ অভিজ্ঞতাৰ ভিত্তিত আমি হাউচটো কৰি যিখিনি অসুবিধা পাম, সেই অসুবিধাখিনি আপোনালোকে যদি আমাক কয়, আমি তেতিয়া সচিবক কম, যে এইখিনি গুচাই দি কামখিনি আৰু অলপ ভালকৈ কৰক। ধন্যবাদ। এতিয়া আমাৰ আলোচনা হ'ব দেবানন্দ হাজৰিকা, আপুনি আৰম্ভ কৰিব কাৰন ধন্যবাদ সূচক প্ৰস্তাবটো আপুনি প্ৰথমতে দিছিল। মই সকলো দলৰে কাগজ পাইছো। মই যিমান পাৰো দিবলৈ যত্ন কৰিম।

**শ্ৰী দেবানন্দ হাজৰিকা (বিহপুৰীয়া)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপাল, অধ্যাপক জগদীশ মুখী ডাঙৰীয়াই কালি সদনত দিয়া ভাষণৰ ওপৰত আমি ধন্যবাদসূচক প্ৰস্তাৱ আনিছো। তাৰ পৰিপ্ৰেক্ষিতত আজি কিছু কথা ক'বলৈ ওলাইছো। অধ্যক্ষ মহোদয়, ইতিমধ্যে বিৰোধীয়ে সংযোজনৰ কাৰণে কিছু কথা কৈছে। এই কথাখিনিৰ ভিতৰত তেওঁ কৈছে দূৰ্নীতি গড় হত্যা পূৰ্বৰ তুলনাত বৃদ্ধি পাইছে, আৰু অসমৰ বিত্তীয় অৱস্থা শোচনীয় হৈছে। প্ৰথমে মই অনুৰোধ জনাম, সেই আটাইকেইটা সঁচা অৰ্থত সত্য নহয়। সত্যৰ ওপৰত প্ৰতিস্থিত নহয়। অসমৰ ৰাইজে জানে যে এই চৰকাৰখনৰ দিনত কেইটা গড় হত্যা হৈছে, আৰু ইয়াৰ আগতে কিমান গড় হত্যা হৈছিল? গতিকে এই প্ৰস্তাবটো যদি আমি ৰাইজৰ মাজলৈ পঠিয়াই দিওঁ তেতিয়াহ'লে গোটেই অসমৰ ৰাইজে হাঁহিব বুলি মই ভাবিছো। আৰু প্ৰথমতে মই এই প্ৰস্তাৱটো উইদ্ৰ কৰিবৰ কাৰণে মোৰ ফালৰ পৰা মই অনুৰোধ জনাম। সন্মানীয় অধ্যক্ষ মহোদয়, মই এই চৰকাৰৰ গুণ-গান গাবলৈ যাওঁতে বা ৰাজ্যপাল ডাঙৰীয়াই যিখিনি কথা ইয়াত সন্নিবিষ্ট কৰিছে, এটা শব্দও অসত্যৰ ফালে নহয়, সম্পূৰ্ণ সত্যৰ ওপৰত প্ৰতিস্থিত এই ভাষণ। ইয়াত আচলতে আৰু সংযোজন কৰিব লাগিছিল। হয়তো সময়ৰ অভাৱ বা যিয়ে নহওঁক, আমাৰ চৰকাৰে কৰা কাম বিলাক সকলোৰে আদৰি লৈছে। সকলোৰে অন্তৰত এই ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বাধীন চৰকাৰখনক বুকুত সাৱতি লৈছে। আৰু ইয়াৰ পৰিনাম আগন্তুক দিন বিলাকত ৰাইজে পাব। মই প্ৰথমতে প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ জন-ধন আঁচনি খনৰ কথাৰ পৰা আৰম্ভ কৰিব খুজিছো। জন-ধন আঁচনিখন যেতিয়া প্ৰধান মন্ত্ৰী ডাঙৰীয়াই প্ৰথমতে কাৰ্য্যকাল লৈ ২০১৬ চনত আৰম্ভ কৰিছিল। তেতিয়া এই জন-ধন আঁচনিখনৰ বহুত বেছি সমাদৰ আমাৰ অসমত নাছিল। কিন্তু আমাৰ চৰকাৰখন অহাৰ পাছত ইয়াত বহুলাখ মানুহে বেংকত একাউন্ট খুলিলে। আৰু ইয়াৰ পিছত এটা ডাঙৰ মিশ্বন আছিল, যিটো মিশ্বন আজি মানুহে বুজি পাইছে, কিয় বেংকত একাউন্ট খুলিবলৈ কৈছিল। বেংকত একাউন্ট খোলা মানে মই এটা কথা কওঁ অসমৰ গাৱে ভুঞে থকা নপঢ়া নুশুনা মানুহকো এই চৰকাৰখনৰ দ্বাৰা বা মোডী ডাঙৰীয়াৰ

চৰকাৰখনৰ দ্বাৰা বেংকিংটো শিকালে, বেংকৰ লগত পৰিচয় কৰালে। কেৱল বেংকৰ লগত পৰিচয় কৰোৱাই নহয়, অধ্যক্ষ ডাঙৰীয়া যেতিয়া আগৰ চৰকাৰৰ দিনত যি কোনো আঁচনিত মধ্যভোগী আছিল, আৰু এই আঁচনিখনৰ জৰিয়তে যেতিয়া বেংক একাউন্ট হ'ল, তেতিয়া আমাৰ যি সকল হিতাধিকাৰী তেওঁলোকৰ পইচাকেইটা directly তেওঁলোকৰ একাউন্টক সোমুৱাবলৈ সুবিধা হ'ল। তাৰ কাৰণে কোনো মধ্যভোগী নোহোৱাকৈ তেওঁলোকে সেই পইচাকেইটা সন্মানজনক ভাবে ব্যৱহাৰ কৰি নিজৰ কাম-কাজত লগাব পাৰিছে, আৰু এই আঁচনিৰ যোগেদি তেওঁলোকে সঞ্চয় কি বস্তু গাৱৰ মানুহে শিকিব পাৰিলে। আমি জানো বহু দিনৰ আগতে যেতিয়া গাৱৰ মানুহে ধানকেইটা বেচে সেই ধান বেচা টকা কেইটা গাৰুৰ তলত ভৰাই থয়। কেতিয়াবা বাকচত ভৰাই থয় আৰু কোনোৱাই চালতো খুচি থোৱা বুলি আমি শুনো যিবোৰ পইচা কেতিয়াবা উইয়ে খায়, যিকোনো সময়ত নষ্ট হৈ যায়। কিন্তু এই বেংকিংৰ দ্বাৰা চেভিংচ, যিটো আমাৰ ৰাইজক শিকালে, এইটো এটা ডাঙৰ পৰিবৰ্ত্তন বুলি মই অভিহিত কৰিব পাৰো। যিটোৰ দ্বাৰা আজি যদি কোনোবাই ১০০ টকা এটাও চৰকাৰৰ পৰা পাবলগীয়া হৈছে, সেই ১০০ টকাৰ মাজত কোনো মধ্যভোগী নাই। যিকোনো আঁচনি আগতে মধ্যভোগী আছিল। আমি বহুতো উদাহৰণ আজি দিব পাৰো, সেই উদাহৰণ বিলাক দিলে সকলোৱে গম পাব, আৰু ৰাইজে জানে যে এই মধ্যভোগীয়ে মানুহৰ ওপৰত কি অত্যাচাৰ চলাইছিল। আন নালাগে ইন্দিৰা আৱাস যোজনাৰ ঘৰৰ পইচাৰ পৰাও তেওঁলোকে চান কাঢ়িছিল। ধৰ্মীয় অনুষ্ঠানত দিয়া পইচাৰ পৰাও তেওঁলোকে চান কাঢ়িছিল। এনেকুৱা ধৰণৰ মধ্যভোগী বিলাক জন্ম হৈ আমাৰ অসমখনত বেয়া পৰিবেশৰ সৃষ্টি কৰিছিল। সেই ধন-জন আঁচনিৰ যোগেদি আমাৰ direct যেতিয়া একাউন্টত পইচা সোমোৱা হ'ল, আমি সেই দুৰ্নীতিৰ পৰা আমাৰ অসমখনক মুক্ত কৰিবলৈ সক্ষম হলো। এই চৰকাৰখনৰ এইটো এটা ডাঙৰ উপলব্ধি বুলি মই ভাবিছো। মই PMAY ৰ ঘৰৰ কথা ক'ব গৈছো, প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা। যোৱা বছৰ কেৱল মোৰ সমষ্টিত ১২৮৮৮ টা ঘৰ পাইছে। কোনো মধ্যভোগী নাই আৰু আগৰ ইন্দিৰা আৱাস যোজনাৰ ঘৰ যদি আপোনালোকে গাৱে ভূঞে বিচাৰি ফুৰে, দেখা নাপায়। সেইবোৰ যহিখহি গ'ল। ক'ৰবাত বনালে ক'ৰবাত আধা, ক'ৰবাত Ancient monument ৰ নিচিনাকৈ ক'ৰবাত থাকি গ'ল। বহু গাৱত দেখিছো ভগ্নাৱশেষ বিলাক। এই কি আছিল, বোলে এইটো ইন্দিৰা আৱাস যোজনাৰ ঘৰ। আধা বনাই এৰি থৈ গুছি গ'ল। কিন্তু মানুহে ভালকৈ ঘৰ এটাত থাকিবলৈ নাপালে। যি কেইটা পইচা দিছিলে, তাৰ হয়তো আধা খৰচ কৰিছিল, আধা মধ্যভোগীয়ে লৈ গ'ল। আজি ডেৰ লাখ টকাৰ যি ঘৰ গাৱে ভুঞে আপোনালোকে দেখা পাব আৰু দেখিলেই চিনি পাব যে এইটো প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাৰ ঘৰ। আমি বহুতো ঘৰত গৈছো, আমাক মাতি নিছে, কেতিয়াবা তাত ফিটা কাটিবৰ কাৰণে বা উদ্বোধন কৰিবৰ কাৰণে। আমাৰ মন ভৰি যায়। উৰুখা পঁজাত থকা মানুহজনে যি এখন টিন পাত কিনিব নোৱাৰে, দিন হাজিৰা কৰা মানুহজনে যেতিয়া PMAY ৰ ঘৰটো পায়, মানুহৰ মুখত হাঁহি বিৰিঙে। সেই ঘৰটো যেতিয়া ৰং দি সুন্দৰ কৰি পেলায়, তাঁলৈ আমাক মাতে আৰু ৰাইজে তেতিয়া চায় যে সঁচাকৈয়ে পৰিবৰ্ত্তন হৈছে। এইটো এটা ডাঙৰ পৰিবৰ্ত্তন। আজি ৰাইজৰ মুখত হাঁহি বিৰিঙিছে PMAY ৰ ঘৰৰ কাৰণে। এই আঁচনিখন প্ৰধান মন্ত্ৰী আৱাস যোজনা, ২০২২ চনৰ ভিতৰত এটা পৰিকল্পনা লোৱা হৈছে যে ভাৰতবৰ্ষত যিমান বিলাক তেনেকুৱা হিতাধিকাৰী আছে, ঘৰ পাবলগীয়া তেওঁএলাকে ঘৰ পাব। বহুতে কয়, মই ঘৰ পোৱা নাই। আগতে এনেকুৱাও কৰা হৈছিল যে একেবাৰে তলত থকা নামটো ওপৰলৈ লৈ আহি দুখীয়া মানুহক এৰি চহকী মানুহক দিছিল। এনেকুৱাও আছিল, আগফালে পকীঘৰ পাচফালে খেৰি ঘৰ এটাৰ ফটো

মাৰি পেলাইও ইন্দিৰা আৱাস যোজনাৰ ঘৰ পাইছিল। এতিয়া জিঅ'টেগিং কৰা হৈছে। এই জিঅ'টেগিঙৰ জৰিয়তে আচল মানুহে ঘৰ পোৱাৰ ব্যৱস্থা কৰা হৈছে। যি নাপাবলগীয়া মানুহে পাবলৈ লৈছে, তেওঁলোকৰ ওপৰতো বিহীত ব্যৱস্থা এই চৰকাৰখনে লৈছে। এইখনে চৰকাৰ যিখন চৰকাৰে স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ কাৰণে ভূমিহীনক পট্টা দিবলৈ সক্ষম হ'ল। যোৱা চাৰে চাৰি বছৰ সময়ত এইখন চৰকাৰে তিনি লাখ পয়ত্ৰিশ হাজাৰ মানুহক মাটিৰ পট্টা দিবলৈ সক্ষম হ'ল আৰু যোৱা বছৰতে দুই লাখ মানুহক পট্টা দিবলৈ সক্ষম হ'ল। মোৰ সমষ্টিতে দুবাৰতে প্ৰায় পাঁচ হাজাৰ মানুহে পট্টা পাইছে। এইটো এটা অভিলেখ সৃষ্টি কৰিলে এইখন চৰকাৰে। গতিকে এইখন চৰকাৰক ধন্যবাদ নিদি আৰু কাক দিম? মাননীয় অধ্যক্ষ মহোদয় ভূমিহীনক পট্টা দিয়াৰ পাছত তেওঁলোকে আজি নিজৰ মাটিডোখৰৰ ওপৰত ঠিয় হ'বলৈ পাই ভাৰতৰ এজন ভাৰতীয় নাগৰিক হিচাপে বুকু ফিন্দাই ক'ব পৰা এটা সাহস হ'ল। নিজৰ মাটিদোখৰ নথকাৰ কাৰণে তেওঁলোকে নানা ধৰণৰ স্কীমৰ পৰা বঞ্চিত হৈছিল। আজি সেই লোক সকলৰ মুখত হাঁহি বিৰিঙিছে। গতিকে এই হাঁহি বিৰিঙওৱাৰ চৰকাৰখন হ'ল ভাৰতীয় জনতা পাৰ্টিৰ সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ, মিত্ৰজোঁটৰ চৰকাৰ। অধ্যক্ষ মহোদয় পৰিবেশ নিকা আৰু সেউজকৰণৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে আঠ কোটিৰো অধিক গছ ৰুই এক অভিলেখ সৃষ্টি কৰিছে। আমাৰ চাৰিওফালে বনাঞ্চল ধ্বংস হোৱাৰ কাৰণে যি গ্ল'বেল ও'ৱাৰমিং হৈছে, তাৰ বিপৰীতে পৰিবেশ নিকা কৰাৰ ক্ষেত্ৰত এই চৰকাৰখনে যি প্ৰচেষ্টা চলায় আঠকোটিৰো অধিক গছ পুলি ৰুলে, ই সঁচাকৈয়ে চৰাহনীয়। কৃষি উৎপাদনৰ ক্ষেত্ৰত এইখন চৰকাৰে নানান পদক্ষেপ গ্ৰহণ কৰিলে। পোন প্ৰথমে কৃষক সকলৰ সঁজুলি কিনিবলৈ এইখন চৰকাৰে পাঁচ হাজাৰকৈ টকা প্ৰত্যক্ষভাবে তেওঁলোকৰ একাউন্টত সুমুৱাই দিছিল। যাৰ দ্বাৰা কৃষক সকলে নিজৰ সা-সঁজুলি কিনি নিজৰ মাটিডোখৰত সুন্দৰকৈ খেতি কৰিব পৰা হ'ল। তাৰ পাছত আকৌ প্ৰধান মন্ত্ৰীৰ কৃষক সন্মাননিধিৰ অধীনত দুই হাজাৰ টকাকৈ পোন পটীয়াকৈ কৃষকৰ একাউন্টত তিনিবাৰকৈ ছয় হাজাৰ টকা কৃষকৰ একাউন্টত দিলে। তাৰ পৰিপ্ৰেক্ষিতত তেখেত সকলে আজি সুন্দৰকৈ খেতি বাতি কৰিবৰ কাৰণে কাৰো ওচৰত হাত নপতাকৈ থাকিব পৰা হ'ল। ঠিক এনেধৰণৰ পৰিপ্ৰেক্ষিতত কৃষক সকলৰ উন্নয়ণৰ কাৰণে যি প্ৰচেষ্টা চলোৱা হৈছে, তাত আমাৰ মুখ্য মন্ত্ৰীয়ে সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ কথাওঁ ক'ব লাগিব। তাৰ পৰিপ্ৰেক্ষিতত আমাৰ চৰকাৰখনে প্ৰায় চাৰি হাজাৰতকৈ অধিক ট্ৰেক্টৰ, পাৱাৰটিলাৰ কৃষকৰ মাজত বিলাই দিলে। এই ট্ৰেক্টৰ, পাৱাৰটিলাৰ যোগেদি খেতি কৰি আজি খুব সোনকালে এখন পথাৰত দুটাকৈ ফচল পাবৰ কাৰণে সক্ষম হৈছে। আৰু তেওঁলোক আৰ্থিকভাবে টনকীয়াল হৈছে।

**মাননীয় অধ্যক্ষ ঃ**- হাজৰিকা ডাঙৰীয়া স্পীকাৰৰ সংখ্যা বহুত আজি। গতিকে পাৰিলে আপুনি অলপ চমু কৰক। আমি ১০ মিণিট সময় আপোনাৰ কাৰণে ৰাখিছিলো আৰু ২ মিণিট লওঁক। You must have opportunity to speak.

**শ্ৰীদেৱানন্দ হাজৰিকা (বিহপুৰীয়া) ঃ**- মাত্ৰ ২ মিনিট আছে, বহুত কথা ক'বলৈ আছিল, মাত্ৰ আৰম্ভণিহে কৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ**- নহয়, আমাৰ কালি এটা সিদ্ধান্ত লোৱা হৈছিল যে সকলোকে ক'বলৈ আমি সময় দিম। সেই কাৰণে আপুনি অলপ চমু কৰিলে ভাল হ'ব। বাকীখিনিয়েও ক'বলৈ সুযোগ পাব। স্পীকাৰৰ সংখ্যা কম হলে, মই আপোনাক আৰু ১০ মিনিট সময় দিব পাৰিলোহেঁতেন।

**শ্ৰীদেৱানন্দ হাজৰিকা (বিহপুৰীয়া)ঃ**- কেইটামান মাত্ৰ পইন্ট মই উল্লেখ কৰি দিম। কাৰণ

গোটেইখিনি ক'বলৈ এতিয়া সময় নহয়। অধ্যক্ষ মহোদয় বিজুলী যোগান ধৰাৰ ক্ষেত্ৰত আপোনাৰ জৰিয়তে মই এই সদনৰ সকলোৰে সাক্ষাৎত এটা কথা ক'ব বিচাৰিছো। মোৰ সমষ্টিতে নহয় বহুত সমষ্টিত নদীৰ সিপাৰৰ চৰ অঞ্চলত কেতিয়াও বিজুলীবাতি নাছিল। মোৰ সমষ্টিত নদীৰ সিপাৰে প্ৰায় ১৭ খন গাওঁ আছে য'ত কেতিয়াও বিজুলী দেখাপোৱা নাছিল। আজি যাওঁক তা৲ৈ প্ৰতি ঘৰতে বিজুলী জকমকাই থাকে। দেখিলে এনেকুৱা লাগে যেন, আমাৰ চৰকাৰখনে ইমান এটা ভাল কাম কৰিছে। মাজুলীৰ পৰা কানেকশ্যন আনি তাত ট্ৰেন্সফৰমাৰ লগাই দিয়া হ'ল। যিটো কথা আগতে কেতিয়াও চিন্তা কৰা হোৱা নাছিল। য'ত ট্ৰেন্সফৰমাৰ লগাব নোৱাৰি, লাইন টানিব নোৱাৰি তাত আমি সৌৰচালিত বিজুলীবাতি জ্বলাবলৈ সক্ষম হৈছো। এটা ঘৰো নাপাই য'ত বিজুলী নাই, এইটো এটা ডাঙৰ উন্নয়ন। শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে যি অভুতপূৰ্ব সাফল্য লাভ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ কাৰণে সকলো প্ৰকাৰৰ সুবিধা দিয়া হৈছে। ফিজ মাফ কৰি দিছে, কলেজত এডমিশ্বন লওঁতে পইচা দিব নালাগে। কিতাপ কিনিবৰ কাৰণে পইচা দিছে। হোষ্টেল চাবচিডি দিছে, তাৰোপৰি কোনোবা যদি ছাত্ৰ-ছাত্ৰী বেংকৰ পৰা লোণ লৈছিল, সেই লোণৰো ৫০ হাজাৰ টকা মাফ কৰি দিবৰ কাৰণে চৰকাৰে পদক্ষেপ লৈ ইতিমধ্যে সেইখিনি কাম সম্পূৰ্ণ কৰিছে। আগতে যেনেকৈ কোনোৱা ল'ৰা-ছোৱালীয়ে ভালকৈ পঢ়া-শুনা কৰিছে, কিন্তু মেট্ৰিক পাছ কৰাৰ পাছত বা হায়াৰছেকেণ্ডাৰী পাছ কৰাৰ পাছত তেওঁলোকে হয়তো কলেজত যাবলৈ সুবিধা নাই। তেতিয়া পইচা-পাতিৰ অভাৱত ঘৰতে বহি থাকে। কিন্তু আজি কোনো ল'ৰা-ছোৱালীয়ে ঘৰত বহি থাকিবলগীয়া হোৱা নাই। কাৰণ চৰকাৰী সাহায্যত তেওঁলোকে সুন্দৰ ভাবে পঢ়িব পাৰিছে। ঘৰৰ কাষতে শিক্ষানুষ্ঠানবোৰ পাতি দিছে। গুণোৎসৱৰ দ্বাৰা আমাৰ স্কুল বিলাকত continuous comprehensive evaluation কৰি তাত কিকি দৰকাৰ হয় সেইখিনি চৰকাৰে যোগান ধৰি সকলোবিলাক শিক্ষানুষ্ঠানক সুন্দৰ কৰিছে। যোৱা বছৰ আমাৰ সমষ্টিত মেট্ৰিকত ১০ শতাংশ ৰিজাল্ট আগতকৈ বাঢ়িছে। এইটো এটা শুভ লক্ষণ। যিটো শুভ লক্ষণ আমাৰ চৰকাৰৰ এই আঁচনি সমুহৰ জৰিয়তে আমি বঢ়াব পাৰিছো। আমাৰ চৰকাৰৰ দিনত এটা অতি বৃহৎ আঁচনি ললে যেনেকৈ নামঘৰ ইত্যাদিত পইচা-পাতি দিয়া। ধৰ্মীয় অনুষ্ঠান বিলাকত সত্ৰ, মঠ মন্দিৰ, নামঘৰ এই বিলাকত পইচা-পাতি দি সেই সুন্দৰ অনুষ্ঠান বিলাক আজিৰ পৰা ৫০ বছৰ ১০০ বছৰ আগতে স্থাপন কৰা হৈছিল। সেই বিলাকক নতুন ৰূপ দি শঙ্কৰ গুৰুজনাই দিয়া কৃষ্টি-সংস্কৃতিক ব্ৰহ্মপুত্ৰৰ বোৱতী সুঁতীৰ দৰে প্ৰবাহিত হৈ থাকিব পৰা এটা ব্যৱস্থা কৰিছে ফলত সকলোৰে মুখত হাঁহি বিৰিঙিছে। আজি সুন্দৰ সুন্দৰ নামঘৰ তৈয়াৰ হৈছে। য'ত টিনপাট বেয়া হৈছে তাত আঢ়ৈলাখ টকাৰে টিনপাত লগাই এটা নতুন ৰূপ দিবলৈ সক্ষম হৈছে। আৰু আমি অসমীয়া সকলে বহুত গৰ্ব কৰিব পাৰিছো যে এই চৰকাৰে আমাৰ কলা-সংস্কৃতি ধৰ্ম এই গোটেই বিলাকক সজতনে জীয়াই ৰাখিবৰ কাৰণে প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে সুন্দৰ সুবিধা কৰি দিছে। সন্মানীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ গুণ-গৰিমাবোৰ যদি আমি কবলৈ যাওঁ তেতিয়া হলে আপুনি দিয়া ৭০ মিণিট সময় আমাৰ পাৰ্টিৰ কাৰণে সেইটো কেৱল মোকেই লাগিব। কিন্তু মই ইমান স্বাৰ্থপৰ হ'ব বিছৰা নাই। আপুনি মোক সোঁৱৰাই দিলে। মই আজি যথেষ্টখিনি তৈয়াৰি কৰি আহিছিলো ক'বৰ কাৰণে। অৱশ্যে তৈয়াৰি নকৰাকৈয়ো ক'ব পাৰি। আমাৰ বিহু নাম আছে যে কৈনো থাকো মানে ওৰকে নপৰে আমাৰ নাচনিৰে কথা বুলি কৈছিলে। আমাৰ চৰকাৰৰ গুণ গাওঁতে গাওঁতে গোটেই দিনটো লাগিব শেষ নহয়। এটা শব্দও তাত বেছিকৈ ব্যৱহাৰ নহয়। আৰু এতিয়া অসমত বিৰোধী সকলে চিন্তা কৰিছে, ইমান প্ৰভাৱশালী এক চৰকাৰ, ইমান দৰদি এক চৰকাৰ। ইমান মানুহৰ প্ৰতি সুন্দৰ সুন্দৰ আঁচনি বিলাক

দিয়া চৰকাৰ সেই চৰকাৰটো তিকি থাকিব, আমি ক'ত থাকিম ? তেওঁলোকৰ মাজতো মহা চিন্তাত পৰিছে। আমি ৰাস্তা-পদুলী ইমান সুন্দৰকৈ বনাইছো, আমি বিৰোধীৰ কাৰণে বনাইছো। কাৰণ আগতে তেওঁলোকে নিৰ্বাচন খেলোতে, ভঙা ৰাস্তাৰে যাওঁতে ককালৰ বিষ হয়, এতিয়া আৰু ককাঁলৰ বিষ নহয়। এইখন চৰকাৰে ১৯ হাজাৰ কিঃমিঃ ৰাস্তা আৰু ১ হাজাৰতকৈ বেছি দলং নিৰ্মান কৰিলে। মোৰ সমষ্টিতে ২শ ৩ কোটি টকা খৰচ কৰি ২শ ৭৭ কিঃমিঃ ৰাস্তা ৩শ ৪ কোটি টকা খৰচ কৰি কৰিলে, এইটো এক অভিলেখ। স্বাধীনতাৰ পিছত কোনো চৰকাৰৰ দিনত এই সমষ্টিবিলাকত ইমান ইমান পইচা পোৱা নাছিল এই infrastructure development ৰ কাৰণে । connectivity হৈছে আমাৰ উন্নয়নৰ মুল মন্ত্ৰ। road connectivity টো যেতিয়া হয় । মানুহে আজি খোজকাঢ়ি ভাল পায়, যাৰ পইচা আছিল গাড়ী কিনিবও নোৱাৰে ৰাস্তাৰ কাৰণে। ল'ৰা-ছোৱালী খোজকাঢ়ি যাওঁতে ৰাস্তাৰ শিলগুটি, বোকাত ভৰি ফাটি যায়, বোকাত হুল সোমায়, আজি সেই ল'ৰা-ছোৱালীয়ে চেন্দেল পিন্ধি যাব পাৰিছে। আৰু আমাৰ বিৰোধী সকলেও সেই সুন্দৰ ৰাস্তাৰ ওপৰেদি যাবলৈ সক্ষম হৈছে। তেওঁলোকে আচলতে আমাক ধন্যবাদ দিব লাগে, ইমানধুনীয়া ৰাস্তা আমি বনাই দিছো।

**মাননীয় অধ্যক্ষ ঃ-** Try to Conclude .

**শ্ৰী দেৱানন্দ হাজৰিকা (বিহপুৰীয়া) ঃ-** মই Conclude কৰিম। আৰু এটা ডাঙৰ কথা মই যেতিয়া **২০১৫** চনত নিৰ্বাচন খেলিবৰ বাবে প্ৰথম ৰাইজৰ ওচৰত গৈছিলো ,তেতিয়া ৰাস্তাত দেখা পাওঁ এডোখৰত শিলগুটি আছে, এডোখৰত বোকা। তেতিয়া মই শোধো যে এই ৰাস্তাটো মাজত এডোখৰত শিলগুটি আছে আৰু এডোখৰত নাই কিয় ? এইযে শিলগুটি দিয়া নাই, এইখিনিত থকা মানুহকেইঘৰ বিজেপি। সেইকাৰণে ইয়াত শিলগুটি নপৰে। সঁচা কথা কৈছো এই সদনত মিচাঁ কলে পাপ লাগিব। কথা হ'ল এইখন চৰকাৰে যিবিলাক আঁচনি কৰিছে সকলোৰে কাৰণে কৰিছে। For the first time in the history কোনো পাৰ্টীৰ কথা নাই। হিতাধিকাৰী নিৰ্বাচনত যি জন প্ৰকৃততে হিতাধিকাৰী হোৱাৰ যোগ্য তেওঁয়ে পাইছে। তেওঁ বিজেপি হওঁক কংগ্ৰেছ হওঁক এজিপি হওঁক কমিউনিষ্ট হওঁক এই বিলাক নাই। বৃদ্ধ পেঞ্চন দিওঁতে সকলোয়ে পাইছে । এতিয়া গাওঁ বিলাকত বৃদ্ধপেঞ্চন নোপোৱা মানুহৰ সংখ্যা এতিয়া ক'ৰবাত মুষ্টিমেয় দুজনহে ওলাব। আৰু কিয় নাইপোৱা কাৰণ তেওঁলোকৰ একাউন্ট নাই। আন মানুহৰ হতুৱাই একাউন্ট খোলাই তেওঁলোককো বৃদ্ধ পেঞ্চন পোৱাৰ সুবিধা কৰি দিছো। এনেকুৱা এখন সুন্দৰ চৰকাৰৰ সুন্দৰ আঁচনি বিলাক যেতিয়া ৰাইজৰ মাজলৈ লৈ যোৱা হৈছে, ৰাইজে আজি বুজি পাইছে, যে এইখনেই এখন একমাত্ৰ চৰকাৰ যিখনে অসমৰ উন্নয়ন কৰিব পাৰিব। অসমৰ উন্নয়নৰ গতি দ্ৰুতৰ পৰা দ্ৰুততম কৰিব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, ইমানকে কৈ মোৰ বক্তব্য অতি দুখেৰে সামৰিছো, কাৰণ আৰু বহুত কথা ক'বলগীয়া আছিল কাৰণ সময়ৰ অভাবৰ কাৰণে ক'ব নোৱাৰিলো । ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ আপোনাৰ বাকীখিনি পইন্ট আপোনাৰ সতীৰ্থ সকলক দি দিব। তেওঁলোকে যাতে আপোনাৰ পইন্টখিনি স্পৰ্শ নকৰি সেইখিনি কয়। এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য রাজ্যপাল জগদীশ মূখী মহাশয়ের ভাষণের বিরোধীতা করে আমি আমার বক্তব্য রাখছি। অধ্যক্ষ মহোদয়, মহামান্য রাজ্যপাল মহাশয় ভাষণ দিলেন ও পরবর্তী সময়ে বাজেটও দাখিল করা হল এই বিধান সভায়। বাজেট বা মহামান্য রাজ্যপালের ভাষণ সেটা এক বছরের জন্য হয়। অর্থাৎ একটা financial বছরে আমরা কতটা কাজ করতে পারব, আমাদের কি উদ্দেশ্য, আমাদের কতটুকু খরচ

হবে। এই বাজেটে যেগুলো শুনলাম বা মহামান্য রাজ্যপালের যেগুলো বক্তব্য সেগুলো দেখতে পারলাম যে পঞ্চবার্ষিকী পরিকল্পনা। অর্থাৎ ব্যর্থতার দলিল এই বিধান সভায় পেশ করা হল। পঞ্চ বার্ষিকী এই জন্য বলছি যে ২০১৭-১৮ , ২০১৮-১৯, ২০১৯-২০, ২০২০-২১ সালের প্রত্যেকটা বাজেটে লেখা হল যে করিমগঞ্জে একটা মেডিক্যাল কলেজ হবে। আজ অন্তিম বাজেট, ভোট অন একাউন্টস প্লেস করা হল । কিন্তু কোথায় করিমগঞ্জের মেডিক্যাল কলেজ? দুঃখের সঙ্গে বলতে হচ্ছে যে কভিডের সময় আগষ্ট ও সেপ্টেম্বর মাসে অনেক মন্ত্রীরা করিমগঞ্জে গেলেন। মুখ্যমন্ত্রীও গেলেন করিমগঞ্জে। ভালো কথা যে কভিডের সময় আমাদের সবাইকে এক হয়ে কাজ করতে হবে। সেখানে প্রতিশ্রুতি দেওয়া হল যে আই সি ইউ দেওয়া হবে, ভেন্টিলেটর দেওয়া হবে। আজ মন্ত্রী মহোদয় বিধান সভায় বললেন, যে ১০০০ আই সি ইউ ইতিমধ্যে স্থাপন করা হয়েছে। করিমগঞ্জে ২০ থেকে ২৫ টি আই সি ইউ মেশিন দেওয়া হয়েছে সেপ্টেম্বরের শেষের দিকে সেটা ভালো কথা। আই সি ইউ মেশিন জায়গায় রাখা আছে কিন্তু কোন টেকনিশিয়ান নেই, কোন মানুষ নেই। অনেক মানুষ মারা গেল কভিডের সময়। বলা হল ১০০০ হাজার মেশিন দেওয়া হয়েছে, সাপ্লাইয়ারদের জন্য। সাপ্লাইয়াররা সাপ্লাই দিয়ে তারা টাকা নিয়ে গেল । জনসাধারণের টাকাগুলো খরচ হল কিন্তু আলটিমেটলি সেই হাসপাতালে আই সি ইউ টা করা হল না। এখনও এই একই অবস্থায় আছে।

**মাননীয় অধ্যক্ষ** ঃ- বহক বহক, সকলোবোৰ বহক। মই সকলোকে কৈছো, please have to tolerance here to others voice. you can not do that মই সকলোকে কৈছো, ৰূপজ্যোতি কুৰ্মী, I am here to say. আজি আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত এইটো শেষ বিতৰ্ক, গতিকে আমাৰ সময় অলপ বেছি হব। কিবা থাকিলে আপুতি পিছতো ক'ব পাৰিব। If you have a point, you just say. কিন্ত মাজত কলে অসুবিধা হয়। কিবা ভুল হলে আপুলি লিখি ৰাখক, I will allow it.

**শ্রীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)** ঃ অধ্যক্ষ মহোদয়, শিলচর মেডিক্যাল কলেজ, ডিব্রুগড় মেডিক্যাল কলেজ, গুয়াহাটী মেডিক্যাল কলেজ প্রত্যেকটি মেডিক্যাল কলেজের পরিকাঠামো উন্নয়ন করার জন্য টাকা বরাদ্দ করা হল । জনসাধারনের ভালো হলে সেটাই অসমের জন্যও ভালো। অধ্যক্ষ মহোদয়, আপনি শিলচর মেডিক্যাল কলেজ যাবেন।সেখানে ক্যাথ ল্যাব নেই, নিউরোলজিষ্ট নেই, কোনও পরিকাঠামো নেই । কিছুদিন আগে contractual কার্ডিওলজিস্ট দেওয়া হয়েছে। কিন্তু বর্তমানে আমাদের নিউরোলজিষ্ট নেই, ক্যাথ ল্যাব নেই। অধ্যক্ষ মহোদয় আপনি জানেন যে স্ট্রোক হলে বা হার্ট-অ্যাটাক হলে ক্যাথ ল্যাবের খুব দরকার। ক্যাথ ল্যাব না থাকাতে রোগীকে গুয়াহাটী নিয়ে আসতে হয়। গুয়াহাটী নিয়ে আসতে হলে আমাদের ৮ ঘন্টা সময় লাগে। হার্ট-অ্যাটাক বা স্ট্রোক হলে ৮ ঘন্টা রাস্তা পেরিয়ে আসতে অনেক রোগী মারা যায়। আজ উপাধ্যক্ষ মহোদয়ের সমষ্টিতে একজন রোগী মারা গিয়েছে। প্রায়ই আমাদের এই বরাক ভ্যালিতে মৃত্যুর বিভিষীকা চলছে। এটার কারণ হচ্ছে অধ্যক্ষ মহোদয় আমাদের ক্যাথ ল্যাব নেই । সরকারি প্রকল্পে অনেক বড় বড় টাকার অংক শুনানো হয়। কিন্তু মানুষের বেঁচে থাকার জন্য যে পরিকাঠামো দরকার সেই পরিকাঠামো আমাদের মধ্যে নেই। বাজেটে বলা হয়েছিল মিনি সেক্রেটারীয়েটের কথা । বিত্ত মন্ত্রী হিমন্ত বিশ্ব শর্মা বরাক ভ্যালিতে গিয়ে বলেছিলেন অন্ততঃ তৃতীয় ও চতুর্থ শ্রেণীর চাকুরী বরাক ভ্যালির ছেলে-মেয়েদের দেওয়া হবে। কিন্তু অধ্যক্ষ মহোদয়, প্রায় ১ থেকে ২ জনের হাজার চাকুরী হল । কিন্তু আমাদের বরাক ভ্যালির ছেলে-মেয়েদের

ভাগ্যে ২ শতাংশ চাকুরীও জোটেনি। এই হচ্ছে আপনাদের উন্নতিকরণ? আজ অরুণোদয় স্কীম বলছেন কিন্তু প্রকৃত অর্থে অসমকে উন্নত করার জন্য কোনও ধরণের প্রকল্প হাতে নেওয়া হয়নি। ২০১৯-২০ এর বাজেটে বলা হয়েছিল ভাষা শহীদ স্মারক স্থাপন করা হবে। আমরা বার বার বলেছিলাম শিলচর ষ্টেশনকে ভাষা শহীদ ষ্টেশনরূপে রূপান্তরিত করা হোক। সবথেকে দুঃখ জনক কথা হচ্ছে যে, আমার সমষ্টিতে ফ্লাড লাইটের একটা স্কীম ছিল। সেটা ৫ কোটি টাকার স্কীম ছিল ।কয়েকদিন আগে বিজেপির কার্যবাহী কমিটির একটা মিটিং হয়, বিজেপির সব নেতারা সেখানে গিয়েছিলেন। সেই মিটিং এর পেছনে একটা ফলক লাগানো আছে। যে ফ্লাড লাইট এই গ্রাউণ্ডে লাগানো হবে। কিন্তু দুঃখের কথা হচ্ছে২০১৯ এর প্রথম দিকে সেই ফলক টা লাগানো হয়, সেই ফলকে মুখ্যমন্ত্রী, স্বাস্থ্যমন্ত্রী, ক্রীড়া মন্ত্রী এবং বিজেপি সভাপতিরও নাম আছে। যদিও আমাকে নিমন্ত্রন করা হয়নি। যাক সেটা অন্য কথা। করিমগঞ্জের মানুষের ভালো হওয়ার জন্য আমাকে নিমন্ত্রণ করা না হলেও তাতে আমার কিছু আসে যায় না। কিন্তু দুঃখের বিষয় আজ অবধি টেণ্ডার খোলা হল না। আমি মনে করি এতে মুখ্যমন্ত্রীরও অপমান হয়েছে। বিশেষ করে বিজেপির কার্যবাহী কমিটির মিটিং যে ফিল্ডে হল সেই ফিল্ডের পেছনে একটা ফলক লাগানো হল কিন্তু সেই জায়গারই কাজটা হল না। সেটাই হচ্ছে উন্নতিকরণ ।বিশেষ করে আজ এই কথাটি বলতে হয় এবং এটি বাস্তব সত্য যে বাজেট এবং রাজ্যপালের বক্তব্যে আয় ব্যয়ের হিসাব আমরা পাই। সেই বাজেটে আমরা জানতে পাই যে অসমের জন্য আমরা কি করতে যাচ্ছি। অধ্যক্ষ মহোদয় আমাদের শিক্ষা মন্ত্রী বিগত দিনে ফলাও করে কিছু নিযুক্তি দিয়েছেন। তাতে প্রাদেশিককরণ হল, টেটের শিক্ষক নিযুক্তি হল, ২৯৭১০ জনকে নিযুক্তি দেওয়া হল। কিন্তু আমি চ্যালেঞ্জ দিয়ে বলছি ২৯ হাজার যে নিযুক্তি হল, পরিসংখ্যানে যদি দেখা যায় তাহলে বাস্তবে সেখানে যোগ দেবে ১৭ থেকে ১৮ হাজার শিক্ষক।বাকী শিক্ষকরা যোগ দেবেনা এই কারণে যোগ দেবেন না যে একজনের দুটা দুটা জায়গায় নিযুক্তি হয়েছে । আলটিমেটলি আমি মনে করি ইলেকশনের জন্য সেই নিযুক্তি গুলো দেওয়া হয়েছে। ২০১১ সনে প্রাদেশিককরণ অ্যাক্টে কংগ্রেস সরকারের আমলে প্রায় ৪০ হাজার শিক্ষককে প্রাদেশিককরণ করা হয়। পরবর্তী সময়ে আরও ৩৫ হাজার শিক্ষকের নাম ফাইনান্সে পাঠানো হয় প্রাদেশিককরণ করার জন্য। কিন্তু কোর্ট সেই আইনকে বাতিল করল।আমার কথা হচ্ছে যে কোর্ট যদি সেই আইনকে বাতিল করল তার আগে সরকারকে এফিডেভিট দেওয়া উচিৎ ছিল। একজন শিক্ষকের টাকা দিয়ে তিনজন শিক্ষককে নিযুক্তি দেওয়া হল ।এমই স্কুলে আগে ফাইভ প্লাস , সিক্স প্লাস ওয়ান , সেভেন প্লাস ওয়ান শিক্ষক ছিল, আজ এনরলমেন্ট দেওয়া হয়েছে। অর্থাৎ একটা স্কুলে দুই জন বা তিনজনের বেশী চাকুরী হয় নাই । আগে যে টাকা খরচ হত তার থেকে অর্ধেক টাকা খরচ হল কিন্তু আলটিমেটলি মানুষের যে সমস্যা সেই সমস্যার সমাধান হল না। ২০১৩ সাল থেকেই তো আর টি অ্যাক্ট ছিল। তখন কেমন করে আমরা Provincialized করতে পারলাম আজকেন আমারা Provincialized করতে পারলাম না অসমের জনসাধারণ সেটা বুঝতে পারছে। অসমের জনসাধারণকে আপনারা আর কত দিন বোকা বানাবেন? সবথেকে বড় হচ্ছে আজ ডায়েস কোডের সমস্যা , অনেক সমস্যা সেই সমস্যা বিধানসভায় আমাদের শিক্ষামন্ত্রী বললেন ইস্যু ডেট এফেক্টেডের সমস্যাটা সমাধান করে দেব। আমি ডায়েজ কোডের সমস্যা সমধান করে দেব। আমি এনরোলমেন্টের সমস্যা সমাধান করে দেব। আপনি একটাও সমস্যা সমাধান করতে পারেলেন না। আপনারা ইলেকশনের জন্য আপনারা টিউটর হিসাবে কিছু নিযুক্তি দিয়ে দিলেন তাতে শিক্ষকদের কি লাভ হল? আপনারা

বললেন হাইস্কুলকে Provincialized করা হল বললেন যে বেইস স্কুলে নিয়ে যাওয়ার জন্য অর্থাৎ হাইস্কুল Provincialized হল এখন আপনারা বলছেন টিচারগুলো Provincialized করলাম আপনারা বেইস স্কুলে চলে যান। শিক্ষামন্ত্রী বলে থাকেন যে স্কুলগুলো ছাত্রের জন্য। স্কুলগুলো যদি ছাত্রের জন্য হয় তাহলে এই ছাত্রগুলো কোথায় যাবে? এই ছাত্রের ভবিষৎ কি হবে। এই কথাগুলো কেউ বলে না।

অধ্যক্ষ মহোদয় , ভাষা গৌরব প্রকল্পের অধীনে ২০১৯-২০ এ ৭৫ কোটি টাকা দেওয়া হয়েছে। ২০২০-২১ এ ৪৪ কোটি টাকা দেওয়া হল। অধ্যক্ষ মহোদয় আমি বলতে চাই বাঙ্গালীরা কি টেক্স না দিয়ে থাকে? যদি টেক্স দিয়ে থাকে তাহলে এই ২২ টা সংগঠনে একটাও বাঙ্গালী সংগঠনের নাম নেই কেন। আপনাদের তো বাঙ্গালীদের প্রতি অনেক স্নেহ,- মায়া-মমতা। তাহলে শুধু ভোটের জন্য কি বাঙ্গালী? এই সংগঠনে বাঙালীদের নাম কেন অর্ন্তভুক্ত করা হল না?

স্পীকারঃ- এড্রেস টু মি।

**শ্রীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)** ঃ অধ্যক্ষ মহোদয়, শিক্ষামন্ত্রী বলেছেন, এপ্লিকেশন দেওয়ার জন্য ০৬-০২-২০২১ এ। মূখ্যমন্ত্রী যখন ১৯ তারিখ মিটিং করেছেন উনার বাসভবনে তখন কিন্তু এপ্লিকেশন নেওয়া হয়নি। ২২টি সংগঠনকে ডেকেছেন এবং তাদেরকে কর্পাস ফাণ্ড দিয়েছেন। তখন কিন্তু কাউকে এপ্লিকেশনের কথা বলা হয়নি। আমি ধরে নিলাম এপ্লিকেশনের কথা বললেন। আমরা ১০ দিন আগে এপ্লিকেশন দিলেও আপনার কি করলেন। শিক্ষামন্ত্রী বলছেন তুমি এপ্লিক্যাশন দিয়ে দাও আমি দিয়ে দেব। জানতে হবে তো বিষয়টি কি? অসমের জনসাধারণ দেখছে, বিভিন্ন জাতি জনগোষ্ঠীর মানুষ দেখছে। আপনারা বলছেন বিভিন্ন জাতি জনগোষ্ঠী নিয়ে আমরা কাজ করছি কিন্তু মূলত তা করছেন না। আপনারা ধর্মীয় মেরুকরণ করছেন ,আপনারা জাতি-বিদ্বেষ নিয়ে কাজ করছেন। তাই আমি বিশ্বাস করি এই বাজেট মোটেই জনমুখী বাজেট না। এই বাজেট প্রতারণার বাজেট। মানুষকে প্রতারণা করেছেন এবং সামনের নির্বাচনে মানুষ তার উত্তর দেবে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া টেৰচ গোৱালা।

**শ্রী তেৰচ গোৱালা (দুলীয়াজান)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১১ ফেব্রুৱাৰী, ২০২১ তাৰিখে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মই সমৰ্থন কৰি মই মোৰ মন্তব্য ক'ব বিচাৰিছো। ৰাজ্যপাল মহোদয়ৰ ভাষণৰ পুস্তিকা খন অধ্যয়ন কৰাৰ পিছত অসমৰ এগৰাকী যশস্বী লেখক, কবি, সাহিত্যিক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটা স্তৱক মনত পৰিছে। তেওঁৰ স্তৱকটো আছিল- " সুন্দৰে যে ফুলাৰ মন্ত্র অহোৰাত্রি মাতে সেয়েহে আজি ইমান ফুল প্রভাতে প্ৰভাতে" এই স্তৱকটো মই এই কাৰণে উল্লেখ কৰিছো যে ২০১৬ চনত আমি যেতিয়া নিৰ্বাচনত আহিছিলো তেতিয়া আমাৰ মূল আহ্বানটো আছিল 'পৰিৱৰ্তনে আছিল ২০১৬ ৰ আশাৰ মন্ত্র, বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম সকলো জাতি-জনগোষ্ঠী ৰাইজৰ মুখে মুখে, সেয়ে আজি আৰম্ভ হ'ল সামগ্ৰীক উন্নয়নৰ যাত্ৰা চাহ বাগানে বাগানে' এই কথাটো ইতিমধ্যে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত গোটেই কথাটো সুন্দৰকৈ প্ৰতিফলিত হৈছে । ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে তিনিটা নীতিৰে সমগ্ৰ ৰাষ্ট্ৰ খন চলাই আছে- সবকা চাথ, সব্‌কা বিকাশ আৰু সব্‌কা বিশ্বাস আৰু এই তিনিটা শব্দ অনুসৰণ কৰি আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত চলা মিত্ৰজোঁট চৰকাৰ খনেও অসমৰ সকলো শ্ৰেণীৰ ৰাইজক আস্থা আৰু বিশ্বাসত লৈ আজি প্ৰায় ৫ বছৰ কাম সম্পূৰ্ণ কৰিছে আৰু এই গোটেই কামৰ কৰ্মৰাজি সমূহ আমাৰ মাননীয় ৰাজ্যপল

মহোদয়ে ধুনীয়াকৈ প্ৰকাশ কৰিছে । সবকা চাথ, সবকা বিকাশ আৰু সবকা বিশ্বাস নীতিৰ আধাৰত আমাৰ জনপ্ৰিয় কৰ্মদক্ষ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া, গোটেই প্ৰদেশ খনত সৰ্বহাৰা আমাৰ কৃষক-শ্ৰমিক, বৃদ্ধ-বৃদ্ধা, দিব্যাংগ ছাত্ৰ-ছাত্ৰী, সাংস্কৃতিক কৰ্মী, সাংবাদিক কৰ্মী, শ্বহীদ পৰিয়াল, অসম চুক্তি, এন আৰ চি, বান গৰাখহনীয়া, জলসিঞ্চন, খোৱাপানী, বাট-পথ, দলং ইত্যাদি সকলো বিভাগৰ সমস্যা সমাধানৰ বিহীত ব্যৱস্থা গ্ৰহণ কৰি সততা, নৈতিকতা আৰু সামাজিক জাতীয় দ্বায়িত্বৰে খৰতকীয়া ৰূপায়ণ কৰাৰ বাবে আজি অসমৰ সামগ্ৰিক উন্নয়নৰ আশাৰ যাত্ৰা আমি দেখিবলৈ পাইছো । যি কথা অসমৰ মহামান্য ৰাজ্যপাল অধ্যাপক জগদীশ মুখী মহোদয়ে তথ্য সহকাৰে অতি সুন্দৰ ভাবে তেখেতৰ ভাষণত উল্লেখ কৰিছে । অধ্যক্ষ মহোদয়, হয়তো এই শব্দ বিলাক আমি নকলোহেঁতেনঙ্গ যিহেতু ভাৰতবৰ্ষ স্বাধীন হৈছিল ১৯৪৭ চনত আৰু ১৯৫২ চনত প্ৰথম বাৰৰ বাবে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু দিল্লী আৰু দিশপুৰত কাৰ চৰকাৰ আছিল অসমৰ মানুহে জানে । আমি যেতিয়া ২০১৬ চনত পৰিৱৰ্তনৰ নামত এই পৱিত্ৰ বিধান সভালৈ আহিলো, অহাৰ পিছত চৰকাৰী কাম-কাজবোৰ তৃণমূল পৰ্য্যায়ত কৰিবলৈ আগবাঢ়িলো, ৰাইজৰ যি কথাবাৰ্তা তেওঁলোকৰ মনৰ কথা বিলাক যেতিয়া শুনিলো আৰু অনুভৱ কৰিলো এই কথাবিলাক বৰ দুখজনক অধ্যক্ষ মহোদয়। বি পি এল অৰ্থাৎ দৰিদ্ৰ সীমা ৰেখা, ইয়াৰ যিটো অৰ্থ আচলতে দুখীয়া মানুহে বুজি নোপোৱা এটা শব্দ আছিল । আঁচনি বহুত আহিছে কিন্তু condition দিয়া হৈছিল যে আপুনি যদি বি পি এল কাৰ্ড দেখুৱাব পাৰে তেতিয়া আপুনি সা-সুবিধা পাব নহ'লে আপুনি পি এম ওৱাই ঘৰো নাপাব পাৰে আৰু একো আঁচনিও নাপাব পাৰে । তেনেকুৱা এটা ব্যৱস্থা আছিল । বি পি এল সম্পৰ্কে আমি যেতিয়া দেখিলো এই ১০ টা নম্বৰ থকা, এই নম্বৰটো আমি নাইকিয়া কৰিবৰ কাৰণে আমি বিধায়ক সকলে অৱগত কৰিলে যে বি পি এল নম্বৰ নথকা, তেতিয়াৰ আই এ ওৱাই আৰু এতিয়াৰ পি এম ওৱাই ঘৰ নাপায়, তেনেকুৱা এটা ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব লাগে । মোৰ মনত আছে অধ্যক্ষ মহোদয় আমাৰ শঙ্কৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত সকলো বিধায়কক, বিভাগৰ সকলো বিষয়া, বি ডি অ', ডি চি, চি ই অ' সকলক তাত নিমন্ত্ৰণ কৰা হৈছিল আৰু এই কথাটো আলোচনা কৰা হৈছিল আৰু সিদিনাই বি পি এল শব্দটো নাইকিয়া কৰি এটা সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই কলে যে যি সকল দুখীয়া লোকৰ হাতত National Food Security Act ৰ অধীনত থকা ৰেচন কাৰ্ড আছে তেওঁলোক দুখীয়া হ'ব । আৰু এই ৰেচন কাৰ্ড খনে তেতিয়া দুখীয়াৰ প্ৰমাণ-পত্ৰ হ'ল । কিন্তু অধ্যক্ষ মহোদয়, তাতো এটা কথা হ'ল যে যি সকলৰ ৰেচন কাৰ্ড নাই তেওঁলোকৰ কি হ'ব । তেতিয়া কোৱা হ'ল যে ৰাজহ বিভাগৰ Circle Office য়ে যিখন Income certificate দিব ১ লাখ টকাৰ কম সেইটোৱে হ'ব তাৰ Income certificate. কিন্তু বহু দুখীয়া মানুহ, খিলঞ্জীয়া অসমীয়া মানুহৰ ভূমিৰ আৱন্টন বা পট্টা নাই যাৰ কাৰণে তেওঁলোকক খাজনাৰ ৰচিদ produce কৰিব নোৱাৰাৰ কাৰণে তেওঁলোকে দুখীয়াৰ কাৰণে দিয়া certificate খন লাভ কৰিব পৰা নাছিল। ইয়াৰ উপৰিও আৰু এটা আছিল, মাননীয় অধ্যক্ষ মহোদয়ে জানে যে এই পৱিত্ৰ বিধান সভাত চাহ বাগিচাৰ কথা আলোচনা হৈছিল যে চাহ শ্ৰমিক সকলৰ ৩ টা generation শেষ হৈ যোৱাৰ পাছতো বি পি এল category ত পৰা নাছিল । মাননীয় বিৰোধী দলৰ সতীৰ্থসকলে ভালে কৈছে, কিন্তু তেওঁলোকৰ নেতৃত্ব সকলক সুধি লোৱাটো ভাল আছিল । এই চাহ-শ্ৰমিক সকলৰ ৩টা generation শেষ হৈ যোৱাৰ পিছত ১ কঠা মাটি নাই আৰু খাজনা দিয়াৰ ব্যৱস্থা নাছিল । আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সবল নেতৃত্বত আজি কোৱা হ'ল যে managment য়ে এটা certificate দিব বা

Circle officer য়ে এখন certificate দিব ।চাৰ, এইটোৱে আছিল পৰিৱৰ্তন। National Food Security Act বি পি এল ৰ ইমান ডাঙৰ এটা ভয়ংকৰ ষড়যন্ত্ৰ চলি আছিল যিটো আমাৰ চৰকাৰে প্ৰথম বছৰতে নাইকীয়া কৰিবলৈ সক্ষম হৈছিল ।যাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু এই মিত্ৰজোঁট চৰকাৰক মই ধন্যবাদ জনাইছো । National Food Security Act ৰ অধীনত ইতিমধ্যে মই গম পাইছো যে প্ৰায় ৫১ লাখ ৬২ হাজাৰ লোকে বিনামূলীয়া চাউল পাই আছে ।চাৰ মোৰ ভাল লাগিছে দুলীয়াজান বিধান সভা সমষ্টিত ৪২ লাখ ৫ শ ৬৭ গৰাকী দুখীয়া, সৰ্বহাৰা কৃষক-শ্ৰমিকে এই বিনামূলীয়া চাউল পাই আহিছে। চাৰ, চাউল সম্পৰ্কে ক'ব লাগিব কিয়নো আমি যেতিয়া বিধান সভা নিৰ্বাচনত, লোকসভা নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনৰ সময়ত আমাৰ সতীৰ্থ বিৰোধী সকলে আমাক কৈছিল যে যদিহে বি জে পিক ভোট দিয়ে এই বিনামূলীয়া চাউলটো বন্ধ কৰি দিয়া হ'ব। এনেকৈ কোৱা হৈছিল যে আমি তাৰ উত্তৰ দিব পৰা নাছিলো । কিন্তু ভগৱানৰ কৃপাত আৰু ৰাইজৰ আশীৰ্বাদত আমি তিনি টকীয়া চাউল বিনামূলীয়াকৈ দিব পৰা হ'লো ।যাৰ বাবে আজি দুলীয়াজান বিধান সভা সমষ্টিতে ৪২ হাজাৰ ৫শ ৬৭ গৰাকী দুখীয়া, দুৰ্ভগীয়া আৰু সৰ্বহাৰা কৃষকে ৫ কেজি কৈ বিনামূলীয়া চাউল পাইছে । অধ্যক্ষ মহোদয়, যেতিয়া লক ডাউন হৈছিল আমাৰ বিধান সভা চলি আছিল ২০২০ চনৰ ফেব্ৰুৱাৰী মাহত আৰু বিধান সভাৰ সময়তে আমি জনতাৰ কাৰফিউ পাইছিলো আৰু ২২ ফেব্ৰুৱাৰী ২০২০ চনত আমি লগে লগে ঘৰলৈ গৈছিলো ।তাৰ পিছত সকলো বন্ধ হৈ গৈছিল। সমগ্ৰ অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষ আৰু সমগ্ৰ বিশ্বতে এটা অস্থিৰ বাতাবৰণৰ সৃষ্টি হৈছিল ।এই ল'ক ডাউনৰ সময়ত যি সকলৰ ৰেচন কাৰ্ড আছিল অধ্যক্ষ মহোদয় তেওঁলোকক special চাউল দিয়া হৈছিল আৰু যি সকলৰ ৰেচন কাৰ্ড নাছিল তেওঁলোকৰ অৱস্থা অতি দুখ জনক হৈছিল। কিয়নো সকলো কাম-কাজ, দোকান-পহাৰ, গাড়ী, ব্যৱসায়-বাণিজ্য আদি বন্ধ হৈ গৈছিল আৰু সেই সময়ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগিব কিয়নো যাৰ ৰেচন কাৰ্ড নাছিল তেওঁলোকক বিনামূলীয়াকৈ চাউল দিয়াৰ এটা ব্যৱস্থা কৰা হৈছিল। যাৰ কাৰণে মই ভাবো প্ৰায় ১৩ হাজাৰ ২ শ ৪০ গৰাকী তেনেকুৱা দুৰ্ভগীয়া লোকক মই চাউল দিব পাৰিছিলো। আৰ্তজনে যেতিয়া খাবলৈ নোপোৱা সময়ত আমি অন্তত এই চাউলবোৰ যে দিব পাৰিছিলো মই ভাবো এইটো এটা পৰিবৰ্তনৰ উত্তম দিন। তাৰ পিছত unorganized sector ত জড়িত আছে। আমি সদায় organized sector ৰ শ্ৰমিক সকলৰ কথা পাতো । কিন্তু unorganized sector ৰ যি খিনি শ্ৰমিক আছে তেওঁলোকে একো নাজানে। তেওঁলোকে কিবা পোৱা নোপোৱা বা আইন কানুন একো নাজানে । সেই সকল শ্ৰমিককো আমাৰ তেতিয়াৰ শ্ৰম মন্ত্ৰীৰ সবল পদক্ষেপত আৰু মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশত আমি বয়সৰ ভিত্তিত প্ৰায় ২ হেজাৰ, ৩ হাজাৰ আৰু ৫ হাজাৰ টকাকৈ আৰ্থিক আনুদান দিবলৈ সক্ষম হৈছিলো । যাৰ বাবে শ্ৰমিক সকলে কিছু সকাহ পাইছিল বা উৎসাহ পাইছিল। ইতিমধ্যে দেৱানন্দ হাজৰিকা দেৱে কৈছে যে দীনদয়াল গ্ৰাম্যজ্যোতি যোজনা, চাৰ এটা সময় আছিল হয়তো মই বিধায়ক নহ'লোহেঁতেন মোৰ দেউতাৰ সময়ত কাৰেন্টৰ কথা কৈ কৈ এজন বিধায়কৰ ওচৰত কিমান বাৰ গ'ল আৰু আমাকো কিমানবাৰ পঠিয়ালে কিন্তু ১০০ শতাংশ কিবা শব্দ কৈছিল আৰু মোক সেই কথাটো মোৰ দেউতাই মোক বাৰে বাৰে remind কৰিছিল প্ৰত্যেক গাঁৱত যাতে বিদ্যুৎ সংযোগ হয়, তেনেকুৱা আঁচনি পালো। মোৰ প্ৰায় ৩০০ গাঁৱৰ ভিতৰত ২৩৮ টা গাঁৱতে সংযোগ আহিলে আৰু ৫০ খনতকৈ অধিক চাহ বাগিচাত এই সংযোগ আমি দিব পাৰিলোঁ। চাহ বাগিচাৰ কথা কলে দুখ লাগে, এই কাৰণে দুখ লাগে ১৯৯৬ চাহ জনগোষ্ঠীৰ বা

চাহ শ্ৰমিকৰ ইতিহাসত আটাইতকৈ ডাঙৰ গজালটো মাৰি দিয়া হৈছিল। বিজেপি চৰকাৰ যদি নাহিল হেতেন গজালটো নুখুলিলেহেতেন আজি চাহ শ্ৰমিকৰ ভৱিষ্যত আৰু দুখজনক হ'লহেঁতেন। ১৯৯৬ আসাম চাহ মজদুৰ সংঘ এইটো কাৰ এফিলিয়েচন ট্ৰেড ইউনিয়নৰ সকলোৰে জানে। কংগ্ৰেছ দলৰ এফিলিয়েচন ট্ৰেড ইউনিয়ন আসাম চাহ মজদুৰ সংঘ আৰু Consultant Committee for Contractor Association মালিক সন্থাৰ জইন্ট এগ্ৰিমেন্ট হৈছিল। সেই এগ্ৰিমেন্টত লাইনত কাৰেণ্ট দিয়া হ'ল। এই শ্ৰমিক সকল যেন ভাৰতীয় নাগৰিক নহয় এই কথাটো তাত ৰিফলেক কৰা হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** কনক্লুচনলৈ আহিব এতিয়া।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** চাৰ, সেই কাৰণে কৈছো যে চাহ বাগিচালৈ সেই কাৰেণ্টৰ ব্যৱস্থা আজি আমি নাইকিয়া কৰি পণ্ডিত দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ জৰিয়তে আমি কানেকটিং কৰিলোঁ। লগতে আমি সৌভাগ্য আঁচনিৰ জৰিয়তে প্ৰত্যেকটো শ্ৰমিকৰ কোৱাটাৰত বিনামূলীয়াকৈ বিদ্যুৎ সংযোগ, মিটাৰ, বাল্ব আদি দিবলৈ সক্ষম হলোঁ। চাহ শ্ৰমিক সকলে একাউন্ট খুলিব পৰা নাছিল, তিনিটা জেনেৰেচন হোৱাৰ পিছত স্বাধীনতাৰ ৬৫-৭০ বছৰৰ পিছত এটা বেংক একাউন্টৰ কাৰণে তেওঁলোকে হাহাকাৰ কৰিব লগা হৈছিল। ৩৫-৩৬ বছৰ কাম কৰাৰ পিছত তেওঁলোকে যেতিয়া অৱসৰ লৈছিল তেতিয়া পইচাটো কোনোৱা কাবুলিয়ে লৈ গৈছিল। যাতে এই পইচাটো ৩৫ বছৰ কাম কৰাৰ পিছত ৩৫ মাহত পইচা শেষ হৈ যায়। কিন্তু যেতিয়া ডিমনেটাইজেশ্বন হ'ল পইচা যেতিয়া বদলি হ'ল তেতিয়া আমাৰ চৰকাৰে এটা সিদ্ধান্ত ললে যে আমি একাউন্ট খুলিম। কোনোৱে খুলিব নোখোজে, বেংকে খুলিব নোখোজে, মেনেজমেন্টে খুলিব নোখোজে কিন্তু চৰকাৰৰ সদইচ্ছা আছিল ৩ মাহত ৭৫০০০০ চাহ শ্ৰমিকৰ একাউন্ট খুলি প্ৰমাণ কৰি দেখুৱালে যে চৰকাৰৰ যদি সদইচ্ছা থাকে সাধাৰণ কৃষক শ্ৰমিকৰ কাৰণেও জটিলতকৈ জটিল কামৰ সমস্যা সমধান কৰিব পাৰে সেইটো কৰি দেখুৱালে। যাৰ কাৰণে ধন পুৰস্কাৰ পালো। মই আগতেও কৈছো, আমাৰ এই চাহ শ্ৰমিকৰ পৰা কাম হওক নহওক কোনো আপত্তি নাই। দৰমহাৰ পৰা বৰঙণি লৈ লৈ কোনোৱা নেতা হয়, কিন্তু এইখন চৰকাৰে তিনিটা কিস্তিত প্ৰায় ৮০০০ কৈ টকা ৭৫০০০০ শ্ৰমিকৰ একাউন্টত দিলে। এই শ্ৰমিক সকলে ভৱা নাছিল যে আমিও চৰকাৰৰ পৰা কিবা এটা পাম। আজি আমি পাবলৈ সমৰ্থক হৈছো। আমি চাহ বাগিচাৰ পৰা ৭৫০০০০ শ্ৰমিকক ৮০০০ কৈ টকা ইতিমধ্যে দিবলৈ সমৰ্থ হলো। গৰ্ভৱতী মহিলাৰ কথা আলোচনা হৈছিল, স্থায়ী শ্ৰমিক যদি নিয়মীয়া মহিলা কৰ্মচাৰী হয় তেতিয়াহলে কোম্পনীয়ে মিনিমাম ফেচেলিটি দিয়ে। অস্থায়ী শ্ৰমিক যদি হয়, তেন্তে গৰ্ভৱতী মহিলা গৰকীক আঠ মাহ সাঁত মাহ পেটত সন্তানলৈ গৰ্ভৱতী অৱস্থাতে পাত চিঙিব যায়, কোৰ মাৰিব যায়, কলম কাটিব যায়, অন্ততঃ সেইটো আজি বন্ধ কৰি দিয়া হ'ল। তেওঁলোকক পুস্তিকৰ খাদ্য খাবৰ কাৰণে আজি ১২ হাজাৰ টকাকৈ দিয়া হৈছে। তেওঁলোকৰ তিনিমাহ যিটো মেটাৰনেটি লিভ আছিল সেইটো ৬ মাহ কৰি দিয়া হ'ল। সেইটো এটা হিউমেনিটি গ্ৰাউণ্ডত সোমোৱাৰ বাবে এটা ঐতিহাসিক কাম হৈছে মই ধন্যবাদ জনাইছোঁ এইখন চৰকাৰক।

**মাননীয় অধ্যক্ষ ঃ** চমু কৰক।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** চাহ বাগিচাৰ শ্ৰমিকে কোনো দিন লাইনৰ ৰাস্তা আই চি বি টি (ইন্টাৰলুকিং কনক্ৰিট পেপাৰ ব্লক) শব্দটো শুনা নাছিল। আজি প্ৰথমবাৰতে ১৭ খন চাহ বাগিচা মই পাইছোঁ। ইয়াত সব কা সাথ সবকা বিকাশ, সবকা বিশ্বাস এই কথাটো আজি ১২৬ টা বিধান

সভা সমষ্টিৰ সকলোৰে আঁচনি পাইছে য'ত য'ত চাহ বাগিচা আছে। আজি এক কোটিকৈ ৰাস্তাৰ বাবে দিয়াৰ কাৰণে আমি লাইনৰ ৰাস্তাবোৰ বনাব পাৰিছোঁ। চাহ বাগিচাৰ চৰ্দাৰ বিলাকক মোবাইল দিবলৈ সমৰ্থ হৈছোঁ। চাহ বাগিচাৰ ৰংগমঞ্চ, মাঙ্গুৰি মেম কোন আছিল নাজানে, মাঙ্গুৰি মেম যেতিয়া ব্ৰিটিছৰ বিৰূদ্ধে যুদ্ধ হয় চাহ জনগোষ্ঠীৰ এগৰাকী মহিলা তেওঁ গুলি খাই মৃত্যুবৰণ কৰিছিল। তেওঁৰ নামত আজি ৰংগ মঞ্চ দিছোঁ। আজি ময়ো চাৰিটা পাইছো, প্ৰায় কম বেছি সকলো সমষ্টিয়ে পাইছে। দয়াল দাস মানিকা এগৰাকী বীৰ শ্বহীদ আছিল। ব্ৰিটিছৰ বিৰূদ্ধে যুজিছিল, তেওঁৰ নামটো কোনেও উচ্চাৰণ নকৰে, কিন্তু এইখন চৰকাৰ আহি অন্তত এই সকল মহান বীৰ বীৰঙ্গনাক আজি দয়াল দাস মানিকাৰ নামেৰে নিবনুৱা সংস্থাপনাৰ নামত ২৫ হাজাৰকৈ দিছে। এইটো কেৱল মই চৰকাৰক এটা আহ্বান জনাইছোঁ আজি তাৰিখত ২৫ হাজাৰ টকাত সম্ভৱ নহয়, মই ভাৱো এইটো নুন্যতম এক লাখ টকালৈ বঢ়াবৰ কাৰণে মই অনুৰোধ জনাইছোঁ। চি এম কা ফুটবল খেল ইতিমধ্যে চাহ বাগিচাত আৰম্ভ হৈছে, ইমান প্ৰতিভা থকা আজি খেলুৱৈ সকলক আজি এনকাইৰেজ কৰা হৈছে। ৪ খনকৈ হাইস্কুল মই পাইছো অধ্যক্ষ মহোদয়, ১১৯ খনৰ ভিতৰত। হাইস্কুল প্ৰথমবাৰৰ বাবে হৈছে, ইমানদিন কোনোদিন চাহ বাগিচাত চৰকাৰী স্কুল নহয় আৰু বিৰোধী দলে আমাৰ উন্নয়নৰ কথা কয়, সেই কাৰণে মই সতীৰ্থ বিৰোধী দলক কৈছো যে বেছি আৰু জোকাই নল'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান)ঃ** সেইবিলাক তথ্যসহকাৰে কৈছো। ২৩ নৱেম্বৰ সন্তোষকুমাৰ আৰু চাই মনসিং এই দুজন ব্যক্তি যদি নাথাকিলেহেঁতেন আমি বিধান সভাত নাহিলোহেঁতেন। এই দুজন মহান ব্যক্তি য়ে আশা জন্ম দিলে এটা গীৰ্জা ঘৰত যাৰ কাৰণে আজি আমি ইয়ালৈ আহিব পাৰিছোঁ, সামাজিক কথা চিন্তা কৰিব পাৰিছোঁ। আজি সন্তোষ কুমাৰ তপ্নৰ নামত শ্ৰমিক কল্যাণ দিৱস পতা হৈছে। বৰেণ্য ব্যক্তিক বঁটা দিয়া হৈছে। চাই মনসিং হৰৰ নামত মেট্ৰিক পাছ, হাই চেকেণ্ডাৰী পাছ কৰা চাহ শ্ৰমিক সকলক আজি দহ হাজাৰকৈ এটা স্পিচিয়েল জলপানী দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** চমু কৰক। বহুত বক্তাৰ নাম আছে, মই আপোনাক কবলৈ দিব ভালে পাওঁ কিন্তু সময়ৰ নাটনি।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** মই যেতিয়া বিধায়ক হৈছিলো তেতিয়া এক লাখ ৪০ হাজাৰ ভোট আছিল। তেতিয়া প্ৰায় ১৭ হাজাৰ ভোট পাইছিলোঁ। আজি মই যিটো হিচাপ দেখিছোঁ অৰুণোদয় আঁচনিৰ ১৫ হাজাৰ বেনিফিচেৰীক বেনিফিট দিব পৰা হৈছো, আত্মসহায়ক গোটত প্ৰায় ২৩১৫০ গৰাকীক দিবলৈ সমৰ্থ হৈছো। গৰ্ভৱতী মহিলা প্ৰায় ১ হাজাৰ গৰাকী, পি এম ৱাই ঘৰ প্ৰায় ২১৩২২ ঘৰ দুখীয়া মানুহক দিব পাৰিছোঁ, এন এফ এচ এ ৰেচন কাৰ্ডত ৪২৫৬৭ গৰাকীক বিনামূলীয়া চাউল দিবলৈ সমৰ্থ হৈছোঁ, ধন পুৰস্কাৰ প্ৰায় দহ হাজাৰ শ্ৰমিকক ৮ হাজাৰ কৈ টকা দিব পৰা হলো, স্বয়ম আঁচনি ১৪০০ আন এম্পলয়ী এডুকেটেত এমপ্লয়ী দিব পৰা হলোঁ, অল ডেদ পেন্সন, দিব্যাঙ্গ পেন্সন বাদ দিলো সৌভাগ্যত আমি ১৬৬৭১ গৰাকী সৰ্বমূঠ ১৪২২৫০ গৰাকীক আজি এটা বেনিফিট দিব পৰা হলো। যিমান ভোট নাছিল, তাতকৈ বেছি মানুহক আজি বেনিফিট দিব পাৰিলোঁ, এইটোৱে আছিল পৰিৱৰ্তন আৰু এইটো মই ভাৱো মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চলা মিত্ৰজোট চৰকাৰে সব কা সাথ সব কা বিকাশ সবকা বিস্বাস নীতি নিধি আৰম্ভ কৰিছে। সম্পূৰ্ণ আজি ৫ বছৰ সম্পূৰ্ণ কৰিছোঁ। আজি শেষ বিধান সভাত এই কথাখিনি ক'ব পাই মোৰ ভাল লাগিছে। আশা ৰাখিম আস্থা বিশ্বাসৰে কৰা এই খন চৰকাৰ

পুনৰ ২০২১ চনত দলে বলে আহিব তাকে আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** হাফিজ বছিৰ আহমেদ, তেখেত নাই, মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আমাৰ এ আই ইউ ডি এফ বিধায়িনী দলৰ বিৰোধিতা কৰি অনা সংশোধনী প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিবলৈ সুবিধা দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছোঁ। ৰাজ্যপাল মহোদয়ৰ ভাষণ প্ৰকৃতাৰ্থত চৰকাৰ এখনৰ বক্তব্য বা কৰ্মৰাজিৰ ৰিফলেক্চন আৰু চৰকাৰ এখন ডেভলপমেন্ট, এমপ্লইমেন্ট আৰু সহ অৱস্থান, উন্নয়ন, সংস্থাপন আৰু সহৰস্থান এই তিনিটা চৰকাৰ এখনৰ গাইডিং কোৰ্চ হোৱাটো দৰকাৰ। উন্নয়ন, সংস্থাপন আৰু সহৰস্থান এই তিনিওটা যদি আমি একেলগে চলাই লৈ নাযাওঁ, তেনেহলে আমাৰ অসম খন অসম হৈ থকাত দিগদাৰ হয়, অসুবিধা হয় আমাৰ পূৰ্বৰ অভিজ্ঞতাই কয়। মাননীয় উপাধ্যক্ষ মহোদয়, মেঘালয়, মিজোৰাম, নাগালেণ্ড এই বিলাক আমাৰ এটা এটা পাৰ্ট আছিল। এখন এখন সৰু সৰু জিলা আছিল। আনকি শ্বিলংখন অবিভক্ত অসমৰ ৰাজধানী আছিল। তাতটো বহুত উন্নতি হৈছিল। তথাপিও কিন্তু এই যে সহঅৱস্থানৰ যিটো পলিচি এই পলিচিটো নথকাৰ কাৰণে মেঘালয় গুচি গ'ল, মিজোৰাম, নাগালেণ্ড গুচি গ'ল। এতিয়া বৰাক ভেলী তেওঁলোকে বিভক্ত ৰাজ্য বিচাৰে, BTAD য়ে 50/50 divide Assam ৰ কথা কয়। নৰ্থ কাছাৰ, কাৰ্বিআংলং তেওঁলোকে অসমৰ পৰা চেপেৰেচন বিচাৰে, চেপাৰেট জিলা বিচাৰে। গতিকে আমি যদি উন্নয়ন, সংস্থাপন আৰু সহৰস্থানৰ ফৰমূলাটো আগুৱাই লৈ যাও সহৰস্থানটো যদি সৰ্বাধিক গুৰুত্ব দিও মোৰ বোধৰে এই ডিমাণ্ডবোৰ নাহিব। আজি ৫ টা বছৰ আমি পাৰ কৰিলো বিধান সভাত, অহা বিধান সভাত আপুনি বিধায়ক হ'ব নে মই বিধায়ক হ'ম কোনেও কব নোৱাৰে। আমি বিধায়ক হোৱা নোহোৱাটো নিৰ্ভৰ কৰে আমাৰ নিজ নিজ পাৰ্টীৰ প্ৰতি থকা লয়লিটি, আনুগত্য আৰু ৰাইজৰ আমাৰ প্ৰতি থকা আস্থা। গতিকে আমাৰ মহামহিম ৰাজ্যপাল মহোদয়ৰ যিটো ভাষণ এই ভাষণৰ ওপৰত দিয়া আজিৰ যিটো বক্তব্য মোৰ আজিৰ এইটো শেষ বক্তব্য, ৫ বছৰ কাৰ্য্যকালৰ ভিতৰত আজি মোৰ শেষ বক্তব্য। কালিলৈ যিটো ফুদ এণ্ড একাউন্টৰ ওপৰত দিবেট হ'ব তাত আমাৰ দলৰ বেলেগে পাৰ্ট লব। গতিকে আজি কোনো ধৰণৰ দাতা বা দিবেট বা আৰ্গোমেন্ট এই বিলাকলৈ নগৈ মই মোৰ মনত কঢ়িয়াই লৈ ফুৰা এটা কথা আপোনাৰ জৰিয়তে মাননীয় সদনক জনাব বিচাৰিছোঁ। মই কথাটো ৰিপিট কৰিছোঁ যে অকল উন্নতিৰে অসমখন ধৰি ৰাখিব নোৱাৰে। Co-existence among the Communities লাগিব। Co-existence between the majority and minority Community লাগিব। আজি ৪০-৫০ বছৰে অসম খন এই majority and minority Community লৈ উত্তাল হৈ আছে। ১৯৭৯ ৰ পৰা ১৯৮৫ লৈ অসমত যিটো শংকা, ভয়, আস্থাৰ অভাৱ আমি ভুগিছিলো, এইবোৰ আমাৰ জন্মৰ আগৰ কাহিনী। তাৰ পৰিণতিত যিটো চুক্তি হৈছিল আসাম এগ্ৰিমেন্ট, ৫ টা বছৰে বাজেটে কওঁক বা মহামহিম ৰাজ্যপালৰ ভাষণে কওঁক এইটো ৰিফ্লেক হৈছে। হোৱাটো দৰকাৰ। চৰকাৰ বিজেপিৰ হওঁক কাৰ হওঁক সেইটো কথা নাই। আসাম একৰ্ড ৰিফ্লেকৰ দৰকাৰ। এইবাৰো ৰিফ্লেক হৈছে, মই এই ক্ষেত্ৰত চৰকাৰক ক্ৰিটিচাইজ কৰা নাই। কিমানখিনি সফল বিফল সেইখিনি ক'বলৈ যোৱা নাই। মই সহৰস্থানৰ কথাটো কবলৈ বিচাৰিছোঁ যে এই যে এটা নিৰ্দ্দিষ্ট কমিউনিটিৰ প্ৰতি ভয় মানুহৰ। এই ভয়টো আমি আঁতৰাব লাগিব। তাৰ কাৰণে আমাৰ অসমৰ বহুত ক্ষতি হৈছে। লেবানন এটা সৰু দেশ চেম চিভিল ৱাৰ হৈছিল লেবাননত, ১৯৭৫-৮৯ তাত খ্ৰীষ্টান আৰু মুছলিম কমিউনিটিৰ মাজত আস্থাহীনতাৰ অভাৱ হৈছিল, চিভিল

ৰাৰ হৈছিল, চেম চিটুৰেচন আমি পাৰ হৈ আহিছো ১৯৭৯-১৯৮৫ আমাৰ অসমত। আমি কিয় বুৰঞ্জীৰ পৰা শিক্ষা নলওঁ। আমি কিয় বুৰঞ্জী অধ্যয়নলৈ নাযাও। আমি কিয় গৰম গৰম ভাষণ দিওঁ, অমুক কমিউনিটি আমাক নালাগে, ৩৫ শতাংশ নালাগে, আমি কিয় কওঁ, এনেকৈ আমি অসম গঢ় দিব পাৰিম নেকি? সকলোকে আস্থাত লৈ চলিব লাগিব। এতিয়া মুল কথাটো হ'ল কি মেজৰিটি কমিউনিটিৰ মানুহে ভয় কি কৰে, মোৰ দুখ লাগে যোৰা পাৰ্লিয়ামেন্ট ইলেক্চনত এজন মানুহক কিবা জন্তুৰ মাংস খুৱাই দিয়া হ'ল, তাৰ ওপৰত গোটেই পাৰ্লিয়ামেন্ট ইলেক্চন চলি গ'ল, এইটো এটা ভয়ংকৰ দিশলৈ আমি অসমে গতি কৰি আছো। কাৰোবাৰ কাৰণে দেৱী, কাৰোবাৰ কাৰণে জন্তু। কোনে কি খাই খাই থাকিব, দ্ৰেচ ফুদ লৈ, ফুদ হেবিট লৈ বৰ্তমান অসমৰ পলিটিক্স চলি আছে। এইটো নাইকিয়া হ'ব লাগে। আমাৰ ভৱিষ্যত প্ৰজন্মক আমি কি বুলি কম। ১২৬ জন বিধায়ক আমি ইয়াত বহি অমুক অমুক জীৱ জন্তুৰ বিষয়ে আলোচনা কৰো, অমুক কমিউনিটিক গালি পাৰো, এইটো নহয়। অলপ আগত মাননীয় বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই যেতিয়া বাংলাত বক্তব্য দিছিল আমাৰ এজন চৰকাৰী পক্ষৰ এজন বিধায়কে কৈছে মই বুজি পোৱা নাই। আৰে ভাই বাংলা ৰিকগনাইজ লেংগুৱেজ। He has understand it.

**শ্ৰী মৃণাল শইকীয়া (খুমটাই)ঃ** ৰিকগনাইজ হলেও বুজি পোৱাটো উচিত নহয়।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** মৃণাল শইকীয়া, বহক না। কমলাক্ষ দে পুৰকায়স্থ আপুনি বহক। এক মিনিট বহক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈছা) ঃ** চাৰ, মই কোনো কন্ট্ৰোভাচি নকৰো।

**মাননীয় উপধ্যক্ষ ঃ** কন্ট্ৰোভাৰ্চি কথা একো নক'ব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈছা) ঃ** মই কৈছো যে অফিচিয়েল লেঙ্গুৱেজত এজন বিধায়কে কৈছে মই বুজি নাপালে বহি থাকিলে হ'ল। আমাৰ বি পি এফ বিধায়ক সকলে যেতিয়া বড়োত কয় মইটো বুজি নাপাও বহি থাকো। কাৰণ তেওঁলোকক সন্মান কৰিব লাগিব।

(হুলস্থূল)

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য (মন্ত্ৰী) ঃ** কোনোবা এজন বিধায়কে যিকোনো ভাষাতে ক'ব পাৰে, কিন্তু বিধান সভাৰ লাইনটো এইটো যেনেকৈ পাৰ্লিয়ামেন্টত কোনোৱাই যদি তামিলত কয় that should be translated to English or Hindi language and in here the Bodo or other languages should be translated to Assamese language.

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈছা) ঃ** চাৰ, মই ৪-৫ মিনিটত শেষ কৰি দিম। মই ভৱা নাই এনেকুৱা এটা যে কন্ট্ৰোভাৰ্চি হ'ব।

(হুলস্থূল)

**মাননীয় উপধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈছা) ঃ** মই কাকো ব্যক্তিগত ভাৱে এট্টেক্ট কৰিবলৈ কোৱা নাই, মই কৈছো আমি ১২৬ জন বিধায়কে সহাৱস্থান প্ৰক্ৰিয়াৰে যাব লাগে। এতিয়া উজনি, নামনি, যেনেকৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কয় বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম, উজনি-নামনি যেনেকৈ আমাৰ পাৰ্ট, বৰাক আমাৰ পাৰ্ট, পাহাৰ অঞ্চল আমাৰ পাৰ্ট সকলোৰে ভাষা-সংস্কৃতি বেলেগ বেলেগ হ'ব পাৰে সকলোকে লৈহে আমি অসম। অসম সমান নহয় কাৰণে আমি অসম। সেইটো চেন্টিমেন্টত মই কৈছো। গতিকে মই ক'ব বিচাৰিছিলো যে সহাৱস্থানৰ ফালে যদি আমি

আগবাঢ়ি নাযাওঁ ভৱিষ্যৎ প্ৰজন্মৰ ওচৰত আমি জবাবদিহি হ'ম। সেই কাৰণে মই কৈছো যে majority and minority Community ৰ মাজত সহাৰস্থানৰ এটা ফৰ্মূলাত আমি যাব লাগে। লেবাননৰ চিভিল ৰাৰৰ পিছত এটা এগ্ৰিমেন্ট হৈছিল ১৯৮৯ চনত এইটো টাইফ এগ্ৰিমেন্ট বুলি কোৱা হয়। আমাৰ যেনেকৈ ১৯৮৫ ৰ আসাম এগ্ৰিমেন্ট বুলি কোৱা হয়, তেওঁলোকৰ টাইফ এগ্ৰিমেন্ট বুলি কোৱা হয়। তাত তেওঁলোকে সংবিধান সংশোধন কৰিলে যিটো আমি কৰিব নোৱাৰো। মই কথাটোহে ৰাখিছো। তেওঁলোকে কৰিলে কি প্ৰেচিডেন্ট জন মেৰানাইট খ্ৰীষ্টানৰ কাৰণে ৰিজাৰ্ভ কৰিলে, প্ৰাইম মিনিষ্টাৰ জন চুন্নী মুছলিমৰ কাৰণে ৰিজাৰ্ভ কৰিলে, পাৰ্লিয়ামেন্টৰ অধ্যক্ষ জন চিয়া মুছলিমৰ কাৰণে ৰিজাৰ্ভ কৰিলে এতিয়া লেবাননত কোনো সংঘাত নাই। যিহেতুকে এটা Community ৰ জনসংখ্যা বৃদ্ধি হৈছে বুলি ধাৰণা কৰি অমুক Community ৰ মানুহ মুখ্যমন্ত্ৰী হৈ যাব বুলি ভয় দেখুৱাই পলিটিক্স কৰা হয়, গতিকে মোৰ এটা ব্যক্তিগত ধাৰণা যে এই ভয়তো আমি আঁতৰাব লাগিব। এই ভয়টো majority Community য়ে আতৰাই নিদিয়ে। যিহেতুকে ভয়টো minority Community লৈ, গতিকে আমি minority Community ৰ ফালৰ পৰা কব লাগিব আমি মুখ্যমন্ত্ৰী নহওঁ, আমি পপোলেচন কন্ট্ৰোলত আনিম, তেতিয়া সহাৰস্থানৰ ফালে আগবাঢ়ি যাম। সেই কথাটোহে মই ক'বলৈ বিচাৰিছো। মই বক্তব্য দীঘলীয়া নকৰো।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ ৯ মিনিট শেষ হৈছে আৰু এক মিনিট আছে কওঁক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈছা) ঃ** উপাধ্যক্ষ মহোদয়, গতিকে আজি যিহেতু অসম বিধান সভাৰ এজন বিধায়ক হিচাপে মোৰ এইটো শেষ বক্তব্য, গতিকে মই আশা কৰো এই ১২৬ জন বিধায়ক, কোন আহিব কোন যাব সেইটো পিছৰ কথা, আমাৰ মাজৰ পৰা এই মেচেজটো যাওঁক যে আমি সকলোকে লৈ আমি অসমীয়া অসম আমাৰ আমি অসমৰ এই চেন্টিমেন্টটো আমাৰ ফালৰ পৰা যাব লাগে। এই কথাখিনি কৈ মই মোৰ বক্তব্য শেষ কৰিছোঁ, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ডাঃ ৰণোজ পেগু ।

**ডাঃ ৰণোজ পেগু (ধেমাজী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছোঁ, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰশ্ন আহিছে তাত মোৰ কব লগীয়া এইটোৱে যে যোৱা ৫ টা বছৰে, ৫ টা বছৰ সম্পূৰ্ণ হোৱা নাই, কেইটামান মাহ বাকী, কাৰ্য্যকালটোত চাবলৈ গলে অসমত উন্নয়নৰ বৰষুণ। সকলো ক্ষেত্ৰত কি আন্তঃগাঠনিয়ে হওঁক, চাৰ্ভিচ চেক্টৰে হওঁক বা কল্যাণ মূলক আঁচনি সমূহৰ ক্ষেত্ৰতে হওঁক এক প্ৰকাৰ উন্নয়নৰ জোৱাৰ হ'ল, উন্নয়নৰ বৰষুণ হ'ল। এক হাজাৰ খন কাঠৰ দলং পকী হ'ল, সকলো ফালে ৰাস্তা বিলাক পকী হৈছে, যি ঠাইলৈ যাবলৈ ৭০ বছৰে কোনো যোগাযোগ যাতায়ত ব্যৱস্থা নাছিল, সেই ঠাইলৈ যাতায়াত ব্যৱস্থা সুন্দৰ হ'ল। যিবিলাক ঠাইত প্ৰত্যেক বছৰে বানপানী হৈছিল সেই ঠাইবোৰতো আমাৰ চৰকাৰে বান প্ৰতিৰোধ কৰিবলৈ সক্ষম হৈছে, খহনীয়া প্ৰতিৰোধ কৰিবলৈ সক্ষম হৈছে আৰু কল্যাণমুখী আঁচনি সমূহ যদি আমি চাওঁ অৰুণোদয়ৰ পৰা অৰুনধূতি, স্বয়ম, কনকলতা মানে আঁচনি সমূহ কৈ কৈ আমি শেষ কৰিব নোৱাৰাৰ নিচিনা এটা অৱস্থা সৃষ্টি হৈছে আৰু যিবিলাক সমাজ, বছৰৰ পিছত বছৰ ধৰি চৰকাৰী উন্নয়নৰ পৰা কল্যাণৰ পৰা অৱহেলিত হৈ আছিল, সেই মাৰ্জিনালাইজ চেক্চন বিলাক আমাৰ চৰকাৰৰ দিনত সাংঘাটিক ধৰণে তেওঁলোক উপকৃত হৈছে। স্বাস্থ্য খণ্ডত ব্যাপক পৰিৱৰ্তন হ'ল, শিক্ষা খণ্ডত ব্যাপক পৰিৱৰ্তন হ'ল। স্বাভাৱিকতে ইমান বিলাক আঁচনি যেতিয়া ৰূপায়ণ হৈ আছে, আমাৰ বাজেট ধায্যৰ ব্যয়ৰ পৰিমান ৮৩ হাজাৰ কোটিৰ পৰা আহি আহি ২০২০-২০২১ ত এক লাখ ২২ হাজাৰ কোটি স্পৰ্শ কৰিলে। এই সময়ত কিছুমান ঠাইৰ মোৰ

বন্ধুৱে প্ৰশ্ন কৰে যে ইমান বিলাক পইচা তহঁতৰ চৰকাৰ খনে কৰ পৰা পাইছে? ইমান বিলাক উন্নয়নৰ কাম কৰিবলৈ এই চৰকাৰ খনে পইচা কৰ পৰা পাইছে? আগত আমাৰ এটা বিত্তীয় ব্যৱস্থা আছিল, যিটো এক ধৰণৰ জোৰা টাপলি মৰা ব্যৱস্থা। স্বাভাৱিকতে ইমান বিলাক আঁচনি যেতিয়া ৰূপায়ণ হৈ আছে, আমাৰ বাজেট ধাৰ্য্য ব্যয়ৰ পৰিমাণ ৮৩ হাজাৰ কোটি টকাৰ পৰা আহি আহি ২০২০-২১ চনত ১ লাখ ২২ হাজাৰ কোটি স্পৰ্শ কৰিলে। এই সময়ত কিছুমান ঠাইত মোৰ বন্ধুৱে প্ৰশ্ন কৰে যে ইমান বিলাক পইচা তহঁতৰ চৰকাৰখনে ক'ৰ পৰা পায়? ইমান বিলাক উন্নয়ণৰ কাম কৰিবৰ কাৰণে চৰকাৰখনে পইচা ক'ৰ পৰা পাইছে? আগত আমাৰ এটা বিত্তীয় ব্যৱস্থা আছিল যিটো একধৰণৰ যোৰা-টাপলি মৰা ব্যৱস্থা। মই বহু সময়ত দিছপুৰলৈ বা চৰকাৰী অফিচলৈ যেতিয়া ৰাইজৰ বিভিন্ন দাবী বা সমস্যা লৈ আহো প্ৰায়ে উত্তৰ থাকে যে এইটো শিতানত পইচা নাই, এইটো শিতানত পুঁজি নাই, কিন্তু আজি সেই পইচা নাই, পুঁজি নাই কথাবিলাক নোহোৱা হৈ নিজে নিজে আন্দোলন নকৰাকৈ, দাবী নকৰাকৈ আমাৰ ওচৰলৈ আঁচনি বিলাক আহিছে আৰু আমাৰ সমস্যা বিলাক সমাধান হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এইটো আমাৰ চৰকাৰখনে কি কাৰণে কৰিবলৈ সক্ষম হৈছে মই এই বিষয়ে দুটামান কথা ক'ব বিচাৰিছো। ২০০৫ চনত গোটেই বিত্তীয় ব্যৱস্থাটোক এটা শৃংখলাৰ মাজলৈ আনিবৰ কাৰণে এইখন বিধান সভাই এখন আইন পাচ কৰিছিল। যিখনক আমি Assam fiscal Responsibility and Budget Management Act (AFRBM) বুলি জানো। যিকোনো চৰকাৰৰ সফলতাৰ মূল চাবিকাঠি হৈছে বিত্তীয় শৃংখলা অৰ্থাৎ বিত্তীয় সঠিক ব্যৱস্থাপনা। এই আইনখন আনি এটা বিত্তীয় শৃংখলা আনিবলৈ ব্যৱস্থা কৰিছিল যদিও এই চৰকাৰখন অহাৰ পাছত মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়া, বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই সময়খিনিত ইমান সুন্দৰ এটা বিত্তীয় ব্যৱস্থা এই চৰকাৰখনে গঢ়ি তুলিলে যিটো ব্যৱস্থাৰ ফলস্বৰূপে আমাৰ ৰাজহৰ পৰিমাণ প্ৰত্যেক বছৰে বাঢ়ি আহি আছে। আহি থকাৰ কাৰণে এটা যোৰা-টাপলি মৰা বিত্তীয় ব্যৱস্থাৰ পৰা আমি এতিয়া এটা সু-শৃংখলিত বিত্তীয় ব্যৱস্থালৈ আহিবৰ কাৰণে সক্ষম হ'লো। এই সময়চোৱাত আমাৰ গোটেই বিত্তীয় ব্যৱস্থাপনাৰ ডিজিটাইলাইজেশ্যন হৈছে, Integrated Financial Management Informatic System প্ৰযোজিত হৈছে আৰু সকলোখিনি কাম সম্পূৰ্ণ স্বচ্ছতাৰে বিত্ত বিভাগে কৰিছে। সামগ্ৰিকভাৱে যদি চাওঁ চৰকাৰখনৰ যিসমূহ বিভাগ থাকে এই বিভাগ সমূহক মই সাধাৰণতে তিনিটা ভাগত ভাগ কৰি যদি চাওঁ এটা কেটেগৰী হ'ল যিখিনি বিভাগে চৰকাৰৰ ৰাজকোষলৈ তেওঁলোকে ৰাজহ সংগ্ৰহ কৰি আনে যেনে - বিত্ত বিভাগ, আবকাৰী বিভাগ, পৰিবহণ বিভাগ, বন বিভাগ ইত্যাদি। কিছুমান বিভাগ আছে যিবিলাকে আন্তঃগাঁথনি উন্নয়ণৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি সমূহ ৰূপায়ণ কৰে। যেনে- লোক নিৰ্মাণ বিভাগ, জলসম্পদ বিভাগ। আন কিছুমান বিভাগ যেনে - কৃষি, পশুপালন, ট্ৰেড এণ্ড কমাৰ্চ, ফিচাৰী, চেৰিকালচাৰ এই বিভাগ বিলাকে দেশৰ জি.ডি.পি বৃদ্ধিৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি লৈ তেওঁলোকে কাম কৰে। আমি যদি পৃষ্ঠাই পৃষ্ঠাই মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণ পঢ়ো তেতিয়াহ'লে আমি দেখা পাওঁ যে আমাৰ প্ৰত্যেকটো বিভাগত ৰাজহ যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে যাৰ কাৰণে আমি *৮৩ হাজাৰ কোটি টকাৰ বাজেটৰ পৰা আহি আমি ১ কোটি ২২ লাখ টকাৰ* বাজেট এখন আমি অসমৰ ৰাইজক উপহাৰ দিবলৈ সক্ষম হৈছো। এইটো আমাৰ বহুত ডাঙৰ সফলতা। এই সফলতাৰ কাৰণে আমি এখন সুন্দৰ বিত্তীয় ব্যৱস্থাৰ দেশ হিচাবে আমি সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত স্থান পাবৰ কাৰণে সক্ষম হৈছো। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই

প্ৰায়েই কয় যে আমাৰ লক্ষ্য হ'ল অসমক ভাৰতবৰ্ষৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰা আৰু সেই ভাৰতবৰ্ষৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্য হ'বলৈ আমি গৈ আছো। ইয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে ধন্যবাদ জনাম যে যিটো যোৰা-টাপলি মৰা আগৰ বিত্তীয় ব্যৱস্থাৰ ঠাইত এতিয়া এটা সু-শৃংখলিত বিত্তীয় ব্যৱস্থা এই চৰকাৰখনে প্ৰৱৰ্তন কৰিলে। দ্বিতীয় ঘটনাটো হ'ল যে দেশৰ ঘৰুৱা উৎপাদন বাঢ়িব লাগিব। মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণক যদি আমি পঢ়ি চাওঁ, মই এতিয়া উদ্ধৃতি দিব নিবিচাৰো প্ৰত্যেকটো খণ্ডত আমাৰ উৎপাদন যোৱা চাৰিটা বছৰত বাঢ়িছে । যেনে ধান, মাহ, মাছ, গাখীৰৰ উৎপাদন বাঢ়িছে। যেতিয়া আমাৰ এই ঘৰুৱা উৎপাদন বাঢ়িছে তাৰ কাৰনে আজি আমাৰ জি.ডি.পি. সৰ্বভাৰতীয় 6.11% আছে সৰ্ব্বভাৰতীয় নিৰিখতকৈ আমাৰ অসমৰ ঘৰুৱা উৎপাদনত আমি আজি ওপৰত আছো অৰ্থাৎ আমি ভাৰতবৰ্ষৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ কাৰণে আমি গৈ আছো। এই যি সফলতা এইখিনিৰ কথাটো হ'ল যে আমাৰ অসমৰ এই চৰকাৰখনৰ আটাইতকৈ ডাঙৰ সফলতা। আমি জি.ডি.পি বঢ়াব পাৰিছো, আমাৰ বাজেটত ধাৰ্য্য কৰা যি ব্যয় এই ব্যয়ৰ পৰিমাণ আমি বঢ়াব পাৰিছো। আমি চৰকাৰখনে লক্ষ্য স্থিৰ কৰিছিলো অসমক বিদেশীমুক্ত কৰিব, অসমক সন্ত্ৰাসবাদ মুক্ত কৰিব, অসমক দূৰ্নীতিমুক্ত কৰিব, অসমক প্ৰদূষণ মুক্ত কৰিব। যোৱা সময়চোৱাত আমাৰ চৰকাৰখনে অসমৰ ৰাস্তা-ঘাটৰ চেহেৰা সম্পূৰ্ণৰূপে পৰিৱৰ্তন কৰিলে। সত্তৰ বছৰে গাঁৱে-ভূঞে যি ঠাইলৈ ৰাস্তা নাছিল সেই ঠাইলৈ ৰাস্তা হ'ল। মোৰ সমষ্টিত চিচিক'ল ঘৰ বুলি এখন অঞ্চল আছিল বৃটিছৰ দিনত বহুত বিখ্যাত ঠাই আছিল। তাত বৃটি ছৰ দিনত কাঠৰ মিল, বৃটিছৰ জাহাজঘাট আছিল। কিছুদিন তালৈকে বাছ চলিছিল যদিও ৰঙা বাছ যি বন্ধ হ'ল হয়েই গ'ল। কিন্তু আমাৰ চৰকাৰ অহাৰ পিছত সেই নদীখনৰ ওপৰত এতিয়া এখন, দুখন নহয় পাঁচখনকৈ দলং নিৰ্মাণ হৈছে আৰু পুনৰ যাতায়াত ব্যৱস্থা মুকলি হৈছে। কিন্তু এতিয়াও আমাৰ অসমত দুটা সমস্যা হৈ আছে এটা হৈছে বানপানী আৰু আনটো হৈছে গৰাখহনীয়া। আজি যেনেদৰে এইখন চৰকাৰে ৰাস্তাক ফ'কাচ কৰি যাতায়াতৰ সমস্যা সমাধান কৰিবলৈ সক্ষম হ'ল, মোৰ দৃঢ় বিশ্বাস এইখন সমস্যা পুনৰ ক্ষমতালৈ আহিব আৰু অহা পাঁচটা বছৰত এই চৰকাৰখনে বানপানী আৰু গৰাখহনীয়াৰ সমস্যাক ফ'কাচ হিচাপে লৈ কাম কৰিব আৰু চৰকাৰখনে যোৱাবাৰ যি চাৰিটা লক্ষ্য স্থিৰ কৰি লৈছিল বিদেশীমুক্ত, সন্ত্ৰাসবাদমুক্ত, দুৰ্নীতিমুক্ত, প্ৰদূষণ মুক্ত আৰু তাৰ লগত সংযোজিত হ'ব বানপানী মুক্ত অসম। এই চৰকাৰখনে অসমক বানপানী মুক্ত আৰু গৰাখহনীয়া কৰিব পাৰিব। সেইকাৰণে মাননীয় ৰাজ্যপাল মহোদয়লৈ আমি সকলোৰে তৰফৰ পৰা ধন্যবাদ জনাই আৰু এই চৰকাৰখন যাতে ২০২১ চনত পুনৰবাৰ নিৰ্ব্বাচিত হৈ আহে তাকে কামনা কৰি মই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ প্ৰতি আমাৰ শাসকীয় দলৰ বিধায়ক মাননীয় সদস্য শ্ৰী দেবানন্দ হাজৰিকা ডাঙৰীয়াৰ ভাষণত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাৰ প্ৰতি সমৰ্থন জনাই মই কিছু কথা ক'ব বিচাৰিছো। ২০১৬ চনত বি জে পি নেতৃত্বাধীন মিত্ৰজোঁটৰ হোৱাৰ পিছত বিগত চাৰে চাৰিটা বছৰত অসমৰ সামগ্ৰিক উন্নয়ণ আৰু বিকাশৰ ক্ষেত্ৰত যিধৰণে পদক্ষেপ গ্ৰহণ কৰিছে মই ভাৱো যে ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পিছতও কোনো চৰকাৰে সেই সময়ত তেনেধৰণে উন্নয়ণ সাধন কৰিবলৈ সক্ষম হোৱা নাছিল। মই বিশেষ ভাৱে বি জে পি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰৰ

মুৰব্বী শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ লগতে বিত্তমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো আৰু বিশেষভাৱে আজি মহামাণ্য ৰাজ্যপাল মহোদয়ৰ ভাষণত অসমৰ সামগ্ৰিক উন্নয়ণ কি ভাৱে সাধিত হৈছে বা বিভিন্ন বিভাগে কি ধৰণে অসমৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত ব্যৱস্থা বা আঁচনি গ্ৰহণ কৰিছে সেই সম্পৰ্কত প্ৰতিফলিত হৈছে। আমি দেখিছো যে বিশেষভাৱে আজি যিকেইটা গুৰুত্বপূৰ্ণ বিভাগ আছে সেই বিভাগ সমূহে তেওঁলোকৰ বিভাগত কেন্দ্ৰীয় চৰকাৰৰ পৰাই হওঁক বা ৰাজ্য চৰকাৰৰ পৰাই হওঁক বিভিন্ন ধৰণৰ আঁচনি আজি আনিবলৈ সক্ষম হৈছে আৰু সেইয়া কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰতো বিভাগ বিলাক বিশেষভাৱে সক্ষম হৈছে। যদি আমি পোনতে কৃষি বিভাগটো চাবলৈ যাওঁ তেনেহ'লে আমি দেখিবলৈ পাওঁ যে সত্তৰ শতাংশতকৈও অধিক লোক জীৱিকাৰ বাবে এই কৃষি খণ্ডৰ লগত জড়িত। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই বিশেষভাৱে ২০২২ চনলৈকে কৃষক সকলৰ উপাৰ্জন দুগুণ কৰাৰ যিটো পৰিকল্পনা সেই পৰিকল্পনা বাস্তৱত সফল ৰূপ দিয়াৰ ক্ষেত্ৰত ইতিমধ্যে কৃষি বিভাগে বিভিন্ন ধৰণৰ অভিলাষী আঁচনি গ্ৰহণ কৰিছে। আমি যদি বিগত চাৰিটা বছৰ চাওঁ তেনেহ'লে আমি দেখিবলৈ পাওঁ যে আমাৰ ৰাজ্যত খাদ্য শস্যৰ যি উৎপাদন ২০১৫-১৬ বৰ্যত ৫১.২৫ লাখ মেট্ৰিকটন, ২০১৭-১৮ বৰ্যত ৫৫.২৬ লাখ মেট্ৰিকটন, ২০১৯-২০ বৰ্ষত ৫৮.৪৪ লাখ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে। গতিকে দেখা গৈছে যে ৫১.২৫ লাখ মেট্ৰিকটনৰ পৰা ২০১৯-২০ বৰ্যত ৫৮.৪৪ লাখ মেট্ৰিকটনলৈ খাদ্য শস্যৰ উৎপাদনবৃদ্ধি পাইছে। আজি বিশেষভাৱে কৃষিখণ্ডত বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ 'ফচল বিকাশ যোজনা' এখন গুৰুত্বপূৰ্ণ আঁচনি। আমাৰ যিসকল কৃষক আছে সেই আঁচনিৰ সহায়ত এই কৃষক সকলে যি প্ৰিমিয়াম দিব লাগে, এই প্ৰিমিয়ামৰ ওপৰত ৰাজ্য চৰকাৰে সম্পূৰ্ণ ৰাজ সাহাৰ্য্য আগবঢ়াইছে আৰু তাৰ লগে লগে প্ৰতি গৰাকী কৃষকৰ বিপৰীতে এক হেক্টৰ ভূমি বিনা প্ৰিমিয়াম চৰকাৰে বহন কৰিব আৰু সংশ্লিষ্ট কৃষক গৰাকীয়ে মাত্ৰ এটকা প্ৰিমিয়াম দিব লাগিব। ইয়াৰ ফলত মই ভাৱো যে কৃষক সকল এই আঁচনিৰ জৰিয়তে নিশ্চয় যথেষ্ট লাভান্বিত হ'ব। ঠিক তেনেদৰে মুখ্যমন্ত্ৰীৰ 'সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' ৰ জৰিয়তে ইতিমধ্যে এই আঁচনি খন ২০১৭ চনৰ পৰা আৰম্ভ হৈছিল আৰু প্ৰত্যেকখন ৰাজহ গাওঁত কৃষক গোটক একোখনকৈ টেক্টৰ দিয়া হৈছিল আৰু এই আঁচনিৰ অধীনত কৃষক গোটৰ মাজত প্ৰায় ১২,৫০০ খন টেক্টৰ বিতৰণ কৰা হৈছিল। এই যে খাদ্য শস্য উৎপাদিত হ'ল এই খাদ্য যাতে বজাৰত বিক্ৰী কৰিব পাৰে, বজাৰখনৰ লগত যাতে এটা যোগাযোগ স্থাপন কৰিব পাৰে তাৰবাবে ইতিমধ্যে কৃষি বিভাগে ১,০০০ মিনি ট্ৰাক যোগান ধৰাৰো প্ৰস্তাৱ লৈছিল আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত অনুমোদন জনাইছে। আজি অসমত কৃষিৰ ক্ষেত্ৰত এক সেউজ বিপ্লৱ আৰম্ভ হৈছে। এনেধৰণে যদি আমি কৃষক সকলৰ স্বাৰ্থৰ ক্ষেত্ৰত খাদ্য শস্যৰ উৎপাদন বৃদ্ধি যাতে খেতিয়কসকলে উচিত মূল্যত এই খাদ্য সামগ্ৰী সমূহ বিক্ৰী কৰিব পাৰে তাৰবাবে এখন বজাৰ সৃষ্টি কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি নিশ্চয় গ্ৰহণ কৰিব লাগিব। যিহেতু প্ৰত্যেকখন জিলাত কেঁচা সামগ্ৰী উৎপাদিত হোৱাৰ পিছত সেই সমূহ বিক্ৰীৰ কাৰণে ততাতৈয়াকৈ এখন বজাৰ নোপোৱাৰ কাৰণে প্ৰত্যেকখন জিলাতে একোটাকৈ শীতল ভঁৰাল নিৰ্মাণৰ কাৰণে ইতিমধ্যে আমাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ফলত মই ভাৱো যে কৃষক সকলৰ আজি বহুত বছৰৰ পৰা যি দুৰ্যোগ ভুগিছিল সেই দুৰ্যোগৰ পৰা নিশ্চয় পৰিত্ৰাণ পাব। ঠিক তেনেকৈ আমাৰ এই কৃষি বিভাগৰ ৰ লগত আৰু এটা বিভাগ জড়িত হৈ আছে সেইটো হ'ল জলসিঞ্চন বিভাগ। আমাৰ এইখন চৰকাৰৰ কৃষি বিভাগেই হওঁক বা জলসিঞ্চন বিভাগৰ কাৰণেতেই হওঁক যিবিলাক ঠাইত বিশেষভাৱে খৰাং ত খেতি কৰিব পৰা অৱস্থাৰ সৃষ্টি হোৱা নাছিল সেই

ঠাই সমূহত এতিয়া খেতিয়ক সকলে বছৰেকত অতি কমেও দুটাকৈ খেতি কৰিব পৰা অৱস্থাৰ সৃষ্টি হৈছে। এইক্ষেত্ৰত কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰিবলৈ হ'লে আমাৰ কৃষি বিভাগটো যথেষ্ট শক্তিশালী কৰি তুলিব লাগিব। আমাৰ কৃষকসকল যদিহে স্বাৱলম্বী হ'ব পাৰে তেনেহ'লে অসমখন স্বাৱলম্বী হোৱাত যথেষ্ট সহায়ক হ'ব বুলি ভাৱো। ঠিক সেইদৰে আমি যদি উন্নয়ন বিকাশৰ কথা কওঁ তেনেহ'লে অসমত লোক নিৰ্মাণ বিভাগে ৰাস্তা-পদূলিৰ ক্ষেত্ৰত যিধৰণে ব্যৱস্থা গ্ৰহণ কৰিছে সেই ক্ষেত্ৰত বিভাগটোৱে অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। ২০১৬ চনৰ পৰা লোক নিৰ্মাণ বিভাগৰ দায়িত্বত থকা মাননীয় শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই ৰাস্তা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰত যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু পৰৱৰ্ত্তী সময়ত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই বিভাগৰ দায়িত্ব গ্ৰহণ কৰে আৰু আমাৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম সকলোতে যিধৰণে সম-উন্নয়ন সাধন কৰিছে মই ভাৱো বিগত দিনত এইধৰণে সম-উন্নয়ন সাধন হোৱা নাছিল। আজি যদি আমি অসম-মেঘালয়ৰ সীমান্তৱৰ্ত্তী এলেকাৰ লগতে বিভিন্ন ঠাইৰ সীমান্তৱৰ্ত্তী এলেকা চাওঁ তেনেহ'লে তাত ৰাস্তা-ঘাট নিৰ্মাণ কৰি উন্নতি সাধন কৰিছে। মোৰ সমষ্টিকেই যদি মই উদাহৰণ হিচাপে লওঁ লখৰাৰ পৰা জালুকপাহাম অসম-মেঘালয়ৰ সীমান্তৱৰ্ত্তী এলেকাৰ ২১ কিলোমিটাৰ ৰাস্তাটো পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত লোক নিৰ্মাণ বিভাগে আৰ্থিক অনুদান দি পি. এম. জি. এচ.ওৱাইৰ জৰিয়তে তেনেধৰণৰ ৰাস্তা নিৰ্মাণ কৰিবৰ কাৰণে সক্ষম হৈছে। আজি পি. এম. জি. এচ.ওৱাইৰ জৰিয়তেই হওঁক বা বিভিন্ন ধৰণৰ ফাইনেনচিয়েল ইন্সটিটিউট বা বিভিন্ন ধৰণেৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি আনি বিশেষভাৱে ৰাষ্টা-ঘাটৰ যি উন্নয়ন কৰিবৰ কাৰণে আজি এইখন চৰকাৰ সক্ষম হৈছে। তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু মাননীয় গড়কাপ্তানী বিভাগক ধন্যবাদ জ্ঞাপন কৰিছো আৰু মই ভাৱো আজি উন্নয়নৰ যি এটা যাত্ৰা আৰম্ভ হৈছে, এই যাত্ৰাটো যদি অব্যাহত ৰাখিব লাগে তেনেহ'লে অসমৰ জনসাধাৰণে এই চৰকাৰখনক অনাগত দিনতো নিশ্চয় এই শাসনৰ গাডীত বহুৱাব লাগিব আৰু জনসাধাৰণে ইতিমধ্যে এই মিত্ৰজোঁটৰ চৰকাৰ খনকে পুনৰ ক্ষমতাত অনাৰ কাৰণে তেওঁলোকে চিন্তা-চৰ্চা আৰম্ভ কৰিছে। মই আশা ৰাখিছো যে এনেধৰণে আমি যদি নিকা উন্নয়নৰ ক্ষেত্ৰত আৰু জনকল্যাণমূলক আঁচনি যদি গ্ৰহণ কৰো তেনেহ'লে নিশ্চয় আমি অসমখনক এটা দ্ৰুত উন্নয়নৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সক্ষম হ'ম। আজি আমাৰ অসমৰ মুল সমস্যা হৈছে বান আৰু গড়াখহনীয়াৰ সমস্যা। এই সমস্যাটো সমাধানৰ ক্ষেত্ৰতো আমি বিগত বহু বছৰ চালো। বহু কেন্দ্ৰত চৰকাৰ থাকিল। কিন্তু আজি বিশেষভাৱে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আন্তৰিকতাৰ কাৰণে আজি বান গড়াখহনীয়াৰ ক্ষেত্ৰত অধিক পুঁজি দিবৰ কাৰণে সক্ষম হৈছে। আজি ৰাজ্য চৰকাৰেও নিজৰ ৰাজহৰ পৰা পুঁজি দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। আজি অসমত বান গড়াখহনীয়াৰ যিটো সমস্যা, এই সমস্যাটো চাৰিটা বছৰত শেষ কৰিব পৰা সমস্যা নহয়। সেইটোৰ কিছু সময় লাগিব আৰু এই সময়খিনিৰ ভিতৰত মই নিজে উপলব্ধি কৰিছো যে বিশেষভাৱে আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰীয়েও বলিষ্ঠ পদক্ষেপ লৈ ইতিমধ্যে যথেষ্টখিনি আঁচনি গ্ৰহণ কৰি সেই আঁচনিসমূহ ইতিমধ্যে ৰূপায়ণ কৰিছে। গতিকে মই ভাৱো, যে এনেধৰণে যদি আমি আগবাঢ়ো, তেতিয়াহ'লে নিশ্চয় অসমখনক উন্নতিৰ জখলালৈ আগবঢ়ায় নিয়াৰ কাৰণে সক্ষম হ'ম। আজি বিভিন্ন বিভাগ আছে। আজি হস্তভাঁত বিভাগ হওঁক, ফিচাৰী বিভাগ হওঁক, বন বিভাগ যিবিলাক বিভাগ আছে, সেই বিভাগ সমূহেও আজি অসমৰ উন্নয়নৰ ক্ষেত্ৰত, প্ৰগতিৰ ক্ষেত্ৰত বিশেষ আঁচনি লৈ আজি দুখীয়া পৰিয়াল বিলাকক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ কাৰণে যি

জনকল্যাণমূলক আঁচনি গ্রহণ কৰিছে, তাৰ ফলত আজি দুখীয়া পৰিয়াল বিলাকো যথেষ্ট উপকৃত হৈছে। আজি অসমৰ দুখীয়া মানুহ বিলাকক অৰ্থনৈতিকভাৱে আগবঢ়ায় নিয়াৰ ক্ষেত্ৰত স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত এইখন চৰকাৰে আজি বিভিন্ন জনকল্যাণমূলক আঁচনি লৈছে। আজি অৰ্ন্তদয়া, অৰুণোদয় বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। আজি ড$^{0}$ বাণীকান্ত কাকতিৰ নামতো বিশেষভাৱে হাইয়াৰ চেকেণ্ডাৰীৰ যিবিলাক মেধাবী ছাত্ৰী, সেই সকলকো স্কুটি দিয়াৰ ব্যৱস্থা লৈছে। বিভিন্ন পৰিকল্পনা হাতত লৈছে। আজি পঞ্চায়ত গ্ৰাম উন্নয়নৰ জৰিয়তেও বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। আজি যিবিলাক জলকল্যাণমূলক আচঁনি গ্ৰহণ কৰা হৈছে আজি হিতাধিকীৰী সৃষ্টি কৰা বুলি কিছুমানে ক'ব বিচাৰে। সমাগত কাৰণেও এনেধৰণৰ আঁচনি লোৱা বুলি কিছুমানে ক'ব বিচাৰে। কিন্তু আমি দেখিছো এই আঁচনি বিলাকৰ জৰিয়তে আজি বিশেষভাৱে যিখিনি দুৰ্বল শ্ৰেণীৰ মানুহ আছে সেই দুৰ্বল শ্ৰেণীৰ মানুহখিনি আজি যথেষ্ট ভাৱে উপকৃত হৈছে। আজি অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰতো তেওঁলোক যথেষ্টভাৱে  সফল হৈছে। গতিকে এইবিলাক কোনোবাই হয়তো ক'ব পাৰে যে আমি হিতাধিকাৰী সৃষ্টি কৰি ভোট বেংকৰ কাৰণে আমি এনেধৰণে কৰিছো বা ৰাজ্য চৰকাৰে এনধৰণে কৰিছে, এইটো কেতিয়াও হ'ব নোৱাৰে। আজি মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট পাঠ কৰিছিল তেতিয়া এই কথাটো তাত প্ৰতিফলিত হৈছিল। এইটো দুই তিনিমাহৰ কাৰণে নহয়। নিৰ্বাচনৰ কাৰণে নহয়। পৰৱৰ্ত্তী সময়তো যে এই আঁচনিসমূহ অব্যাহত থাকিব সেই কথাটোৰ ইংগিত আজি দিছে। গতিকে মই ভাবো যে এনেধৰণৰ আঁচনিয়ে আমাৰ যিসকল বি পি এল শ্ৰেণীৰ মানুহ আছে এই বি পি এল শ্ৰেণীৰ পৰিয়াল সমূহক আমি সদায় আমাৰ ৰাজ্য চৰকাৰে বি পি এল কৰি ৰাখিব বিচৰা নাই। তেওঁলোকে যাতে বি পি এল ৰ ওপৰত গৈ মধ্যবিত্ত শ্ৰেণীৰ শাৰীত পৰিব পাৰে, তাৰ বাবে তেনে ধৰণৰ আঁচনি গ্ৰহণ কৰি বিশেষভাৱে আগবঢ়াৰ চিন্তা-চৰ্চা কৰিছে। মোৰ আৰু ক'বলগীয়া আছিল, কিন্তু সময়ৰ কথা আছে। বিশেষভাৱে মহামান্য ৰাজ্যপালৰ যি ভাষণ, এই ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱত সমৰ্থন জনাই মোৰ ক'বলগীয়াখিনি এইখিনিতে সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীচৰণ বড়ো।

**শ্ৰীচৰণ বড়ো (মাজবাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ে যি সদনত ভাষণ দিছিল, এই বিষয়টোকে ধন্যবাদসূচক প্ৰস্তাৱটো মই সমৰ্থন জনাই দু-ষাৰমান বক্তব্য দিবলৈ ওলাইছো। এইখন চৰকাৰৰ মূলমন্ত্ৰ আছিল দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদূষণমুক্ত। এইক্ষেত্ৰত যথেষ্ট সফল হৈছে। দুৰ্নীতি আমি ৰোধ কৰিব পাৰিছো। আজি প্ৰশাসনিক বিষয়ত স্বচ্ছতা আহিছে, নিয়োগৰ ক্ষেত্ৰত স্বচ্ছতা আহিছে। এইক্ষেত্ৰত আমি ধন্যবাদ যাচিব লাগিব। ঠিক একেই মন্ত্ৰৰে সন্ত্ৰাসবাদমুক্ত এই মন্ত্ৰৰ যোগেদি যিহেতু আমি সকলোৱে জানো যোৱা ২৭ জানুৱাৰী, ২০২১ যিহেতু এটা Bodo Peace Accord হ'ল। এই Bodo Peace Accord ত এন ডি এফ বি ৰ যি চাৰিওগোট, তেওঁলোকক যথেষ্ট বিশ্বাস দি, কাৰোবাক ম্যানমাৰৰ পৰা অনা হ'ল, কাৰোবাক জেলৰ পৰা লৈ যোৱা হ'ল, তেনেকুৱা এই Accord কৰা হ'ল। কিন্তু Accord টো কৰাৰ পিছত যিহেতু ইতিমধ্যে একবছৰ পাৰ হৈ গ'ল। তেওঁলোকক বহুত আশা দিয়া হৈছিল যে, তেওঁলোক সকলোকে rehabilitate কৰা হ'ব, তাৰ পিছত তেওঁলোকৰ সকলো কেচ with-draw কৰা হ'ব আৰু তাৰবাবে যিসকল জেলত আছে, এই জেলত থকা সকলকো জেলৰ পৰা উলিয়াই দিয়া হ'ব। কিন্তু আমি এতিয়া দেখি দুখ পাইছো, বৰ্তমান তেওঁলোকৰ যি case with-drawal এইখিনিৰ ব্যৱস্থা এতিয়ালৈকে কৰা হোৱা নাই আৰু বহুত এন ডি এফ বি ৰ কেডাৰ সকলে আমাক জনাইছে যে তেওঁলোকৰ case withdrawal টো বাদ দিয়ক। তেখেতসকলক

warrent হে পঠাই আছে তেওঁলোকক warrent দি বহুতক হাৰাশাস্তি দি আছে। এই কথাটো দুখৰ বিষয় আৰু rehabilitation ৰ ক্ষেত্ৰত, rehabilitation তেওঁলোকৰ এবছৰ যিহেতু ইতিমধ্যে হৈছে, rehabilitation এতিয়ালৈকে হৈ যাব লাগিছিল। কিন্তু আমি বৰ্তমান দেখিছো তেওঁলোকৰ যিমানখিনি কেডাৰ আছিল, বোধহয় কিছু পৰিমাণক দিয়া হৈছে। কিন্তু এতিয়াও বহুত কেডাৰে rehabilitation পোৱা নাই। তাৰ কাৰণে যদি আমি এই বস্তুটো কৰিব নোৱাৰো, তেখেত সকলক আমি বিশ্বাস দিব নোৱাৰিম আৰু এটা কথা যিহেতু ৰঞ্জন দৈমাৰী তেখেতক জেলৰ পৰা লৈ গৈ এই চুক্তিত স্বাক্ষৰ কৰিবৰ কাৰণে লৈ যোৱা হৈছিল, কিন্তু চুক্তি স্বাক্ষৰ কৰাৰ পাছতে এমাহৰ পাছত তেখেতক আকৌ জেলত ৰখা হ'ল। ইয়াৰ পৰা মই এইটোকে ক'ব বিচাৰিছো যে, এইখিনি বিশ্বাস আমি ৰাখিব নোৱাৰো, তেওঁলোকক কথা দিয়াৰ পিছত এটা শান্তি চুক্তি কৰাৰ পাছত যদি তেওঁলোকৰ বিশ্বাস ৰাখিব নোৱাৰে তেতিয়াহ'লে আমাৰ যি সন্ত্ৰাসবাদমুক্ত এইটো আমি সফল ৰূপত লৈ যোৱাৰ ক্ষেত্ৰত নিশ্চয় আমি এটা সময়ত বিফল হৈ যাব পাৰো। আমি বিশ্বাসটো দিব পাৰিব লাগিব। ইয়াৰ যোগেদি মই এইটোকে জনাব বিচাৰিছো যি কথাখিনি দিয়া হৈছিল, চুক্তিত যিখিনি দিয়া আছিল তেওঁলোকক rehabilitate কৰা আৰু case withdrawl কৰা আৰু তাৰবাবে জেলত যিসকল আছে তেওঁলোকক উলিয়াই অনা। এই ব্যৱস্থাটো immediate কৰিব লাগে। মই আপোনাৰ যোগেদি চৰকাৰক অনুৰোধ জনাইছো আৰু বেয়া ঘটনা এটা চলি আছে আমাৰ বি টি চি অঞ্চলত যে অবৈধ অস্ত্ৰ বিচৰাৰ নামত বহুতো সাধাৰণ মানুহে যথেষ্ট হাৰা শাস্তি খাবলগীয়া হৈছে। বহুতক থানালৈ লৈ যায়, বহুতক কেতিয়াবা এচ পি য়ে, কেতিয়াবা আই জি পি য়ে মাতে, বন্দুক আছে বন্দুক উলিয়াই দিব লাগে নহ'লে অমুক হ'ব, কিবা হ'ব বহুতো হাৰাশাস্তি খাই আছে। এইক্ষেত্ৰত যদি চৰকাৰৰ তৰফৰ পৰা অলপো হস্তক্ষেপ নকৰে, তাত কেনেকৈ শান্তি আহিব? এইক্ষেত্ৰত মই ভাৱো আপোনাৰ জৰিয়তে চৰকাৰে immediate কিবা এটা action লৈ এইখিনি বিশ্বাস আমি ঘুৰাই আনিবৰ কাৰণে পাৰিব লাগিব, তেতিয়াহে আমাৰ যি মুলমন্ত্ৰ দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদুষণমুক্ত, এইক্ষেত্ৰত আমি সফল হোৱা বুলি ক'ব পাৰিম। তাৰপাছত এই চৰকাৰখনৰ এটা প্ৰতিশ্ৰুতি আছিল এইটো হ'ল আমাৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ দিয়াতো। আমি বি পি এফ দল হিচাপে যিহেতু এইখন চৰকাৰৰ এটা মিত্ৰ দল। আমি এই চৰকাৰখনত অহাৰ আগতে আমাৰ দলৰ পৰা এটা প্ৰতিশ্ৰুতি আছিল যে ছয়জনগোষ্ঠীসকলক এচ টি কৰণ দিয়াৰ ক্ষেত্ৰত আমাৰ তৰফৰ পৰা সমৰ্থন আছে আৰু বিশেষকৈ বি টি চি অঞ্চলত ছয় জনগোষ্ঠীৰ ভিতৰত মাত্ৰ দুটা জনগোষ্ঠী কোঁচ-ৰাজবংশী ভাই সকল আৰু আদিবাসী ভাইসকল, তেওঁলোক যিহেতু আমাৰ বি টি এ ডি অঞ্চলত আছে, বি টি চি অঞ্চলত আছে আমাৰ যোৱা যি চৰকাৰ, হাগ্ৰামা মহিলাৰী ডাঙৰীয়াৰ নেতৃত্বত যি চৰকাৰ আছিল, বি টি চি এচেম্বলীৰ পৰা তেওঁলোকে এটা resolution লৈ Government of India লৈ এটা resolution পঠাইছিল। এখন NOC পঠাইছিল। অন্য জাগাত হওঁক, নহওক আমাৰ বি টি এ ডি অঞ্চলত থকা কোচ ৰাজবংশী ভাইসকল আৰু আদিবাসী ভাই সকলক এচ টি কৰণ কৰিব লাগে। তাৰ কাৰণে এইক্ষেত্ৰত চৰকাৰে যিহেতু পদক্ষেপ লৈছে মই ধন্যবাদ যাচিব লাগিব। এচ টি কৰণ কৰিবৰ কাৰণে ছয় জনগোষ্ঠীক লোক সভাতো বিল উত্থাপন হ'ল, ৰাজ্যসভাতো বিল উত্থাপন হ'ল, আজি ইয়াত কেবিনেট কমিটি কৰা হ'ল, চৰকাৰ শেষ হ'বলৈ গৈ আছে কেতিয়া এইটো ফাইনেল হ'ব? কেতিয়া এই issue টো আমি শেষ কৰিব পাৰিম। ইয়াৰ ক্ষেত্ৰত মই ভাৱো চৰকাৰে আমাক যি প্ৰতিশ্ৰুতি দিছিল, আমি একেলগে যিহেতু প্ৰতিশ্ৰুতি দিছিলো, এই প্ৰতিশ্ৰুতি

ৰাখিব লাগে। তাৰ কাৰণে মই আপোনাৰ জৰিয়তে যিখিনি সময় আছে, এই সময়ত যাতে ছয়জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ কাৰণে ব্যৱস্থা লয়। ইয়াৰ কাৰণে মই অনুৰোধ জনাইছো। এই কথাটোত ধন্যবাদ জনাব লাগিব যিহেতু শেষ আমাৰ যি বিধানসভা আছিল, এই বিধান সভাত যিহেতু আমাৰ সভাত বড়ো ভাই সকল, যিসকল নেকি বি টি এ ডিৰ বাহিৰত আছে, তেওঁলোকক Bodo Kachari Welfare Autonomous Council যিহেতু বিল পাচ কৰা হ'ল আৰু আমাৰ মৰাণ ভাই, মটক ভাইসকল আৰু কমতাপুৰ যিহেতু দিয়া হ'ল খুব ভাল হৈছে এইটো। মই চৰকাৰক বহুত ধন্যবাদ যাঁচিছো। আমাৰ যিমানখিনি সৰু সৰু জনগোষ্ঠীৰ যিহেতু তেওঁলোকৰ কলা-সংস্কৃতি, ভাষা বচাই ৰখাৰ ক্ষেত্ৰত যিখিনি সুবিধা দিয়া হৈছে, এইটো খুব ভাল হৈছে। ইয়াৰ লগে লগে যিহেতু আমাৰ মাজত বহুতো গ্ৰুপ আছে, Indigenious Group য়ে হওঁক বা ট্ৰাইবেল গ্ৰু পেই হওঁক এতিয়াও Autonomous Council বিচৰা তেওঁলোককো দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ আমি দেখিছো, যোৱা কালিও মই দেখিছো গোৰ্খা ভাই সকলেও গোৰ্খা Autonomous Council ৰ কাৰণে ডিমাণ্ড কৰি আছে। মই ভাবো যিহেতুকে সকলোকে দিয়া হৈছে তেন্তে গোৰ্খা ভাই সকলকো Autonomous Council দিয়াৰ ব্যৱস্থা যদি চৰকাৰে কৰে খুব ভাল হ'ব বুলি মই অনুভৱ কৰিছো। তাৰ পাছত উন্নয়নৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যিহেতু এটা শ্লো'গান আছিল এইটো শ্লো'গান আছিল আমাৰ চাব কা চাথ চাব কা বিকাচ। চাব কা চাথ চাব কা বিকাচ খুব ধুনীয়াকৈ চলি আছিল এইখন চৰকাৰত চাৰিবছৰ ধৰি, আমিও খুব ধুনীয়াকৈ চাব কা চাথ চাব কা বিকাচ বিশ্বাস কৰিছিলো, আমি সম উন্নয়ন পাইছিলো কিন্তু । Last এবছৰৰ পৰা কি হৈছে যে আমি ক'ব নোৱাৰো এই চাব কা চাথ চাব কা বিকাচ টো ইয়াত পালন হোৱা নাই যেন আমাৰ যেন অকমান অনুভৱ হৈছে। Last একবছৰত আমি যিধৰণে আমাৰ ইয়াৰ সমষ্টি ভিত্তিত যিখিনি উন্নয়ন পাব লাগে এইখিনি উন্নয়ন পাবৰ কাৰণে আমি সক্ষম হোৱা নাই। তাৰ কাৰণে মই এতিয়াও অনুৰোধ জনাইছো যিহেতু চৰকাৰখন এই নীতিৰে চলিছে, এই নীতিটো লৈ চৰকাৰ চলাই আছে। গতিকে এই নীতিক লৈ চৰকাৰখনৰ শেষলৈকে যাতে চলাই লৈ যায় তাৰ কাৰণে মই অনুৰোধ জনাইছো যাতে আমি বি টি এ ডি অঞ্চলৰ ১২ জন বিধায়কেও, বৰ্তমান যিধৰণৰ উন্নয়ন হৈ আছে, এই উন্নয়টো যাতে আমিও পাও। আৰু এটা আছিল আমাৰ এইটো হ'ল প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ এটা প্ৰতিশ্ৰুতি আছিল বি টি এ ডিৰ উন্নয়নৰ কাৰণে এক হাজৰ কোটি টকা দিয়া, এক হাজাৰ কোটি প্ৰায় এই বিধান সভাতে আমি বাজেটত দেখা পাইছো দুইবাৰ তিনিবাৰ দিয়া হ'ল আৰু আজি আমি হিচাপ পোৱামতে ৬ শ কোটি টকা ইতিমধ্যে মোকোলাই দিয়া হ'ল। বি টি চি চৰকাৰখনে ইতিমধ্যে একহাজাৰ কোটি টকাৰ আঁচনি তৈয়াৰ কৰি অনুমোদন দি বৰ্তমান কাম-কাজ চলি আছে। কিন্তু এতিয়া পইচাটো পাব নে নাই। বাকী যি চাৰিশ কোটি এইটো অনিশ্চয়তাত হৈ এতিয়া কামবিলাক পেডিং হৈ আছে। বহুতো infrastructure scheme বিলাক ধৰা হৈছিল, যদি কামবিলাক implement নহয়, সম্পূৰ্ণ কৰা নহয়, আমাৰ চৰকাৰৰ বহুত টকা এনেয়ে বেকাৰ যাব। তাৰ কাৰণে এইটো মই অনুৰোধ জনাইছো যিখিনি প্ৰতিশ্ৰুতি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ একহাজাৰ কোটি টকা দিয়া যাতে একহাজাৰ কোটি টকাটো বি টি চি লৈ মোকোলাই দিয়ে তাৰ কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টিগোচৰ কৰিছো। আমাৰ এখন খুৱ ভাল আঁচনি 'অৰুনোদয়' আঁচনি সকলোৱে আমি ইয়াত প্ৰশংসা কৰিছো। প্ৰতিজন ব্যক্তিক, মহিলা সকলক যিহেতু আমি 'অৰুনোদয়' দিয়াৰ আঁচনি লৈছো, কিন্তু বৰ্তমান যি চলি আছে, আমাৰ যিমানখিনি ১২৬ টা সমষ্টিত বোধহয় বিধায়ক সকলৰ দ্বাৰাই 'অৰুনোদয়' আঁচনিবিলাক

চলি আছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে আমাৰ বি টি এ ডি অঞ্চলত 'অৰুনোদয়' আঁচনিখন বিধায়ক সকলক কোনো এটা কৰিবৰ কাৰণে অন্তৰ্ভূক্ত কৰা হোৱা নাই। আজি 'অৰুনোদয়' আঁচনিখন কি ধৰণে হৈ আছে কি হৈ আছে আমাৰ বিধায়ক সকলে ক'ব নোৱাৰে। আজি তেওঁলোকে বি টি চি চৰকাৰৰ পৰা গ্ৰাম সহায়ক কিবা এটা এপইণ্টমেণ্ট দি আমি দেখাত ইয়াত একেবাৰে পাৰ্টি চিষ্টেমত গৈ আছে। আমি বিচাৰো এই জনকল্যাণ আঁচনিবিলাক কোনো পাৰ্টি চিষ্টেমত যাব নালাগে। যিসকল নেকি একেবাৰে eligible beneficiary হয়, তেওঁলোকে যাতে পায়, ইয়াৰ ক্ষেত্ৰত এই চৰকাৰৰ পৰা যাতে অকনমান হলেও এই ক্ষেত্ৰত বিধায়ক সকলে যাতে কাম কৰিব পাৰে, ইয়াৰ কাৰণে ব্যৱস্থা কৰি দিয়ে তাৰ কাৰণে মই অনুৰোধ জনাইছো। এটা আছিল এইটো হ'ল আমাৰ একেবাৰে দুখ লগা বিষয়। নিসংশভাৱে হত্যাকাণ্ড যিহেতু হৈছিল লাফিকুল ইছলাম ডাঙৰীয়াৰ সকলোৱে জানে, সকলোৱে নিন্দা কৰিছিল, সকলোৱে ইয়াত condemn কৰিছিল যে এনেকুৱা ঘটনা হ'ব নালাগিছিল, ছাত্ৰ নেতা লাফিকুল ইছলাম তেখেতক যিহেতু হত্যা কৰা হ'ল বহুত সময়ত বহুতে কৈছিল যে ইয়াৰ ন্যায় পাব লাগে, চি বি আইৰ তদন্ত হ'ব লাগে আৰু যোৱা নিৰ্বাচনৰ সময়ত আমি দেখিছিলো যে, চি বি আইৰ তদন্তই বি টি চিৰ চৰকাৰ কৰাৰ এক মাহৰ পাছত হৈ যাব আৰু দোষীক কৰায়ত্ত কৰা হ'ব। ইতিমধ্যে যিহেতু একমাহ উকলি গ'ল তাৰ কাৰণে লাফিকুল ইছলামক কোনে হত্যা কৰিছিল, চি বি আইয়ে কি ৰিপোৰ্ট দিছে এইটো কৰি যাতে দোষীক তৎক্ষণাত কৰায়ত্ত কৰে, ইয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে আমাৰ অসম চৰকাৰক অনুৰোধ জনাইছো। মাননীয় উপাধ্যক্ষ বহুত ক'বলগীয়া আছিল, কিন্তু সময় শেষ হৈছে এইখিনিকে কৈছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীৰফিকুল ইছলাম।

**শ্ৰীৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আলোকপাত কৰাৰ কাৰণে সুবিধা দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। ৰাজ্যপাল মহোদয়ৰ বক্তব্যত যোৱা পাছ বছৰে চৰকাৰে কৰি যোৱা বা কৰিব পৰা নাই ঠিক এই গোটেইখিনি কথা তেখেতে উল্লেখ কৰিছে। যিবিলাক প্ৰতিশ্ৰুতি আছিল, যোৱা পাছ বছৰৰ আগত চৰকাৰৰ, সেই প্ৰতিশ্ৰুতি ৰক্ষা হওঁক বা নহওঁক, কৰিছে বা নকৰিছে এই কথাখিনি কিন্তু তেখেতে আনিছে। মই গোটেইখিনিৰ ওপৰত আলোচনা নকৰো। ইতিমধ্যে মাননীয় সদস্য সকলে আলোচনা কৰিছে তাৰ মাজতে এটা দৰকাৰী বিষয় শিক্ষাৰ পৰা আৰম্ভ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী ডাঙৰীয়াই আজি বাজেটত তেখেতে কৈছে যে আমি বহুত হাজাৰ শিক্ষকৰ পদ প্ৰাদেশীকিকৰণ কৰিলো, নিযুক্তি দিলো ডাঙৰ এটা কাম কৰিলো বুলি ক'লে কিন্তু বাহিৰত শিক্ষক সকলে কৈ আছে যেনেকৈ ৫ চেপ্তেম্বৰ শিক্ষক দিৱস উৎযাপন কৰা হয়, ঠিক ৫ ফেব্ৰুৱাৰী শিক্ষা জগতত এটা ক'লা দিন বুলি তেখেতসকলে অভিহিত কৰি আছে, যদিও নিযুক্তি দিছে, কিয় ক'লা দিন বুলি তেখেতসকলে অভিহিত কৰি আছে যে শিক্ষক সকল, যিসকলে ২৫-৩০ বছৰে পঢ়োৱাইছিল কোনোবা জুনিয়ৰ কলেজত লেক্‌চাৰাৰ আছিল, কোনোবা হাইস্কুলৰ প্ৰধান শিক্ষক আছিল, কোনোবা এম ই স্কুলৰ প্ৰধান শিক্ষক আছিল বা শিক্ষক আছিল, সেইসকলক টিউটৰ হিচাপে দহ, বাৰ, পোন্ধৰ হাজাৰ টকা এনেকুৱা এটা ধাৰ্য্য কৰি টিউটৰ হিচাপে তেখেতসকলৰ হাতত এখন এপইণ্টমেণ্ট উঠাই দিয়া হৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, সেই বিদ্যালয় সমূহ প্ৰাদেশীকিকৰণ হোৱা নাই। এই কেইহাজাৰ মান শিক্ষকৰ পদ প্ৰাদেশীকিকৰণ কৰি এই শিক্ষক সকলৰ কিছুমানক ৬, ৭, ৫ কিলোমিটাৰ দূৰত্বৰ এখন বিদ্যালয়ৰ লগত এই বিদ্যালয়ৰ শিক্ষক সকলক টেগ কৰি দিয়া হৈছে। ছাত্ৰ-ছাত্ৰী সকলৰ বিষয়ে কোনো ধৰণৰ আলোচনা সেই এপইণ্টমেণ্টত

নাই। আজি ২৫-৩০ বছৰ সেই ভেন্সাৰ স্কুলৰ, শিক্ষকসকলে তিনিচুকীয়া, ডিব্ৰুগড় জিলাৰ পৰা ধুবুৰীলৈকে শিক্ষাৰ পোহৰ বিলাই আহিছিল। ইয়াত লাখ লাখ শিক্ষাৰ্থী আছে, আমি জানো। কিছু শিক্ষকৰ পদ বা স্কুল ইয়াৰ আগতে provincialised হৈছে কিন্তু এতিয়াও বহুত বাকী। ইয়াৰ মাজত এই সকলৰ পদ টেগ কৰি দিয়া হৈছে। উপাধ্যক্ষ মহোদয় স্কুল যে পাতিছিল জনতাই মাটি দান কৰিছিল, লাখ লাখ কোটি কোটি টকাৰ সম্পত্তি দান কৰিছিল। এখন হাই স্কুল পাতিবলৈ হ'লে ১১ বিঘা মাটি লাগে। এম ই স্কুলৰ বাবে ৪ বিঘা মাটি দিব লাগে। ৰোড চাইডৰ মাটি বিলাক যদি আপুনি হিচাপ কৰে কোটি কোটি টকাৰ সম্পত্তি জনতাই দান কৰি নিজে বিদ্যালয় খুলিছিল। আজি শিক্ষকসকলে কান্দি কান্দি কৈ আছে যে মাটি কাটি মূৰেৰে কঢ়িয়াই আমি স্কুলৰ ভেটি নিৰ্মান কৰিছিলো। কোনোবাই নিজৰ চোতালৰ পৰা টিনৰ ঘৰ ভাঙি আনি শিক্ষানুৰাগী জনগণে স্কুল ঘৰ পাতি দিছিল। এতিয়া কি নিৰ্দ্দেশনা দিয়া হৈছে যে স্কুলৰ যি আঁচ-বাব আছিল ডি চিক হেণ্ডঅভাৰ কৰক। আপোনালোকৰ Land record DC ক handover কৰক। যিবিলাক মাটিত স্কুল পাতিছিল সেইখিনি কোনো চৰকাৰী ভূমি নাছিল। কিন্তু আজি সেইখিনি ভূমি জোৰ জুলুমকৈ অধিগ্ৰহণ কৰিবলৈ চৰকাৰে নিৰ্দ্দেশনা দিছে। উপাধ্যক্ষ মহোদয়, এইটো বৰ দুখ লগা কথা। ছাত্ৰ- ছাত্ৰীৰ জীৱন গঢ়াৰ বাবে শিক্ষক পাতিছিল। এতিয়া যদি কিছু শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰি টিউটৰ বনাই বেলেগ স্কুললৈ দিয়ে এই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত কি হ'ব। 'কৰোণা' কালত প্ৰায় ৮-৯ মাহ জুৰি স্কুল- কলেজ বন্ধ আছিল। এই দুই মাহৰ পৰা খুলিছে, ছাত্ৰ- ছাত্ৰী গৈ আছে। তাত থকা শিক্ষকসকল কিছুমানক আন বিদ্যালয়ত পঠিয়াই দিয়াত এতিয়া এই বিদ্যালয়ত শিক্ষকৰ সংখ্যা কমি গ'ল। ২০০-৩০০ ছাত্ৰ- ছাত্ৰী তাত পঢ়ি আছে চৰকাৰৰ কিন্তু খৱৰ নাই। মাননীয় উপাধ্যক্ষ মহোদয়, মই উদাহৰণ দিছো, মোৰ জনীয়া সমষ্টিত জনতা হাইস্কুল আছে, ক্লাছ-১ৰ পৰা ক্লাছ-১০ লৈ আছে। এই বিদ্যালয়ত ৮৫৫ জন ছাত্ৰ-ছাত্ৰী আছে। এই বিদ্যালয়ৰ লগত আৰু দুখন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী লগ লগাই দিলে। এখনৰ পৰা ১১৯ জন আহিল আৰু এখনৰ পৰা ১৩৪ জন আহিল- গোটেইখিনি মিলি হাজাৰৰ ওপৰত ছাত্ৰ ছাত্ৰী হ'ল। আৰু এখন এম ই স্কুলত ৬০০ ছাত্ৰ- ছাত্ৰী আছে তাত দুখন বিদ্যালয়ৰ পৰা আৰু ৩০০ ছাত্ৰ ছাত্ৰী আহিল এতিয়া মুঠ ৯০০ ছাত্ৰ-ছাত্ৰী হ'ল। এতিয়া এই ফাইফ- ছিক্স- চেভেনৰ ৯০০ ছাত্ৰ ছাত্ৰীক কোনে পঢ়াব, কেনেকৈ পঢ়াব। এইবিলাক কথাৰ সিদ্ধান্ত কিন্তু চৰকাৰে দিয়া নাই। মাননীয় উপাধ্যক্ষ মহোদয়, অকল মোৰ সমষ্টিতে নহয়- বালিকুৰিত এখন হায়াৰ চেকেণ্ডৰী স্কুল আছে, তাত ক্লাছ ওৱানৰ পৰা টুৱেলভলৈ ক্লাছ আছে আৰু ইতিমধ্যে তাত ১৪২৮ জন ছাত্ৰ-ছাত্ৰী আছে। এই স্কুলখনৰ লগত ৩ খন চৰৰ স্কুল- চৰ বালিকুৰি, চৰ ডি চি এছ এমিয়াম আৰু চৰ দিগজনী স্কুলৰ ৬০০ ছাত্ৰ-ছাত্ৰীক আনি লগ লগাই দিলে, ২০০০ ছাত্ৰ- ছাত্ৰী হ'ল। এতিয়া স্কুলখন বজাৰৰ নিচিনা হৈছে। তাত ক্লাছ ৰূমত দূৰৰে কথা স্কুলৰ ফিল্ডতো ঠাই নাই। মাননীয় অধ্যক্ষ মহোদয়, বজাৰৰ নিচিনা হুলস্থুল হৈ থাকে। পঢ়াৰ পৰিবেশ নাই। অহা মাহত পৰীক্ষা আছে। আৰু এটা মই এটা উদাহৰণ দিওঁ। মোৰ ঘৰৰ নিচেই কাষত এখন এম ই স্কুল আছে য'ত ১৫০ ষ্টুডেন্ট আছে। তাত আৰু এখন এম ই স্কুল আনি টেগ কৰি দিছে, এতিয়া তাত মুঠ ৪৪৫ জন ছাত্ৰ-ছাত্ৰী হ'ল। মই সেই দিনাখন হুলস্থুল শুনি ঘৰৰ পৰা ওলাই আহিলো। কিহৰ হুলস্থুল বুলি ওলাই গৈ দেখো যে ৪৪৫ জন ছাত্ৰ-ছাত্ৰী স্কুলৰ কেম্পাচত আছে। এই কথাটো মই ডি ই ও 'ক'লো তেখেতে এছিচটেন্ট পঠিয়ালে। আহি মোক ক'লে আমাক ছাৰ কোনো নিৰ্দ্দেশনা দিয়া নাই, আমি কি কৰিম? এনেকুৱা এটা অৱস্থা গোটেই অসমতে হৈছে উপাধ্যক্ষ মহোদয়।

(অধ্যক্ষ মহোদয়ৰ সদনত প্ৰবেশ)

মোৰ কথাটো হ'ল অধ্যক্ষ মহোদয় - এই বিদ্যালয়সমূহ 'টেগ' কৰি মাত্ৰ কেই হাজাৰমান 'টিউটৰ' হিচাপে নিযুক্তি দিছে। অসমীয়া ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ লগত হেতালি খেলা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা অনুৰোধ আছে যে চৰকাৰে এটা সিদ্ধান্ত ল'ব লাগে, এই ভেঞ্চাৰ স্কুলবিলাক যদি provincialisation হৈছিল য'ত যেনেকৈ আছে তেনেকৈ থাকিব লাগে। বিধান সভাত কোনো সিদ্ধান্ত হোৱা নাই যে এই স্কুলবিলাক বাতিল কৰা হ'ব। জনসাধাৰণে ভেঞ্চাৰ স্কুলবিলাক নিজে মাটি ভেটি দি কৰিছিল, শিক্ষকসকলে ২৫-৩০ বছৰ শিক্ষকতা কৰিছিল স্কুলবিলাক বাতিল কৰাৰ বাবে নহয়, অধ্যক্ষ মহোদয়। মন্ত্ৰী মহোদয়ে হয়তো যুক্তি দিব তাত এনৰোলমেন্ট নাই, কিন্তু অধ্যক্ষ মহোদয় এনৰোলমেন্ট নাথাকিলেতো বিদ্যালয় প্ৰাদেশিকীকৰণ নহয়। যিমানখিনি ছাত্ৰ-ছাত্ৰী থাকিব লাগে সিমানখিনি ছাত্ৰ ছাত্ৰী এই বিদ্যালয়ত আছে যাৰ কাৰণে প্ৰাদেশিকীকৰণ হৈছে এই বিদ্যালয়সমূহ। এতিয়াও অসমত বহু হাজাৰ স্কুল আছে য'ত ছাত্ৰ-ছাত্ৰীৰ এনৰোলমেন্ট নাই কাৰণে প্ৰভিন্সিয়েলাইজেশ্যন হোৱা নাই। কিন্তু যিখিনি বিদ্যালয় প্ৰভিন্সিয়েলাইজড ইতিমধ্যে হৈছে সেই বিদ্যালয়সমূহ য'তে আছে ত'তে থাকিব লাগে, অধ্যক্ষ মহোদয়, এইটো বহুত ইম্পৰ্টেন্ট মেটাৰ। মই মাননীয় শিক্ষা মন্ত্ৰীৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। এই বিষয়ে তেখেতসকলে কালিৰ ভিতৰতে সিদ্ধান্ত ল'ব লাগে। এই বিষয়ে অলৰেডি সিদ্ধান্ত আছে। এপইন্টমেন্ট সিদ্ধান্ত দিছে যিটো হ'ব নালাগে। অধ্যক্ষ মহোদয়, ভেঞ্চাৰৰ প্ৰাইমেৰীৰ পৰা কলেজলৈকে এতিয়া বহুত সমস্যা আছে। প্ৰাইমাৰী স্কুলৰ হাজাৰ হাজাৰ শিক্ষকৰ ডাইছ কোডৰ কাৰণে তেখেতসকলৰ পদ প্ৰভিন্সিয়েলাইজড হোৱা নাই। ডাইছৰ যিটো চিষ্টেম, যিটো স্কুলৰ পৰা এনৰোলমেন্টৰ ৰিপোৰ্ট পঠিয়াই তেখেতৰ টেকনিকেল খেলিমেলিৰ কাৰণে কেতিয়াবা গ্ৰহণ নকৰে। কেতিয়াবা আধা পঠিয়াই আধা পঠিওৱা নাই, পুনৰ পঠিয়াই নহয়- এনেধৰণৰ ভুলৰ বাবে তেখেতসকলৰ নাম হয়তো ডাইছত সন্নিবিষ্ট নহ'ল। যাৰ কাৰণে এই স্কুলবিলাকৰ পদ বা স্কুলখন প্ৰাদেশিকীকৃত হোৱা নাই। এই খেলিমেলিবিলাক ঠিক কৰিব লাগে। অধ্যক্ষ মহোদয়, ইছ্যু ডেটৰ খেলিমেলি আছিল। মাননীয় মন্ত্ৰী মহোদয়ে বহুবাৰ প্ৰতিশ্ৰুতি দিছিল। একেলগে স্কুল পাৰ্মিশ্যন- ৰিক'গনাইশ্যন হৈছে বিশেষকৈ এম ই স্কুলৰ ইচ্যু ডেট। ০১-০১-২০০৬ ৰ আগতে পাইছে। একে লগে কৰা কিছুমানৰ পদ প্ৰাদেশিকীকৃত হ'ল , ৰিকগনাইশ্যন লেটাৰ অফিছৰ পৰা ১মাহ পিছত ইছ্যু কৰিলে বা দুমাহ পিছত ইছ্যু কৰিলে এই ভুলৰ বাবে ৩০ বছৰ শিক্ষকতা কৰা এজন শিক্ষকক শাস্তি দিয়া মই ভাবো উচিত নহয়। মন্ত্ৰী মহোদয়ে আগতে কৈছিল যে পজিটিভলী ল'ম বুলি কিন্তু কোনো সিদ্ধান্ত দিয়া নাই। গতিকে মই অনুৰোধ কৰিম যে এম ই স্কুলৰ যিটো ইছ্যু ডেটৰ সমস্যা- এই খিনি বিবেচনা কৰি স্কুলখিনি ল'ব লাগে। অধ্যক্ষ মহোদয় মাননীয় হাফিজ বছিৰ আহমেদ ডাঙৰীয়া সদনত নাই, তেখেতৰ অনুৰোধমৰ্মে সদনত এটা বিষয় ক'ব খুজিছো- অধ্যক্ষ মহোদয়, হাই স্কুলত মেট্ৰিকত এটা নিৰ্দ্দিষ্ট সংখ্যক অৱতীৰ্ণ হ'ব লাগিব, ৰিজাল্ট এটা নিৰ্দ্দিষ্ট হাৰত হ'ব লাগিব- তাতকৈ দুই- এক শতাংশ কম হোৱাৰ বাবে ২৫-৩০ বছৰে বিনাবেতনে তেখেতসকলে কাম কৰিছে। কিন্তু আগতে হয়তো কেইবা বছৰো ষ্টুডেন্ট অৱতীৰ্ণ আছিল, ৰিজাল্ট ভাল আছিল, কিন্তু যিটো বছৰত অলপ দুই তিনিজন কমকৈ অৱতীৰ্ণ হোৱা বাবে, উত্তীৰ্ণৰ হাৰ অলপ কম হোৱা বাবে হাজাৰ হাজাৰ হাই স্কুল বঞ্চিত হৈ আছে, যিটো হোৱাটো উচিত নহয়। জুনিয়ৰ কলেজতো বহু বিষয় হোৱা নাই। হিন্দী ৰাষ্ট্ৰীয় ভাষা, কিন্তু হিন্দী বিষয়ৰ শিক্ষক এতিয়াও লোৱা হোৱা নাই, তেনেদৰে আৰবী বিষয়ৰ শিক্ষকো লোৱাৰ ব্যৱস্থা কৰা নাই। সেই সকল কিন্তু

আজি বঞ্চিত হৈছে। তেনেকৈ সংস্কৃত বিষয়ৰ শিক্ষকৰ প্ৰাদেশিকীকৃত হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, এই খিনি অলপ বিবেচনা কৰিব লাগে। যিসকল বিষয়া আছিল হয়তো তেখেতসকলে চৰকাৰক ভুলকৈ পৰিচালিত কৰিছে। কিন্তু ২০১৩ চনত প্ৰভিন্সিয়েলাইজ কৰোতে কোনোধৰণৰ চাবজেক্ট কনকাৰেজৰ কথা নাছিল। ১-১-২০০৬ৰ আগতে কনকাৰেজ পোৱা সকলো কলেজক লৈ লোৱা হৈছিল। যিবিলাক ডিপাৰ্টমেন্টৰ কনকাৰেজ নাছিল সেই সমূহ পদো প্ৰাদেশীকৃত হৈ গৈছে। এতিয়া যিটো নিযুক্তি তেখেতে দিলে সেই নিযুক্তিত ০১-০১-২০০৬ ৰ আগত প্ৰত্যেক ডিপাৰ্টমেন্টৰ চাবজেক্টৱাইজ কনকাৰেজ বিচাৰিছে। এইটো তেখেতসকলৰ ওপৰত অবিচাৰ কৰা হৈছে। ২০১৩ চনত যিটো সিদ্ধান্ত আছিল তাৰ বিপৰীতহে হৈছে। যাৰ কাৰণে বহুতো Department, Mathematics, History, Geography, Logic, Philosophy, Arabic ইত্যাদি বহুতো department 01-01-2006 ৰ পিছত কনকাৰেজ পালে সেই সকলৰ পদ বাদ দিলে আৰু এটা কথা যে বাহিৰৰ ইউনিভাৰচিটিৰ পৰা মাষ্টাৰ ডিগ্ৰী লৈ অহা সকল এই সকলোৰো হোল্ড কৰি দিছে। ইউনিভাৰচিটি খন যদি ৰিক'গনাইজড হয় তেন্তে কেনেকৈ হোল্ড কৰিব পাৰে। ইউ জি চিৰ আণ্ডাৰত যদি ইউনিভাৰচিটি খন হয় তেন্তে সেইজন ষ্টুডেন্ট বা টিছাৰ ৰ ডিগ্ৰী লৈ অহা ষ্টুডেন্ট বা টিচাৰক অপমান কৰা হৈছে। হয়, দুই নম্বৰী যদি কোনোবা ইউনিভাৰচিটিৰ পৰা ডিগ্ৰি আনিছে সেইটো আমিও নামানো। কিন্তু গ্ৰান্ট কমিশ্যন এ স্বীকৃতি দিয়া ইউনিভাৰচিটিৰ পৰা অহা সকলক চালি জাৰি চাম বুলি কৈ আজি দুবছৰ পাৰ হৈ গ'ল। ২০-৩০ বছৰে বিনা বেতনে কাম কৰি থকাসকলক এনকোৱাৰী কৰি ভেৰিফিকেশ্যন কৰি নিযুক্তি দিব লাগিছিল। এতিয়াও ১০ দিন সময় আছে অধিসূচনালৈ, গতিকে মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিম যে এই কথাবিলাক যাতে গুৰুত্ব সহকাৰে লৈ সিদ্ধান্ত লয়। মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বাজেট ভাষণত এ পি জে আব্দুল কালামৰ উদ্ধৃতি দি কৈছে যে শিক্ষা এনেকুৱা এটা অস্ত্ৰ, এনেকুৱা এটা শক্তি যাতে আমি গোটেই পৃথিৱী জয় কৰিব পাৰো। কিন্তু আমাৰ অসমত এই হাজাৰ হাজাৰ ষ্টুডেন্ট এৰি দিয়া হৈছে। চৰকাৰে যাতে কোনো ভুল সিদ্ধান্ত নলয় তাৰ কাৰণে আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো অধ্যক্ষ মহোদয়। আমাৰ মাননীয় বিধায়ক নজৰুল ইছলাম ডাঙৰীয়াই কৈছে যে তেখেতৰ চৰ অঞ্চলৰ পৰা স্কুললৈ আহিবলৈ নাওঁৰে আহিব লাগে। মোৰ জনিয়া সমষ্টিৰ গুলিয়াজাৰ চৰৰ স্কুল বৰপেটা জিলাৰ লগত টেগ কৰি দিছে। নাওঁৰে পাৰ হৈ স্কুলত আহিব লাগিব। চাৰিওফালে পানী। ধুবুৰী, শালমাৰা, পশ্চিম গোৱালপাৰা, চেঙা, বাঘবৰ বা জলেশ্বৰ এই সমষ্টিৰ চৰৰ স্কুলবিলাক বেলেগ স্কুলত টেগ কৰি দিছে। চৰকাৰৰ এই সিদ্ধান্তই এই চৰত বাস কৰা ল'ৰা-ছোৱালীবিলাকৰ ভবিষ্যত অন্ধকাৰৰ দিশে লৈ যাব। গতিকে চৰকাৰৰ এই সিদ্ধান্ত উঠাই ল'ব লাগে। "সবকা চাথ, সবকা বিকাশ, সবকা বিশ্বাস" যিটো শ্লোগান দিয়া হৈছে- আমিও বিচাৰো যে সবকা বিকাশ হ'ব লাগে।মাননীয় অধ্যক্ষ মহোদয়, আমি বিচাৰো যে অসমৰ সকলো জাতি জনগোষ্ঠীৰ মানুহৰ বাবে উন্নয়ন কৰিব লাগিব। অধ্যক্ষ মহোদয়, এটা জনগোষ্ঠীক খাটি খোৱা মানুহ, যিসকলে দিনে ৰাতিয়ে পৰিশ্ৰম কৰি শাক- পাচলি উৎপাদন কৰি বজাৰলৈ লৈ যায়। তেওঁলোকে ৰাসায়নিক দ্ৰব্য দি উৎপাদন কৰা বুলি কৃষকসকলক ক্ষতি কৰাৰ মনোবৃত্তি লৈ এজনৰ বক্তব্য পঢ়ি হেয় হ'ব লাগে। কোনোবাই যদি ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰিছে, it is the responsiblity of the Government to catch them সেই সকলক গ্ৰেপ্তাৰ কৰিব লাগে। কৃষকসকলে আজি উচিত মূল্য নাপায়। গোটেই ভাৰতবৰ্ষত আজি কৃষি আইন বাতিলৰ আন্দোলন হৈছে। আমিও তাক সমৰ্থন কৰিছো। ন্যুনতম মূল্য হ'ব লাগে অসমত

সেইটো নাই। ধান কিমান কম দামত বিক্ৰী হয়। গতিকে আমি আমাৰ সাতামপুৰীয়া ঐক্য আৰু সংহতি সেইটো বিনষ্ট কৰিব নালাগে। ৬৫- ৩৫ ৰ ফৰমুলা হ'ব নালাগে। ১০০ শতাংশৰ ফৰ্মুলা হ'ব লাগে। বিভিন্ন জাতি জনগোষ্ঠীক তেখেতসকলক Autonomus Council আৰু কিবা কিবি দিছে। যি হওঁক কিবা এটা দিছেতো । কিন্তু আজি গৰীয়া মৰীয়াই আন্দোলন কৰি আছে। তেখেতসকলে কিয় নাপায়। "জুলাহা" সকলে আন্দোলন কৰি আছে। তেখেতসকলক কিয় নিদিয়ে। মিঞাঁ জনগোষ্ঠী বুলি মই নকওঁ। মিঞাঁ সকলে অসমীয়া কৈ ভাল পায়, অসমীয়াত হাঁহে, অসমীয়াত কান্দে, অসমীয়াত লিখে, অসমীয়াত পঢ়ে। সেই জনগোষ্ঠীটোক অপমান কৰি জৱৰদস্তি মিঞাঁ বুলি প্ৰতিষ্ঠা কৰিব বিচাৰিছে। এই জনগোষ্ঠীটোৰ ডেভল'পমেন্টৰ কাৰণে কি কৰিলে, মাননীয় অধ্যক্ষ মহোদয় এই কথাবিলাক চিন্তা কৰিব লাগিব। মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত আমি এই কথাবিলাকৰ আমি reflection বিচাৰিছিলো কিন্তু আমি নাপালো। মই আশা কৰিম যাতে মাননীয় মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলে যাতে এই কথাখিনি নোটিচত লয়, বিশেষকৈ শিক্ষাৰ ওপৰত। এই খিনি কৈয়েই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ ।

মাননীয় অধ্যক্ষ ঃ এতিয়া নুৰুল হুদা ।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ প্ৰদান কৰিলে এই ভাষণত তেওঁৰ চৰকাৰ স্বচ্ছ, কাৰ্য্যকৰী, বিশ্বাসযোগ্যতাৰ লগতে দুৰ্নীতিমুক্ত, শূন্যসহনশীল, দায়বদ্ধ, সুপৰায়ণ আৰু সংস্কাৰৰ কথা ক'লে। অধ্যক্ষ মহোদয়, যোৱা কালি লাষ্টগেটত দেখা গ'ল যে শিক্ষকসকলে কান্দি আছে। তাত টেট শিক্ষক, কম্পিউটাৰ শিক্ষক সকলে কান্দি আছে। লগতে গৃহৰক্ষী বাহিনী, গোৰ্খা সমাজ, হাজং ভাইসকল, ডিমাছা ভাইসকলেও কান্দি আছে। গতিকে এনে এটা অৱস্থাত ৰাজ্যপাল ডাঙৰীয়াই ভাষণত চৰকাৰ স্বচ্ছ বুলি কয়, তেন্তে এইটো কেনেকৈ বিশ্বাসযোগ্য হ'ব? চৰকাৰ দায়বদ্ধ বুলি ক'লে, কিন্তু কেনেকৈ দায়বদ্ধ হ'ব? চৰকাৰে দায়িত্ব পালন কৰা বুলি ক'লে কিন্তু চৰকাৰে কি দায়িত্ব পালন কৰিলে ? চৰকাৰে সংস্কাৰ কৰা বুলি ক'লে কিন্তু চৰকাৰে কি সংস্কাৰ কৰিলে, ক'ত সংস্কাৰ কৰিলে? গতিকে এই ভাষণটোত যে কোনো বিশ্বাসযোগ্যতা নাই যোৱাকালি লাষ্টগেটত এই কথা প্ৰতিপন্ন হৈছে। গতিকে অধ্যক্ষ মহোদয়, ২০১৭ চনত যিটো শিক্ষা আইন কৰিলে আৰু যিটো শিক্ষা আইন ২০১৮ চনত সংশোধন কৰিলে, সেই আইনত ইচ্ছু্য ডেটৰ অচিলা লৈ ৯০০ উচ্চ প্ৰাথমিক বিদ্যালয়ত প্ৰভিন্সিয়েলাইজেশ্যনৰ পৰা বাদ দিয়া হ'ল। এই ইচ্ছু্য ডেটটো বাদ দি যিসকল শিক্ষক শিক্ষয়ত্ৰী আছে তেওঁলোকক নিযুক্তি দিয়া হ'ব বুলি ২ চেপ্টম্বৰ২০২০ তাৰিখে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই পবিত্ৰ সদনত কৈছিল। কিন্তু এইটো ঘোষণাতে থাকিল, কাৰ্য্যকৰী নহ'ল। অধ্যক্ষ মহোদয়, যিবিলাক বিদ্যালয় প্ৰাদেশিকীকৰণ আৰু শিক্ষকৰ পদ প্ৰাদেশীকৃত কৰিলে কেনেকৈ কৰিলে চাওঁক- এখন বিদ্যালয়ত যদি ৬ জন শিক্ষক আছে তাৰে ৩ জনক প্ৰাদেশিকীকৃত কৰিলে, বাকী ৩ জনক কৰা নাই। নন টিচিং যদি ৩ জন আছে, তাৰে এজনক কৰিছে বাকী দুজনক কৰা নাই। মোৰ সমষ্টিত 'মাগুৰী' বুলি জনজাতীয় এখন গাওঁ আছে। সেই গাওঁত এখন হাই স্কুল আছে। সেই স্কুলখন বেষ্ট স্কুল বুলি ৰায়দঙীয়া কালিৰাম শইকীয়া হায়াৰ চেকেণ্ডৰী স্কুলত লগ লগাই দিছে। সেই মাগুৰি হাইস্কুলৰ পৰা ৰাইদঙীয়া স্কুললৈ ৭ কি.মি দূৰ। এই ৭ কি.মি দূৰত্ব অতিক্ৰম কৰি কেনেকৈ লৰা ছোৱালী তাত গৈ লিখা পঢ়া কৰিব? এই বিদ্যালয়খন বগুৰাগুৰী হাইমাদ্ৰাছা স্কুলৰ লগত সংলগ্ন কৰি দিলে। তাৰ পৰা পাঁচ কিঃমিঃ দূৰৰ ২৩৬ জন ছাত্ৰ-ছাত্ৰী আছে আৰু ১১২জনে এইবাৰ ফাইনেল পৰীক্ষা দিব। এই সময়তে সেই বিদ্যালয়খন সংলগ্ন কৰি দিলে। এই

বগৰাগুৰী হাইয়াৰ চেকেণ্ডাৰীত যিখিনি ছাত্ৰ আছে, সেইখিনিৰ বহা ঠাই নাই। এই ছাত্ৰ-ছাত্ৰী সকলক কত বহিব দিব ? ইয়াৰ যিখিনি সম্পত্তি আৰু আন্তঃগাঁথনি এইখিনি আকৌ আই,এছক চমজাই দিব লাগে। আজি এই যে চমজাই দিব লাগে চৰকাৰক সেইটো কি আদানি-আম্বানীক দিব নেকি? তেওঁলোকক দি সন্তুষ্ট কৰি আনিব নেকি? এইটো ৰহস্যজনক কথা হৈ পৰিছে চাৰ। মোৰ সমষ্টিত আৰু এটা নেশ্বনেল জুনিয়ৰ কলেজ১৯৯৬ চনত স্থাপিত হৈছিল আৰু প্ৰতিবছৰে ১০০ পাৰচেন্ট ৰিজাল্ট দি আছে, ডিচটিংকশ্বন পায়, ষ্টাৰ পায়। এনেকুৰা এটা জুনিয়ৰ কলেজ ১৯৯৬ চনত স্থাপন হোৱাৰ পিছটো আজিলৈকে এই চৰকাৰে প্ৰাধিকৰণ নকৰিলে। বেলেগ বিলাক কৰিলে কিন্তু এইখন বাদ পেলাই থলে। ক'ত আছে ৰেকৰ্ড হেনো বিচাৰি নাপায়। এই ধৰণৰ কথা যদি হয় তেনেহ'লে কেনেকৈ আমাৰ সমাজখন আগবাঢ়ি যাব? মোৰ ৰূপহী হাইয়াৰ চেকেণ্ডাৰীত বিজ্ঞান আৰু কলা শাখা দুয়োটা আছে। ১৯৯২ চনত বিজ্ঞান শাখাটো প্ৰভিন্সিয়েলাইজ কৰা হ'ল আৰু কলা শাখাটো এতিয়ালৈকে প্ৰভিন্সিয়েলাইজ নকৰিলে। গতিকে আমি আজি দেখা পাইছো যে ৩৬ হাজাৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদান ব্যাহত হৈছে। শিক্ষক সন্মিলনীয়ে অসহযোগ কৰিছে। য'ত মানৱ সম্পদ সৃষ্টি হয়, সেই মানৱসম্পদ সৃষ্টি কৰা আৰু গঢ় দিওতা শিক্ষাগুৰু সকলৰ কথা যদি আজি চৰকাৰে চিন্তা নকৰে আৰু তেওঁলোকক অৱজ্ঞা কৰি প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হয়,তেনেহ'লে কেনেকৈ আমাৰ মানৱ সম্পদ সৃষ্টি হ'ব, কেনেকৈ আমাৰ নৱ-প্ৰজন্ম শিক্ষাৰ দিশত বিকশিত হ'ব ? গতিকে শিক্ষাৰ বৰ্তমান যিটো প্ৰচেষ্টা, এই প্ৰচেষ্টাটো মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত, আমাৰ নৱ-প্ৰজন্মৰ শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যোৱাত যথেষ্ট বাধাৰ সৃষ্টি হ'ব। গতিকে এই যিটো নিয়ম কৰিছে এইটো বাতিল কৰিব লাগে, বন্ধ কৰিব লাগে। বিদ্যালয় য'ত আছে তাতে প্ৰাদেশিকীকৰণ কৰি তাতেই এই চৰকাৰে শিক্ষা দিয়াৰ ব্যৱস্থাটো কৰিব লাগে। আপোনাৰ জড়িয়তে আমি চৰকাৰক এইটোৱে অনুৰোধ জনাইছো। চাৰ, ৰাজ্যপাল ডাঙৰীয়াই সীমান্ত সুৰক্ষাৰ কথা যোৱাকালি ক'লে কিন্তু পৰহি দেখোন মিজোৰামে অসমৰ ১০ কিঃমিঃ দখল কৰি ল'লে, ২১টা ঘৰ-দুৱাৰ জ্বলাই দিলে, মানুহক মাৰ-পিট কৰিলে, অত্যাচাৰ কৰিলে, ক'ত সীমান্ত সুৰক্ষা কৰিলে? গতিকে ইয়াৰ পৰা বুজা যায় যে ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণ আমি বিশ্বাসত লব নোৱাৰো। অকল এইটোৱে নহয়, আজি মাটিৰ পট্টাৰ কথা কৈছে, চাউলৰ কথা কৈছে যে তিনি টকা দৰৰ চাউলৰ তিনি টকাটো ফ্ৰি কৰি দিছে। তিনি টকা ফ্ৰি কৰি বাহ বাহ লব বিচাৰিছে কিন্তু এই ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনখন আমাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী মাননীয় মনমোহন সিং ডাঙৰীয়াই প্ৰনয়ণ কৰিছিল। যি ৮৪ শতাংশ মানুহ খাদ্যৰ সন্ধানত থাকে, খাদ্য কষ্ট পায়, সেই মানুহখিনিক সামৰি লৈ প্ৰতিজনক তিনি টকা দৰত ৫ কেজিকৈ চাউল দিবলৈ চৰকাৰে এই আইন প্ৰনয়ণ কৰিছিল। সেই সময়ত কংগ্ৰেছে ৩০ টকা দামৰ চাউল ২৭ টকা ৰেহাই দি ৩ টকা দামত দিছিল আৰু এতিয়া ৩ টকা ৰেহাই দি আপোনালোকে বাহ বাহ লব বিচাৰিছে। ২৭ টকা ৰেহাই কিন্তু কংগ্ৰেছ চৰকাৰেহে দিছিলে।এতিয়া মাটিৰ পট্টাৰ কথা কৈছে। মাটিৰ পট্টা দিছে ভাল কথা হৈছে কিন্তু এফালে মাটিৰ পট্টা দিছে আৰু আনফালে উচ্ছেদ কৰিছে । সেইটো কেনেকুৰা কথা ? এই যে হাজাৰ হাজাৰ মানুহক উচ্ছেদ কৰা হৈছে ,সেই উচ্ছেদিত ভাৰতীয় নাগৰিক সকলক পুনৰ সংস্থাপন দিয়াৰ কাৰণে আমি অনুৰোধ জনাইছো। আজি সব কা সাথ, সব কা বিকাশৰ কথা কৈছে। কেনেকৈ সব কা সাথ, সব কা বিকাশ হ'ল? সব কা সাথ, সব কা বিকাশ হোৱা নাই, সব কা সাথ,সব কা বিনাশৰ পথতহে গৈ আছে চাৰ। আজি যিসকল মানুহ উচ্ছেদ কৰিছে তাৰ প্ৰমাণ মোৰ হাতত আছে। মই দেখুৱাই দিব পাৰিম যে গোটেই বিলাক মানুহ ভাৰতীয় নাগৰিক। জন্মসূত্ৰে ভাৰতীয় নাগৰিক হোৱাৰ পিছতো তেওঁলোকক

কিন্তু উচ্ছেদ কৰা হৈছে। ইয়াত আমাৰ এজন বন্ধুৱে ৰাস্তাৰ কথা কৈছে যে আগতে ৰাস্তাৰে গ'লে ককাল বিষায়, এতিয়া হেনো সকলো ভাল হৈ গৈছে। মোৰ সমষ্টিত কিন্তু ককাল এতিয়াও বিষায়ে আছে। আজি এই পৱিত্ৰ সদনত তেওঁলোকক মই কৈছো জোনাই চাৰ্কিট হাউচৰ ৰাজ্যিক পথটোৰ এনেকুৱা দুৰৱস্থা, তিনিবাৰকৈ মই গাতবিলাক পুতিছো। বিভাগক মই কৈছো, ফটোসহ দাখিল কৰিছো। মাননীয় গড়কাপ্তানী মন্ত্ৰীয়ে আগৰ সদনত কৈছিল যে আপুনি মোক এছ,অ',পি,ডিৰ ৮কেটি ৭৫ লাখ টকাৰ এষ্টিমেট দিয়ক , কৰাই দিম আৰু ৮কেটি ৭৫ লাখ টকাৰ এষ্টিমেট দিয়াৰ পিচত ইঞ্জিনীয়াৰে চিফ ইঞ্জিনীয়াৰক আৰু চিফ ইঞ্জিনীয়াৰে কমিছনাৰক দিলে।এতিয়া সেই ফাইলটো কমিছনাৰৰ টেবুলতে পৰি আছে। মই কেইবাদিনো গৈছো,এতিয়ালৈকে কিন্তু মুকলি কৰিবপৰা নাই। মইএতিয়াও ৰাজ্যিক পথবোৰৰ গাতপুতি থাকিবলগীয়া হৈছে নিজৰ পইচা দি। তেনেহ'লে কেনেকৈ সমবিকাশ হ'ল? সমবিকাশ হোৱা নাই চাৰ। ইয়াৰ উপৰিও চাৰ মই এইটো কব বিচাৰো যে কংগ্ৰেছ চৰকাৰৰ দিনত হ'ম গাৰ্ড সকলক ৯০০ টকা দৰমহা দিছিলে কিন্তু এতিয়া প্ৰায় ৫ বছৰ হ'ব এটকাও বৃদ্ধি নকৰিলে। এই হ'ম গাৰ্ড সকলে কিন্তু আমাৰ অসম পুলিচে যিখিনি কাম কৰে তাতকৈ বহু বেছি কাম কৰে। এটা ডেড্ ব'ডি যদি কৰবাত পায় তেতিয়া পুলিচে হোম গাৰ্ড জনকে উঠাবলৈ কয়। হোম গাৰ্ড টোক দিনে-নিশাই খটায় থাকে কিন্তু সেই হোম গাৰ্ডজনৰ দৰমহা বৃদ্ধিৰ কথা চৰকাৰে চিন্তা নকৰিলে। যোৱাকালি তেওঁলোকে তাত গৈ কান্দি আছে। আজি গোৰ্খা ভাই সকলেওঁ তেওঁলোকৰ অধিকাৰৰ কাৰণে তাত ৰাজপথত গৈ কান্দি আছে। আজি হাজং যি সকল আছে তেওঁলোকে তেওঁলোকৰ অধিকাৰ পাবৰ কথা কৈ আছে। গতিকে এই সব কা সাথ, সব কা বিকাশৰ কথা যিটো কৈ আছে চাৰ, এইটো সব কা সাথ, সব কা বিকাশ হোৱা নাই। গতিকে যোৱাকালি আমাৰ ৰাজ্যপাল ডাঙৰীয়াই ভাষণত যিখিনি কথা কলে এই গোটেইখিনি কথা কিন্তু বিশ্বাসযোগ্যতাৰ ভিতৰত নাই। গতিকে কালি ৰাজ্যপাল ডাঙৰীয়াই যিখিনি ভাষণ প্ৰদান কৰিছে, ধন্যবাদসূচক যিটো প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া নৱনীতা সন্দিকৈ ।

**শ্ৰীমতী নৱনীতা সন্দিকৈ (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু সদনত উপস্থিত থকা সকলো সদস্যলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। যোৱা ৪ বছৰ ৬ মাহত আমাৰ চৰকাৰে যথেষ্ট খিনি উন্নয়নৰ কাম কৰিছে। অসম যে নিঃসন্দেহে অগ্ৰগতিৰ পথত গৈ আছে মাননীয় ৰাজ্যপাল মহোদয়ৰ বক্তব্যত স্পষ্টভাৱে প্ৰকাশ পাইছে। আজি আমি সকলোৱে এই সদনত বক্তব্য ৰাখিব পাৰিছো কিন্তু পাহৰি যাব নালাগে যে ক'ৰোণাৰ নিচিনা মহামাৰীক যদি আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই ভালদৰে টেকেল নকৰিলেহেঁতেন আমি হয়তো জীয়াই নাথাকিলোহেঁতেন।সেই কাৰণে মই পোন প্ৰথমে আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিম। আজি যদিও আমেৰিকা, ইউ. কেৰ নিচিনা উন্নত দেশবোৰে ক'ৰোণা মহামাৰীৰ পৰা ওলাই আহিব পৰা নাই কিন্তু আজি অসমে ওলাই আহি এটা পথত গৈ আছে। যদি বিশ্বৰ আন দেশৰ নিচিনা Nobel Prize for Peace এটা আমাৰ ওচৰত থাকিলহেতেন, কৰোণা যোদ্ধাসকলক আমি এটা Prize দিয়াৰ ব্যৱস্থা কৰি প্ৰথমে মই ড° হিমন্ত বিশ্ব ডাঙৰীয়াক হয়তো সেই Prize টো দিলোহেতেন। আমাৰ চৰকাৰে যদি ক'ৰোণা মহামাৰীক ভালকৈ, ধৈৰ্য্যৰে টেকেল নকৰিলেহেতেন আমি কোনো এজন ব্যক্তি জীয়াই নাথাকিলেহেতেন। অসমৰ ৰাইজে জানে যে তেওঁ কেনেকৈ দিনে-ৰাতিয়ে কষ্ট কৰিলে। তেওঁৰ এই কথাখিনি অসমৰ ৰাইজে কেতিয়াও পাহৰি নাযায়। মহোদয়, আমি কওঁ যে এখন দেশ উন্নত

হবলৈ ৰাস্তা-পদুলি বা উন্নত আন্তঃগাঁথনি লাগে । আজি আমাক মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে শদিয়াৰ পৰা ধুবুৰীলৈ উন্নয়ন হৈছে। যদি ৰাস্তাৰ অৱস্থা চাও এতিয়া শদিয়াৰ পৰা ধুবুৰীলৈ ৰাষ্ট্ৰীয় ঘাইপথ, দলং হৈ আমি uninterrupted road ত যাব পাৰো। এটা সময়ত অসমৰ ৰাইজে কি ভুক্তভোগী হৈছিল তেওঁলোকে পাহৰি যোৱা নাই। যদি ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেদি গৈছিল প্ৰত্যেক ঠাইতে তেওঁলোকে গাতৰ কথা চিন্তা কৰিবলগীয়া হৈছিল। আজি কিন্তু অসমৰ ৰাইজে যেতিয়া গাড়ীত যায় চালকৰ গাড়ীৰ স্পীড'মিটাৰত তেওঁলোকৰ চকুটো যায় যাতে চালকে বেছি স্পীডত গাড়ী নচলায়। এইয়া কি উন্নয়ন নহয় নেকি? আমি আৰু এটা কথা জানো যে গছ থাকিলেহে মানুহ থাকিব। আজি পৰিৱেশ বা বনানীকৰণৰ ওপৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি পদক্ষেপ লৈছে মই তেওঁক ধন্যবাদ জনাও। Massive Plantation হৈছে। আমি নিজেও ৰাইজৰ মাজত বহুত গুটি বা গছপুলি বিতৰণ কৰিছো আৰু ২৪ খন সাহিত্যমুনি উপবন বা bio-diversity park অসমত হৈছে ।তাৰ ভিতৰত ১৭ খন open হ'ল আৰু ৭ খন open হবলৈ বাকী আছে। কম সময়ৰ ভিতৰতে সেইখিনিও open হৈ যাব। দিহিং-পাটকাইৰ নিচিনা wild life sanctuary আজি National Park হ'বলৈ গৈ আছে। আমি আগতে টি,ভি খুলিলেই বাতৰিত কাজিৰঙাত গড় হত্যা হোৱাৰ কথা শুনিছিলো কিন্তু আজি-কালি সেইটো দেখা নাযায়। কোভিড-১৯ৰ সময়ত আৰকাৰী বিভাগে বিশেষকৈ মাননীয় মন্ত্ৰী শুক্লবৈদ্য ডাঙৰীয়াই যিখিনি চেনিটাইজাৰ ব'টলিং প্লেন্টৰ পৰা উলিয়াই দিলে তাৰ বাবে মই তেওঁলোকক ধন্যবাদ জনাম। আমাৰ চৰকাৰে সঠিক সময়ত সঠিক কাম কৰে। যি সকলে এই উন্নয়নৰ কামখিনি দেখিও নেদেখাৰ ভাও জুৰিছে, আজি মই কম এইখিনি তেওঁলোকে নিশ্চয় দেখিছে, অসমৰ ৰাইজে দেখিছে। আজি যদি চাকৰিৰ কথা কওঁ, আগতে cash for job আছিল বাবে হয়তো ল'ৰা- ছোৱালীয়ে পঢ়িবলৈ বেয়া পাইছিল। কিন্তু আজি আমাৰ চৰকাৰে এটা নতুন দিগন্ত, নতুন বিশ্বাস আনিছে। আজি ল'ৰা-ছোৱালীয়ে পঢ়ি এটা চাকৰি পোৱাৰ সপোন দেখিছে বা চাকৰি ইতিমধ্যে পাইও গৈছে। আমাৰ চৰকাৰে কেইবাটাও উন্নয়নৰ কাম কৰিছে। চাহ অসমৰ অৰ্থনৈতিক ৰাজহাড়। আজি তেওঁলোকে কি পাইছে? আজি তেওঁলোকে এটা সুন্দৰ পৰিৱেশত তেওঁলোকৰ লৰা-ছোৱালীক স্কুললৈ পঠিয়াব পাৰিছে,
hi-tech school চাহ বাগানত হৈ উঠিছে। তেওঁলোকে আজি কল্পনা কৰিব পাৰে যে মই পঢ়ি-শুনি সেই বাগানৰ মেনেজাৰ হ'বলৈ পাৰিম। এই সাহসকণ কোনে দিছে? আমাৰ চৰকাৰে দিছে। মহিলা সৱলীকৰণৰ ওপৰত যদি আমি কথা কওঁ, মই নিজে এগৰাকী মহিলা হিচাপে কওঁ যে অৰুণোদয়ৰ নিচিনা এখন সুন্দৰ আঁচনি আমাক চৰকাৰে দিছে। এই অৰুণোদয় আঁচনিখনে ৮৩০ টকা মহিলাসকলৰ account ত ভৰাই দিছে আৰু এটা নতুন সাহস মহিলা সকলক দিছে যে তেওঁলোকেও আগবাঢ়ি যাওঁক আৰু অসমৰ Economic condition টো তেওঁলোকেও ভাল কৰি দিয়ক। আমি যদি law and order situation চাও, আজি অসমত এটা peaceful atmosphere হৈছে আৰু এই atmosphere টোৰ কাৰণে আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব। তেওঁৰ নেতৃত্বত model police station আৰু smart police গঠন হ'ল। আজি পুলিচসকলে ভাগৰ লাগিলে জিৰাবলৈ তেওঁলোকৰ হোষ্টেল হৈ উঠিছে আৰু এইটো recyclable materials ৰ দ্বাৰা সম্ভৱ হৈ উঠিছে। আজিlaw and order situationটো ইমানেই উন্নত হৈছে যে extremist related crimes almost nil হৈ গৈছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীজী আৰু অমিত শ্বাহজীক আমি ধন্যবাদ দিব লাগিব। প্ৰধানমন্ত্ৰীয়ে অসমক ইমান মৰম কৰা সময় আগতে কেতিয়াও অহা নাছিল। বিজেপি চৰকাৰৰ দিনত তেওঁলোকে আমাৰ

অসমক যথেষ্ট সময় দিছে যাতে অসমখন আগুৱাই যাব পাৰে। তেওঁলোকেও বুজি পাইছে আৰু আমিও বুজি পাইছো যে অসম আগুৱাই যাবলাগিব নহ'লে অসম যদি আগুৱাই নাযায় Asean country ৰ লগত এটা সু-সম্পৰ্ক হ'বলৈ অসুবিধা হ'ব। Look East policy য়ে আমাক ফল দিছে । এটা সময় আছিল আগৰ চৰকাৰে আমাক কি অৱস্থাত এৰি থৈ গৈছিল। ২০১৬ চনৰ আগৰ যদি অসমৰ পৰিৱেশ চাও তেওঁলোকে অসমখনক অন্ধকাৰত থৈ গৈছিল। কিন্তু আমাৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক Team Assam formula লৈ আগুৱাই নিছিল। ইংৰাজীত এষাৰ কথা আছে যে when going gets tough the tough gets going । আমি সকলোৱে তেওঁলোকৰ লগত যোগ দিছিলো আৰু Team Assam হৈ সকলোৱে কাম কৰিছিলো। চৰকাৰী কৰ্মচাৰী সকলে আগতে যদি কামত অৱহেলা কৰিছিল, তেওঁলোকেও কামৰ এটা নতুন মন্ত্ৰ দেখিছিল যে সময়ত কাম কৰিব লাগিব। তেতিয়া Assam State Bank official বা private Bank official সকলেও আমাৰ account বিলাক সময়মতে খুলি দিয়াত যথেষ্ট কষ্ট কৰিছিল। বাগানৰ account নাছিল। কিন্ত এই চৰকাৰৰ বাবে সম্ভৱ হ'ল। এই চৰকাৰেই এটা Team spirit গোটেই অসমত আনিবলৈ সক্ষম হৈছিল।যদি আমি চাও পৰ্যটনৰ ক্ষেত্ৰটো অসমত এটা নতুন দিশৰ সূচনা হৈছে। আমাৰ চৰকাৰে 'অসম দৰ্শন' আঁচনিযোগে আমাৰ heritage property বিলাক develop কৰিছে। আগৰ বক্তাসকলেও কৈছে আমাৰ নামঘৰবিলাক develop হৈ গৈছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সদায় কয় যে জীৱনৰ প্ৰধান লক্ষ্য হৈছে স্বচ্ছতা। আমাৰ নামঘৰ বিলাকত toilet বা bathroom facilities হৈ গৈছে আৰু স্বচ্ছ toilet facilities প্ৰায় বাগান আৰু গাওঁ অঞ্চলত হৈ উঠিছে।আগৰ চৰকাৰে বেছি কাম কৰিছিল চহৰ অঞ্চলত। কিন্তু আমাৰ চৰকাৰে city to village concept লৈ কাম কৰিছে। সেইকাৰণে হয়তো আমাৰ গাওঁবিলাকৰ উন্নয়ন হৈছে, আদৰ্শ গাওঁ হিচাপে গঢ়ি উঠিছে। কেইবাখনো গাওঁ মুখ্যমন্ত্ৰী উন্নয়ন গাওঁ হিচাপে গঢ়ি উঠিছে। আজি গাওঁবাসীয়ে যি বিচাৰিছে বোলে তেওঁলোকক এটা লাইব্ৰেৰী লাগে আমাৰ চৰকাৰে দিবলৈ সক্ষম হৈছে। আমাৰ চৰকাৰে home delivery, home service দবলৈ সক্ষম হৈছে । প্ৰত্যেকজন MLAয়ে যথেষ্ট কষ্ট কৰিছে যাতে ৰাইজৰ লগত তেওঁলোকে মত বিনিময় কৰিব পাৰে ।আগৰ চৰকাৰৰ MLA সকলক ৰাইজে লাইনপাতিও লগ কৰিবলৈ দিগদাৰ আছিল কিন্তু আজি সেই gape বহু কম হৈ গৈছে। সকলোৱে MLA সকলক তেওঁলোকৰ মনৰ কথা কব পাৰিছে। আমাৰ চৰকাৰে sports field তও যথেষ্টখিনি কাম কৰিছিল। অৱশেষত এইখিনি কথা কোৱা সুযোগ দিয়াৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি মোৰ চমু দু-আষাৰ সামৰণি মাৰিছো। ভাৰত মাতা কি জয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আপুনি খুব সুন্দৰকৈ আপোনাৰ বক্তব্য আগবঢ়াইছে। এতিয়া মাননীয়া সদস্যা কমলী বসুমতাৰী ডাঙৰীয়ানীয়ে কওঁক।

**শ্ৰীমতী কমলী বসুমতাৰী (পানেৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি সমৰ্থন জনাইছিল, সেই ভাষণৰ সমৰ্থনত মোক দু-আষাৰ বক্তব্য ৰাখিবৰ সুযোগ দিয়াৰ বাবে মাননীয় অধ্যক্ষ ডাঙৰীয়াক মই ধন্যবাদ জনাইছো। সকলো চৰকাৰৰ ৰাইজৰ কাম কৰিবৰ বাবে সদিচ্ছা থাকে। ঠিক তেনেকৈ ময়ো দীৰ্ঘদিন এই বিধান সভাৰ মজিয়াত আছো। মোৰ ১৯ বছৰ অতিবাহিত হৈ আৰু বৰ্তমান ২০ বছৰ হৈছে। মোৰ এই দীৰ্ঘ ৰাজনৈতিক জীৱনত বহুখিনি দেখিবলৈ পাইছো। প্ৰকৃততে আজি অসমৰ যিখিনি বিকাশ আহিছে তাৰ বাবে মই এই চৰকাৰক ধন্যবাদ জনাবই লাগিব। তথাপিও মই মোৰ মনৰ দু-আষাৰ বক্তব্য ৰাখিব বিচাৰিছো।

আজি অসমখন আগুৱাই লৈ যাব লাগিলে, সকলো অঞ্চল, সকলো জিলা সামৰি কাম কৰাটো সকলো চৰকাৰৰ দায়িত্ব। আজি মই বি টি চি অঞ্চলৰ কথা কিছু উনুকিয়াব লাগিব। ২০০৩ চনত ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বি টি চিৰ মাজত চুক্তি হৈ বি টি চি গঠন হৈছিল। ক'ব গ'লে এই বি টি চি চুক্তিৰ দ্বাৰাহে বি টি চি অঞ্চলৰ উন্নয়নৰ গুৰুত্ব আমি দেখিবলৈ পাইছো। তেতিয়াৰ পৰাহে বি টি চিৰ উন্নয়ন আৰম্ভ হোৱা বুলি ক'ব লাগিব। অসমত বিভিন্ন শিতানত এই চৰকাৰে পইচা দিছে। আজি অসমৰ ৰাস্তা-ঘাট, দলঙৰ কথা মই ক'বলৈ নাযাওঁ। এই চৰকাৰে যথেষ্টখিনি কাম কৰিছে। আগৰ চৰকাৰকো মই কোনো বিৰূপ মন্তব্য কৰিব বিচৰা নাই। আমি ১৫ বছৰ আগৰ চৰকাৰৰ লগতো আছিলো। আগৰ চৰকাৰক আৰু বৰ্তমান চৰকাৰৰ লগত যদি আমি তুলনা কৰো তেনেহ'লে এই ৫ বছৰত বৰ্তমান চৰকাৰৰ অলপ হ'লেও বেছি কাম হৈছে। সেইটো আমি স্বীকাৰ কৰিব লাগিব। শান্তি-সম্প্ৰীতি অটুট ৰখাটোৱে এই চৰকাৰৰ মূলমন্ত্ৰ। সৱকা সাথ, সৱকা বিকাশ, বেটী বচাও, বেটী পঢ়াও এই শ্লোগানটো এই চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ আছে। বি জে পি চৰকাৰৰ এইটো এটা এজেণ্ডা। মাননীয় অধ্যক্ষ মহোদয়, সৱকা সাথ, সৱকা বিকাশ যদি ক'বলৈ যায়, তেতিয়াহ'লে কিছুমান জিলাৰ কিছুমান ঠাই অৱহেলিত হোৱাৰ নিচিনা মোৰ অনুভৱ হয়। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অধ্যক্ষতাত এই ৫ বছৰে এটা আমূল পৰিৱৰ্তন মই দেখিবলৈ পাইছো। এইখন যিহেতু অন্তিম অধিৱেশন, তাৰ পিছত আমাৰ এই ৫ বছৰীয়া চৰকাৰৰ কোনো অধিৱেশন আমি নাপাওঁ। গতিকে আপোনাৰ অধ্যক্ষতাত এটা ডাঙৰ পৰিৱৰ্তন আমি দেখিবলৈ পাইছিলো। কাৰণ আগতে আমাৰ বিধান সভাৰ কমিটী সমূহত শাসকীয় দলৰ সদস্য নহ'লে কোনো সভাপতি হ'ব পৰা নাছিল। কিন্তু আপোনাৰ অধ্যক্ষতাত আপোনাৰ দিনত কংগ্ৰেছ দলৰ এগৰাকী বিধায়িকাক Woman Empowerment Committee ৰ Chair person বনাই বিধান সভাত এটা নিদৰ্শন দেখুৱাইছে। তাৰ বাবে মই মহিলা হিচাপে আপোনাক ধন্যবাদ দিছো। সৱকা সাথ, সৱকা বিকাশ এই ক্ষেত্ৰত মই কিছু বক্তব্য ৰখিম। কাৰণ আমি ৰাস্তা-ঘাট, বাট-পথ আদিৰ ক্ষেত্ৰত যিমানখিনি পাব লাগিছিল তাত কিছু বৈষম্য ৰখাৰ নিচিনা দেখা গৈছে। সেই হিচাপে সকলোৰে লগত থাকি অসমৰ বিকাশ হোৱাটো যদি বিচাৰে তেনেহ'লে সকালোকে সমান দৃষ্টি দিয়াটো মই কামনা কৰো। আজি সকলোফালে উন্নয়ন হৈছে। আজি অৰুণোদয় আঁচনিয়েই হওঁক, বিধৱা পেঞ্চন আঁচনিয়েই হওঁক বা আৰু এখন নতুন আঁচনিৰ নাম শুনি আছো। কিন্তু আমি ৰূপায়ণ কৰিব পৰা নাই। আইদেউ সন্দিকৈৰ নিচিনা আঁচনি আগতে নাছিল। এই চৰকাৰৰ দিনত এই আঁচনিসমূহ আমি পাইছো। কিন্তু বি টি চিত এতিয়ালৈকে ৰূপায়ণ হোৱা নাই। আজি অৰুণোদয় আঁচনিৰ ক্ষেত্ৰত মই এটা বৈষম্য দেখিছো। বিগত ১৫ বছৰে কংগ্ৰেছ দলৰ সদস্য হিচাপে মই এই বিধান সভাৰ সদস্য হিচাপে আছিলো। তেতিয়া বিভিন্ন উন্নয়নৰ কমিটী সমূহত সকলো দলৰ সদস্য সকলক সাঙুৰি ৰাখিছিল। কিন্তু অৰুণোদয় আঁচনিৰ ক্ষেত্ৰত মই বৈষম্যতা দেখিছো আৰু মনত দুখ পাইছো। কাৰণ আমাক সম্পূৰ্ণকৈ আঁতৰাই এই সমিতি সমূহ গঠন কৰা হ'ল। আমি আজি অৰুণোদয়ৰ ক্ষেত্ৰত এজনো হিতাধিকাৰী দিব নোৱাৰো। কোনো এজন দুখীয়া মানুহৰ নাম আমি দিব নোৱাৰো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি বিধান সভাৰ অধ্যক্ষৰ উপৰিও এটা সমষ্টিৰ এজন বিধায়ক হয়। আপোনাৰো কিছু কথা থাকে, কিছু কাম কৰিবলগীয়া থাকে। ঠিক তেনেকৈ আমিও বিধায়িকা হিচাপে এটা সমষ্টিক নেতৃত্ব দি আহিছো। আমাৰ ওপৰত ৰাইজৰ যথেষ্ট আশা থাকে। সেই কাৰণে মই এই অৰুণোদয় আঁচনিখনত সকলো বিধায়কক সামৰি লোৱাটো বিচাৰো। মই নাজানো আপোনালোকৰ চৰকাৰৰ ফালৰ পৰা আপোনালোকক লৈছে নে নাই ? কিন্তু বি টি চিৰ ক্ষেত্ৰত আমি সম্পূৰ্ণ এলাগী

হৈ আছো। বি টি চি নিৰ্বাচন হৈ চৰকাৰ গঠন হ'ল। এতিয়া অৰুণোদয় আঁচনিৰ প্ৰ-পত্ৰ সমূহ কিছুমান বিশেষ দলে বিলাই আছে। সেই বৈষম্যতাটো মই দেখিছো। যিহেতু অসমত সকলো অঞ্চলত নহ'লেও দুই এটা অঞ্চলত হাতী-মানুহৰ সংঘাত হৈ আছে। এই হাতী-মানুহৰ সংঘাতৰ বিষয়ে যোৱা ২০ বছৰে মই এই সদনত কেইবাবাৰো উল্লেখ কৰিছো। কিন্তু ইয়াৰ স্থায়ী সমাধান এতিয়ালৈকে হোৱা নাই। আমাৰ ওদালগুৰি জিলাৰ উত্তৰ অঞ্চলৰ ইণ্ডো-ভূটান বোৰ্ডাৰ অঞ্চলত যিবিলাক গাওঁ আছে, তাত সপ্তাহত এজন হ'লেও লোকক হাতীয়ে হত্যা কৰে আৰু কেতিয়াবা ইয়াৰ পৰিণতিত হাতীও মৰিবলগীয়া হয়। সেয়েহে এই সমস্যাটো এটা সমাধান মই এই চৰকাৰৰ পৰা আশা কৰিছিলো। বৰ্তমান চৰকাৰৰ বেছিদিন নাই। গতিকে আশা কৰিছো আপোনালোকে আকৌ এবাৰ চৰকাৰ গঠন কৰিলে এই সমস্যাটো গুৰুত্ব সহকাৰে অসমত সমাধান কৰিবলৈ ভাল এটা ফৰ্মূলা উলিয়াব। বৰ্তমান বি টি চি অঞ্চলত বহু অশান্তি বিৰাজ কৰি আছে। আমাৰ আগৰ বক্তা চৰণ বড়ো ডাঙৰীয়াই হয়তো কথাবিলাক কৈছে। মই এটা বিশেষ কাৰণত হস্পিতাল যোৱাৰ বাবে মই নুশুনিলো। সেই হিচাপে শান্তি-সম্প্ৰতি অটুত ৰখাটো এখন চৰকাৰৰ দায়িত্ব। বৰ্তমান বি টি চি অঞ্চল সমূহত সদায়ে প্ৰশাসনৰ দ্বাৰা ভাবুকিৰ সন্মুখীন হৈ আছে। কাৰোবাক হয়তো মাতি পঠাইছে বা কিবা কৰিছে। এনেধৰণৰ সমস্যা আমি ভুগি আছো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অধ্যক্ষতাত মই ইয়াৰ সমাধন আশা কৰিছো। ৰাস্তা-ঘাটৰ বিষয়ে আমি নকওঁ। শূণ্য অৱস্থাত আমি ৰাস্তা-ঘাটসমূহ পাইছিলো। ২০০১ চনলৈ মোৰ সমষ্টিত এটাও পকী ৰাস্তা নাছিল। কংগ্ৰেছ চৰকাৰৰ দিনতো বহুতো পকী ৰাস্তা, পকী দলং পাইছিলো। আজি যেনেকৈ পাইছিলো, ঠিক তেনেকৈয়ে পাইছিলো। যাতায়তৰ ক্ষেত্ৰত আজিৰ যিটো পৰিৱৰ্তন, সেই পৰিৱৰ্তনটো দেখি এইটো ক'ব নোৱাৰো যে মানুহৰ টকাই বেছি হ'ল নে যানবাহন বেছি হ'ল, কিন্তু সদায়ে মানুহ এক্সিডেণ্টত মৰে। গতিকে এইবিলাক সমস্যা আছে। আগৰ চৰকাৰেও কৰিছিল আৰু এতিয়াৰ চৰকাৰেও প্ৰথম বিভাগত উচ্চতৰ মাধ্যমিক পাচ কৰা ছোৱালী সকলক স্কুটী দিয়া দিছে। কিন্তু এই স্কুটী সমূহ বৰ্তমান কাল হৈছে। আপোনালোকৰ সমষ্টিসমূহত এইবোৰ সমস্যা হৈছে নে নাই মই নাজানো। কাৰণ দুখীয়া ছোৱলী এজনীক স্কুটী দিয়াৰ লগে লগে তেওঁলোকৰ বোজাটো বাঢ়িছে। মই অনুৰোধ কৰিব বিচাৰিছো যে তেওঁলোকক স্কুটীৰ পৰিৱৰ্তে যদি স্কুটীৰ পইচাখিনি দি দিয়ে তেতিয়া এটা ভাল কামত আহিব। গতিকে মই সেইটো আশা ৰাখিছো। মই যিহেতু শেষলৈকে বক্তব্য নিদিওঁ বুলি ভাৱিছিলো, কিন্তু ক'বলগীয়া সদস্য নথকা বাবে মই কৈছো। শেষত সকলোৱে যেন আগন্তুক নিৰ্বাচনত জিকি আহক ইয়াকে কামনা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া জয়ৰাম ইংলেং ডাঙৰীয়াই কওঁক। ইয়াৰ পিছত কিশোৰ নাথ তাৰ পিছত ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই ক'ব।

**শ্ৰী জয়ৰাম ইংলেং (হাওৰাঘাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ে দিয়া ভাষণৰ ওপৰত আমাৰ মাননীয় বিধায়ক হাজৰিকা ডাঙৰীয়াৰ ধন্যবাদসূচক প্ৰস্তাৱত মই সম্পূৰ্ণ সমৰ্থন জনাইছো। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ কপি আমাৰ প্ৰত্যেক গৰাকী সদস্যকে দিছে আৰু সেই ভাষণ মই যোৱা ৰাতি পঢ়ি চাওঁতে ইয়াৰ আখৰে আখৰে কাম হোৱা আমি দেখিবলৈ পাইছো। যিটো সত্য আৰু সঁচা। উপৰোক্তসকলে এই ভাষণৰ সপক্ষে বা বিপক্ষে বহু কথা কৈছে আৰু কথাবোৰ মই শুনি গৈছো। আমাৰ ৫ বছৰীয়া কৰ্য্যকাল শেষ হ'বলৈ লোৱা আমি কেলেণ্ডাৰৰ মতে দেখিছো। কিন্তু কাৰ্য্যক্ষেত্ৰত আমাৰ চৰকাৰ তথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সদিচ্ছা লৈ মাননীয় মন্ত্ৰীসকল বা বিধায়ক সকলৰ জৰিয়তে ১২৬ টা সমষ্টিত উন্নয়নৰ গতি দাঙি

ধৰা আমি দেখিবলৈ পাইছো। আমি এতিয়া গাৱঁলৈ গ'লে ভাল ৰাস্তা দেখিবলৈ পাওঁ, নগৰ-চহৰ বোৰতো ভাল ৰাস্তা হোৱা আৰু দুখীয়া-দৰিদ্ৰ লোকসকলে বিনামূলীয়া চাউলকে আদি কৰি স্কু-কলেজত বিনামূলীয়াকৈ পঢ়াৰ সুবিধা পাইছে। বিশেষকৈ এই ক'ভিডৰ সময়ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আৰু স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত যি পদক্ষেপ লৈছে, সেই সকলো খিনি উপৰোক্ত বক্তাসকলে শলাগিছে। এই মহামাৰীৰ সময়তো আমাৰ চৰকাৰ বহি থকা নাই। আমাৰ চৰকাৰে ঘৰে ঘৰে গৈ চেনিটাইজাৰ দিয়া, মাস্ক দিয়া, বিনামূলীয়া চাউলকে ধৰি অন্যান্য বস্তু দি বহু উপকাৰ সাধন কৰিছে।আজিও অসমৰ চুকে-কোণে গ'লে মানুহে কয়। বৰাক ভেলীৰ প্ৰায়বিলাক গাঁৱত মই গৈছো আৰু তাৰে লোকসকলে কয় যে আমি বহুত সুবিধা পাইছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ও ব্ৰহ্মপুত্ৰ, বৰাক ভেলী পাহাৰ-ভৈয়ামৰ কথা কৈ থাকে। ইয়াৰ আগতে নোহোৱা নোপোজা কিছুমান ৰাস্তা যিবোৰ ৰাস্তাৰ কথা মানুহে পকী হোৱাটো ভাৱিবই পৰা নাছিল, সেইবোৰ বৰ্তমান পকী ৰাস্তা হৈছে। এনেকুৱা বিপদৰ সময়ত আমি এনেকুৱা বস্তু পাম, সঁহাৰি পাম। মানুহৰ এইটো স্বপ্ন আছিল আৰু স্বপ্নটোৰ এটা ৰূপ দেখিলে। এতিয়া মই দেখিবলৈ পাইছো যে বিভিন্ন জনে সপক্ষে আৰু বিপক্ষে যিবিলাক কথা কৈ আছে তাৰ মাজতো এটা কথা ক'ব খুজিছো যে এই ৫ টা বছৰৰ কাৰ্য্যকাল শেষ হ'ল বুলি ক'বলৈ লৈছে, সেই কাৰ্য্যকাল ৫ বছৰ আচলতে হোৱা নাই। কেলেণ্ডাৰেহে ৫ বছৰ চুবলৈ গৈ আছে। ইয়াত আপোনালোকে চাওঁক সমষ্টিত যেতিয়া উন্নয়ন কৰিবলৈ যাওঁ তেতিয়া যদি সোধা হয় যে বি ডি অ', জে ই ই, পি ডব্লিউ ডি ইঞ্জিনিয়াৰ ক'ত আছে? তেতিয়া এন আৰ চিৰ কামত থকা বুলি কয়। এই এন আৰ চিৰ কামতেই প্ৰায় তিনিটা বছৰ লগাই দিলে। সেইখিনি সময় আমি নাপালো। তাৰোপৰি আহি গ'ল কিছুমান আন্দোলন। কা আন্দোলনৰ সময়তো প্ৰায় স্তব্ধ হৈ গ'ল। অলপ আগতে বিধান সভাতে দেখিছো যে আমাৰ মাননীয় সদস্য এজনে কথা কৈ আছিল। তাৰ মজতে আৰু এজনে কিবা এটা ক'লে আৰু এজন মাজতে থিয় হ'ল, সেই সময়ত প্ৰচিডিং টো অলপ ব্যাঘাত হোৱাৰ নিচিনা হয়। ঠিক সেইদৰে আন্দোলন বিলাকেও অলপ ব্যাঘাত দিলে। তাৰ পিছতে আহি গ'ল আকৌ ক'ভিড। ক'ভিডে ৮ মাহ সময় নষ্ট কৰিলে। সকলোৱে নিজৰ জীৱন লৈ ব্যস্ত হৈ গ'ল। তাৰ মজতো আমি চৰকাৰৰ ফালৰ পৰা আৰু আমাৰ স্বাস্থ্য বিভাগৰ ফালৰ পৰা যে আমি ইমানখিনি সুবিধা পাইছো। আমাৰ চৰকাৰৰ ফালৰ পৰা এই অভাৱৰ সময়ত বিনামূলীয়া চাউল দিব পাৰিছো বা পাৰিছে। এই দিশটো চালে আমি সকলো দেখা পাম। গতিকে ৫টা বছৰ যদি হোৱা নাই, সেই বাবে অভাৱ-অভিযোগ কিছু থাকিবই। আশা ৰাখিছো যে আগন্তুক নিৰ্বাচনত আমাৰ চৰকাৰ আহিবই। হয়তো ৰাইজে ইতিমধ্যে মনস্থ কৰিলে যে পুনৰ বি জে পি চৰকাৰেই হ'ব। আমাৰ মাননীয় মুখমন্ত্ৰী ডাঙৰীয়া, মাননীয় বিত্তমন্ত্ৰী আৰু গোটেই মন্ত্ৰীসকলক লৈ আকৌ যেতিয়া সময় পাব, যিমান অভাৱ-অভিযোগ আছে সেইবোৰ পূৰণ কৰিবলৈ চেষ্টা কৰিব। মোৰ সমষ্টিতো বহুতো অভাৱ-অভিযোগ আছে। মোৰ সমষ্টিতো হাওঁৰাঘাট কলেজখন প্ৰাদেশিকীকৰণ হ'বলৈ আছে। বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে যিটো দাঙি ধৰিছে, সেইটোৰ সকলো কাগজ-পত্ৰৰ কাম হৈ গ'ল। কিন্তু অলপ সময়ৰ অভাৱৰ কাৰণে কামটো হৈ নুঠিল। কপিলী কলেজখন আছে। এতিয়া আমি গাঁৱে-ভূঁএে গ'লে PMGSY, SOPD ৰ অধীনৰ ৰাস্তা আৰু ইতিমধ্যে RIDF ৰ অধীনৰ দলং দেখিবলৈ পোৱা যায়। ইমানখিনি উন্নয়নৰ কাম হৈ আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী, চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই আমাক বাংলাদেশ আৰু ম্যানমাৰলৈ লৈ গৈছিল। এই ডাঙৰ সদিচ্ছা এটা কাৰ্য্যক্ষেত্ৰত কেনেকৈ পৰিণত কৰিব পাৰি তাৰ বাবে এইটো

এটা ডাঙৰ পদক্ষেপ লৈছিল। আমি গৈ গোটেইখিনি দেখিলো। তাৰ পিছত আমাৰ চুবুৰীয়া দেশবিলাকতো GDP বঢ়াবলৈ যিখিনি সুবিধা আমি ল'ব লাগে, সেইখিনি সুবিধাও নিশ্চয় আহি যাব। গতিকে মই মহামহিম ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণক সম্পূৰ্ণৰূপে সমৰ্থন জনাইছো। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সহযোগিতাৰ বাবে ধন্যবাদ। এতিয়া সময় বেছি দিব নোৱাৰো। সেইকাৰণে প্ৰথমে কিশোৰ নাথ ডাঙৰীয়াই কওঁক আৰু তাৰ পিছত ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই ক'ব।

**শ্ৰী কিশোৰ নাথ (বৰখলা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক বক্তব্য ৰাখিবলৈ পাই মই আপোনাক ধন্যবাদ জনাইছো। মই সৰ্বপ্ৰথমে আমাৰ ভাৰতৰ প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়া, অসমৰ মুখ্যমন্ত্ৰী মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ লগতে আমাৰ বিত্তমন্ত্ৰী মাননীয় হিমন্ত বিশ্ব ডাঙৰীয়াকো ধন্যবাদ জনাইছো। কিয়নো তেওঁলোকৰ বাবে আমি সকলোৱে সুস্থ আছো। এই কৰোণা ক'ভিড-১৯ মহামাৰীৰ সময়ত আমি সকলোৱে তেওঁলোকৰ বাবে জীয়াই আছো। মাননীয় অধ্যক্ষ মহোদয়, সৱকা সাথ, সৱকা বিকাশ আৰু সৱকা বিশ্বাস এই মন্ত্ৰটো লৈ আমি কাম কৰি গৈ আছো। যাৰ বাবে আমি আজি ৰাইজৰ বিশ্বাস পাই আছো। আমি সঁচা কথাটো মানিবই লাগিব আৰু সঁচা কথা সহ্য কৰিবই লাগিব। বিৰোধী দলৰ কোনোবা সদস্যই সৱকা সাথ, সৱকা বিকাশ হোৱা নাই বুলি কৈছে। কিন্তু আমি প্ৰমাণ কৰি দিছো যে সৱকা সাথ, সৱকা বিকাশ হৈছে। যাৰ বাবে আমি সকলোৱে বিশ্বাস ঘূৰাই পাইছো। তাৰে দুই-এটা উদাহৰণ মই দিছো। যেনে-বৃদ্ধ পেঞ্চনৰ দিয়াৰ ক্ষেত্ৰত আগৰ চৰকাৰৰ দিনত মুখ চাই ২-৪ জনক পেঞ্চন দিয়া হৈছিল। কিন্তু আমাৰ চৰকাৰৰ দিনত তেনেকুৱা কৰা হোৱা নাই। ৬০ বছৰৰ উৰ্দ্ধত যিসকল আছে, সকলোকে বৃদ্ধ পেঞ্চন দিয়া হৈছে আৰু আমি কাকো সোধা নাছিলো যে তেওঁলোক কোন দলৰ, কোন জাতিৰ বা কোন ধৰ্মৰ লোক হয়। একো নোসোধাকৈ সৱকা সাথ, সৱকা বিকাশ আৰু সৱকা বিশ্বাস তাৰে এটা আমি প্ৰমাণ কৰিলো। সকলোকে আমি বৃদ্ধ পেঞ্চন দিলো। একেদৰে বিধৱা পেঞ্চনো আমি সকলোকে দিছো। তাত আমি কোনো পাৰ্থক্য কৰা নাই। আমি কেতিয়াও সোধা নাই যে তেওঁলোক কোন জাতিৰ, কোন ধৰ্মৰ বা কোন বৰ্ণৰ লোক। মুখ চাই চাই ৪-৫ জনক দিয়া হৈছিলে। কিন্তু আমাৰ চৰকাৰৰ দিনত তেনেকুৱা কৰা নাই। ৬০ বছৰৰ উৰ্দ্ধত যিসকল আছিলে সকলোকে বৃদ্ধভাত্তা দিয়া হ'ল। সেই সময়ত আমি শোধা নাছিলো যে আপুনি কোন দলৰ হয়বা কোন জাতিৰ হয়?সবকা সাথ সবকা বিকাশ সেইটো আমি প্ৰমান কৰিলো আৰু কোনো ধৰণৰ প্ৰশ্ন নকৰাকৈ সমানে সকলো ৬০ উৰ্দ্ধৰ লোকক বৃদ্ধভাত্তা দিলো। কোন জাতিৰ কোন ধৰ্মৰ, কোন বৰ্ণৰ বা কোন পাৰ্টীৰ হয় কোনো প্ৰশ্ন কৰা নাই। ঠিক এনেভাৱে আমি সকলো বিকাশৰ কাম কৰি গৈ আছো আৰু ৰাইজৰ ভৰষা আৰু বিশ্বাস পাবলৈ সক্ষম হৈছো। অধ্যক্ষ মহোদয়, আপুনি জানে যে কেনেধৰণে উন্নতিবোৰ হৈ আছে। অসমৰ মানুহে বুজি উঠিছে যে উন্নতি আৰু পৰিবৰ্তন কি বস্তু? পৰিবৰ্তনৰ যিটো slogan আছিলে সেইটো আজি অসমৰ ৰাইজে বুজি পাইছে। আগৰ চৰকাৰৰ দিনত পৰিবৰ্তন কি বস্তু ৰাইজে বুজা নাছিলে। আজি আমি এনেকুৱা ধৰণৰ পৰিবৰ্তন কৰিছো যাৰবাবে বিৰোধী দলৰ মানুহে চিন্তা কৰি পাৰ পোৱা নাই যে এনেকুৱা কেনেকৈ হ'ব পাৰে? আজিৰ দিনত বিশেষকৈ অসমৰ ৰাইজে আমাৰ চৰকাৰখনক ধন্যবাদ দি আছে এইধৰণৰ পৰিবৰ্তন অনাৰ বাবে। ইয়াৰ দুটামান উদাহৰণ মই sector wise দিব বিচাৰিছো। কৃষিৰ ক্ষেত্ৰত মই কওঁ যে আমি ট্ৰেক্টৰ দিলো, পাৱাৰ টিলাৰ দিলো,

সাৰো দিলো, কৃষক ভাই সকলৰ account ত ২ হাজাৰ টকাকৈ দিয়া হ'ল, তাৰ পিছত আকৌ ৫ হাজাৰ টকাকৈ এককালীন সাহার্য্য দিলো। এই সমূহ টকা দিওঁতেও আমি শোধা নাই যে কাৰ account ত টকাবোৰ গৈ আছে? Direct টকাবোৰ হিতাধিকাৰীৰ account ত গৈছে। মাজত কোনো মধ্যভোগী নাছিলে সেইকাৰণে কোনো ধৰণৰ গণ্ডগোলো হোৱা নাই। জলসিঞ্চনৰ ক্ষেত্ৰত আজিৰ দিনত প্ৰত্যেকটো সমষ্টিত boring কৰি জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। য'ত electricity আছে তাত electric ৰ ব্যৱস্থা কৰা হৈছে আৰু য'ত নাই তাত ছোলাৰৰ ব্যৱস্থা কৰি দিয়া হৈছে। স্কুল কলেজ সমূহ modernise কৰা হৈছে। মোৰ সমষ্টিত ৩৩ টা additional class room বনোৱা হ'ল। মোৰ সমষ্টিত ৩৬ টা অঙ্গনবাড়ী কেন্দ্ৰৰ স্থাপন কৰা হ'ল। এইটো এটা পৰিবৰ্তন আৰু উন্নয়ন। যেতিয়া ২০১৬ ত মই বিধায়ক হৈ আহিছিলো তেতিয়া মোৰ সমষ্টিত সভা সমিতি পাতিলে মই সদায় ৰাইজক সুধিছিলো যে তাত এটা ভাল ৰাস্তা আছেনে? তেতিয়া ৰাইজে এটাও ভাল ৰাস্তা আছে বুলি ক'ব পৰা নাছিলে। গোটেই ৰাস্তা বিলাকৰ অৱস্থা জৰাজীৰ্ণ অছিলে। আজি মই বুকুত হাত দি ক'ব পাৰিম যে আজিৰ দিনত তাত বহু কেইটা ৰাস্তা ভাল হ'ল। বহুত নতুন নতুন ৰাস্তা বনোৱা হ'ল। মই ক'ব বিচৰা নাই যে মই ১০০ শতাংশ কাম কৰিলো এই ৪ বছৰত। ৪ বছৰ বুলি এই কাৰণেই কৈছো যে এবছৰ সময় 'ক'ৰোণা' আৰু 'কা'ই নষ্ট কৰিলে। আমি এই ৪ বছৰত যিমানখিনি কাম কৰিলো আগৰ চৰকাৰে ৪০ বছৰতো ইমানখিনি কাম কৰিছে বুলি মোৰ সন্দেহ আছে। এইটো ৰাইজৰ কথা যে আগৰ চৰকাৰে যোৱা ৪০ বছৰত যিমান কৰিলে আমাৰ চৰকাৰে এই ৪ বছৰতে তাৰ দুগুণ কৰিলে। মোৰ সমষ্টিত কিছুমান ঐতিহাসিক ৰাস্তা হৈছে যিবোৰ মানুহে কেতিয়াও হ'ব বুলি ভবা নাছিল। ২০১৬ চনত মই ৰাইজক যি প্ৰতিশ্ৰুতি দিছিলো, যি agenda লৈ মই election ত উঠিছিলো, আজি এই কথা মই এই পবিত্ৰ সদনত ক'বলৈ পাই সুখী হৈছো যে তাৰে ৯৫ শতাংশ কাম মই সম্পূৰ্ণ কৰিলো। বাকী ৫ শতাংশ মই এই কাৰণেই কৰিব নোৱাৰিলো বুলি কৈছো কাৰণ কিছুমান লোকে আমাৰ ওচৰত চাকৰি বিচাৰি আহিছিল কিন্তু তেওঁলোকক আমাৰ তৰফৰ পৰা চাকৰিত নিযুক্তি নিদিলো। আমাৰ চৰকাৰে বহুতকে চাকৰি দিছে কিন্তু মাত্ৰ যোগ্যতা আৰু মেধাৰ ভিত্তিত। ৰাইজে জানে যে আগৰ চৰকাৰৰ দিনত বিধায়ক সকলে চাকৰি দিছিলে বুলি। সেই সময়ত টেবুলৰ তলৰ পৰা চাকৰি দিয়া হৈছিল। কিন্তু আজিৰ দিনত আমাৰ চৰকাৰখন স্বচ্ছ। যিসকলৰ গুণগত মান আছে, যাৰ যোগ্যতা আছে তেওঁকহে চাকৰিত নিযুক্তি দিয়া হয়। মোৰ সমষ্টিত বহু কেইটা নতুন ৰাস্তা হৈছে যিকেইটা মানুহে হ'ব বুলি কেতিয়াও ভৱা নাছিলে, যেনে- সোনাচৰাৰ ৰাস্তা, তাত আজি দলং আৰু ৰাস্তা হৈ গল। বৰাক নদীৰ ওপৰত থকা দলং খন যোৱা ৪০ বছৰৰ সপোন আছিল বৰচলা বাসীৰ বাবে। এইখনৰ কাম আজি ৭০ শতাংশ সম্পূৰ্ণ হৈছে। তাৰবাবে মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। ইয়াৰ উপৰিও হৰিচৰাত নতুন ৰাস্তা হ'ল, চন্দ্ৰপুৰত নতুন ৰাস্তা হৈছে, টাকলাচৰাত নতুন ৰাস্তা হৈছে, চাব্বাচপুৰত নতুন ৰাস্তা হৈছে, ভাঙ্গালপাৰাত নতুন ৰাস্তা হৈছে, দৌলত নতুন ৰাস্তা হৈছে। এই গোটেই কেইটা ঐতিহাসিক ৰাস্তা যাৰবাবে আজি ৰাইজে প্ৰশংসা কৰিছে আৰু বুজি উঠিছে যে পৰিবৰ্তন কাক কয়। আগন্তুক দিনত বৰচলা সমষ্টিৰ ৰাইজক মই ভৰসা দিছিলো আৰু কাম কৰিম বুলি কিন্তু আমি এবছৰ নাপালো pandemic Covid ৰ কাৰণে। মোৰ সমষ্টিত কেইবাটাও আধৰুৱা কাম কৰিবলৈ বাকী আছে যাৰবাবে মই অসম চৰকাৰক ধন্যবাদ জনাইছো। যেনে- Green Field Airport, যাৰ ৮০ শতাংশ কাম সম্পূৰ্ণ হৈছে। ইয়াৰ উপৰিও Multi Model Logistic Hub এইটোও প্ৰায় সম্পূৰ্ণ হৈ আছে, Law

College এখনৰ কাম বাকী আছে যাৰবাবে ১৪ বিঘা মাটি দিয়া হ'ল। Mini Secretariat খনো বৰাক ভেলীৰ বৰচলা সমষ্টিৰ চিবুনাজীৰিত হৈ আছে। এইখন হ'লে বৰাকৰ ৰাইজ যথেষ্ট উপকৃত হ'ব। ইয়াৰবাবে মই মুখ্যমন্ত্ৰী মহোদয়ক পুণৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছো।

আজি এটা খবৰ পালো যে মোৰ সমষ্টিত Fire Brigade ৰ sanction হ'ল আৰু তাৰ tender হ'ল। এইটো এটা যথেষ্ট ভাল খবৰ। মই মোৰ সমষ্টিত এটা Police Station বিচাৰিছিলো যিটো কাম এই কেইদিনতে হ'ব বুলি মই আশা কৰিছো। শেষত মই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ দিছো আৰু আমাৰ চৰকাৰখনকো ধন্যবাদ দিছো যাৰবাবে আজি আমাৰ ৰাজ্যখনে ইমান ক্ষীপ্ৰভাৱে উন্নতি সাধন কৰিছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কূৰ্মী।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ বিৰোধিতা কৰি মই বক্তব্য দাঙি ধৰিবলৈ বিচাৰিছো। আপুনি মোক ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। সন্মানীয় শাসক দলৰ বিধায়কসকলে মহামান্য ৰাজ্যপালৰ ভাষণক লৈ এনে এখন ছবি দাঙি ধৰিব বিচাৰিছে যে বৰ্তমান চৰকাৰখনে সোণৰ অসম গঢ়িলে। আগতে অসমত কোনোদিনে কোনো চৰকাৰ নাছিল। আগতে অসমখনত কোনোধৰণৰ সমস্যাই নাছিল আৰু এই সমস্যা নথকা অসম খনত তেওঁলোকে ন-ৰূপত অসম খনক গঢ়িছে। মই অলপ মনত পেলাই দিব বিচাৰিছো। ২০০১ চনৰ আগত কলেজৰ পৰা আমি ওলাই আহোঁ আৰু ৫ টা মান বজাত Army আৰু CRPF ৰ checking দেখোঁ, ৬ টা বজাত সকলো দোকান পোহাৰ বন্ধ। আলফাৰ সন্ত্ৰাস, NDFB, BLT আদি উগ্ৰপন্থী গোটৰ সন্ত্ৰাস, পঞ্চায়ত নিৰ্বাচন নাই, শিক্ষক-কৰ্মচাৰীৰ আত্মহত্যা, মানুহৰ অৰ্থনৈতিক সমস্যা এই সমূহৰে ৰাজ্য জৰ্জৰিত হৈ আছিল। তেতিয়া কেন্দ্ৰত মাননীয় অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ বি জে পি চৰকাৰ আৰু অসমত মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ নেতৃত্বত অগপ চৰকাৰ। কিন্তু ৬০-৭০ বছৰ কংগ্ৰেছে ৰাজত্ব কৰাৰ কথাটো ওলাই আছে। সেই কাৰণে অলপ সোঁৱৰাই দিছো যে সেই সময়ত ৰাষ্ট্ৰপতি শাসন এই অসমখনত হৈছিল, গুপ্তহত্যা হৈছিল, বহু কেলেংকাৰী আছিল। ১০ বছৰ বুজাবুজিৰ চুক্তিত নিযুক্তি বন্ধ, এইখন অসম আছিল। য'ত শিক্ষক কৰ্মচাৰীৰ আত্মহত্যা কৰা, অসম চাহ নিগমৰ ৫ খনকৈ বাগান বন্ধ, মানুহে গছ কাটি, বাচন-বৰ্তন বিক্ৰী কৰি, হাঁহ-কুকুৰা বিক্ৰী কৰি মানুহ চলিছিল। ২০০১ চনত পূৰ্বৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই দায়িত্ব ললে, সৌভাগ্যক্ৰমে ২০০৪ চনত ড০ মনমোহন সিং ডাঙৰীয়া আহিল আৰু অসমক বিশেষ ৰাজ্যৰ মৰ্য্যদা দিলে কাৰণ সেই সময়তো উগ্ৰপন্থীৰ সমস্যা কিছু আছিল। যাৰবাবে অসমখনত আমি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা হ'লো। আজি দুৰ্নীতিৰ কথা কোৱা হৈছে। আমি TET পৰীক্ষা পাতি কোনো মন্ত্ৰী বিধায়কক এটকাও নিদিয়াকৈ ৪ লাখ যুৱক-যুৱতীক নিযুক্তি দিলো পূৰ্বৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ শাসনত। আজি আলফা, NDFB, KPLT, BLT আদিকে লৈ বিভিন্ন উগ্ৰপন্থী সংগঠনক আলোচনালৈ মতাৰ কাৰণে অসমত শান্তি আহিছে। আমি আজি সৌভাগ্যৱান যে বি জে পি মিত্ৰজোঁটৰ চৰকাৰখনে এইখন শান্তিপূৰ্ণ অসমত শাসন কৰাৰ সুবিধা পাইছে। তেওঁলোকৰ কৰিবলগা বেছি নাছিলে। কিন্তু কৰিলে কি যে ক'ভিডৰ সময়ত চৰকাৰ ৰাইজৰ প্ৰতি কিমান serious? WHO য়ে যেতিয়া pandemic ঘোষণা কৰিলে ২০১৯ চনৰ ডিচেম্বৰ মাহত, প্ৰথমতে Public Health emergency ঘোষণা কৰিলে, তাৰ পিছত pandemic ঘোষণা কৰিলে, তাৰ পিছত দেশৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কি কৰিলে, এই চৰকাৰে কি কৰিলে, স্বাস্থ্য মন্ত্ৰীয়ে কি

কৰিলে? আমি দেখা পালো lockdown নিদিলে। আমাৰ কাষৰীয়া ৰাজ্যসমূহে বা অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আদি দেশত lockdown দিয়াৰ বাবে তেওঁলোকৰ Death rate টো বহুত কম। কিন্তু আমাৰ দেশত বহুত বেছি। ভাৰতৰ ৰাইজে ইয়াৰ উত্তৰ দিব। আমি এই pandemic ত দেখিলো যে মহাভাৰতৰ যুদ্ধ জিকিবলৈ ১৮ দিন লাগিছিলে আৰু এই যুদ্ধত জয়ী হ'বলৈ তেওঁলোকক ২১ দিন সময় লাগিব। কিন্তু চাওঁতে চাওঁতে ১.৫ লাখ লোক এই মহামাৰীত মৃত্যু হ'ল। অসমত ইমান পলমকৈ কিয় lockdown দিলে? lockdown ত ক্ষতিগ্ৰস্ত লোকসকলক সাহ্যৰ্য্য দিয়া হ'লনে নাই? তেওঁলোকক মাত্ৰ দুবাৰ চাউল আৰু এবাৰ দাইলৰ বাহিৰে কি দিলে? কিন্তু তেওঁলোকে বাহ- বাহ লৈছে ক'ভিডৰ নাম লৈ। হেলিকপ্তাৰত ঘূৰা, Charter plan ত mask অনা আৰু পাছলৈ সেই mask laboratory ত test কৰোতে reject হোৱা এইবোৰ কথা অসমৰ ৰাইজে পাহৰা নাই। স্থাপিত চিকিৎসালয় থাকোতে, Engineering College আৰু কলেজ সমূহ থাকোতে অস্থায়ীভাৱে field সমূহত ডাঙৰ ডাঙৰ শিৱিৰ বনোৱা হ'ল। এই সমূহ ৰাইজৰ পইচা। এইবোৰ টকাৰ হিচাপ ক'ত, white paper ক'ত? ইয়াৰ হিচাপ অসমৰ ৰাইজে পাব লাগিব। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক বহুকেইজন বিধায়কে কাহিনী কৈ, কবিতা গাই, সংস্কৃতৰ শ্লোক গাই কথাবোৰ কৈছে। মইও এটা কাহিনী কম। বি জে পি ৰ এজন সমৰ্থক। তেওঁ ২০১৪ চনত বি জে পি দলক সমৰ্থন কৰিছিল আৰু যেতিয়া কেন্দ্ৰত চৰকাৰখন আহিল তেখেতে খুব হাঁহি ফূৰ্তি কৰি আছিল। ২০১৬ চনত যেতিয়া ৰাজ্যতো বি জে পি চৰকাৰ আহিল তেতিয়া তেওঁ ইমানেই অনন্দিত হ'ল যে তেওঁ কোমাত গুচি গ'ল। কেইদিনমান আগতে তেখেতে সাৰ পালে। সাৰ পাই চিকিৎসকক সুধিলে যে অচ্ছে দিন আহিলে নেকি, জাতি মাটি, ভেটি ৰক্ষা হ'ল নেকি, বস্তু বাহিনীৰ দাম কমিলে নেকি, NRC হৈ গ'ল নেকি, ৫ নং আৰু ৬ নং দফা ৰূপায়ণ হ'ল নেকি, ছাইকেলৰ সলনি স্কুটি সকলোৱে পাই আছে নেকি নে মাজে-মাজে বৈ যায়, computer ৰাইজে পাই আছে নেকি? ডক্টৰজনে ক'লে যে এইবিলাক একোৱেই হোৱা নাই, লগে-লগে আকৌ বেহুচ। আকৌ কোমাত গুছি গল। যোৱাকালি মই সদনলৈ আঁহোতে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই আহিছিলো যাতে এইখন চৰকাৰে পুনৰবাৰ প্ৰিয়ঙ্কা চোপ্ৰাক Brand Ambassador নবনায়। নমামি ব্ৰহ্মপুত্ৰ আৰু নমামি বৰাক পাতিলে এইবাৰ মই বামুণ হ'ম। উত্তৰ প্ৰদেশৰ পৰা বামুণ মাতি অসমৰ ৰাইজৰ টকা অপচয় কৰিব নালাগে। এইখন চৰকাৰে Film Fare পাতিলে, toll gate বহালে। মই ভাৰিছিলো এইখন চৰকাৰে Stadium গঢ়াৰ কিছু ছবি দেখাব। সৰু সজাই Stadium আমি বনালো, বৰ্ষাপাৰা Stadium আমি বনালো। এইখন চৰকাৰে International খেল খেলালে কিন্তু বৰষুণ দিওঁতে field খন ইষ্ট্ৰী দি শুকুৱালে যিটো খুব হাস্যকৰ। United Nation য়ে এটা নিৰ্দেশনা দিছিলে যে Sustainable Development Goal ৰ ওপৰত কাম কৰিব লাগে। সমগ্ৰ পৃথিৱীৰ দেশ সমূহক এই নিৰ্দেশনা দিয়া হ'ল। কিন্তু ভাৰত চৰকাৰ ইমানেই serious যে Sustainable Development Goal ওপৰত একো কাম নকৰিলে। মাত্ৰ দুখন সভা পাতি কাম সমাপ্ত কৰিলে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ কোনো seriousness নাই। Economic Survey of Assam ত এই চৰকাৰ খনৰ performance ২০১৯-২০ ত কৈছে যে Goal wise indicators in the report of 2018 reflect poor performance of Assam. The report states the possible reasons behind the poor performance and counterzone boundering intermission to improve position of the state.

এইবোৰ সুযোগ আমি এবাৰ দুবাৰ পালো তাৰ পাছত নাই। তাৰ পাছত crime against women and children. চৰকাৰৰ statistical hand book of Assam 2019 ত কৈছে যে crime against women and children বাঢ়ি গৈ আছে। এই চৰকাৰখনে বাহ-বাহ লৈছে যে ভাৰতবৰ্ষত তেওঁলোকে free চাউল দিছে, অসম বোলে free চাউলত ১ নম্বৰ। কেৰাচিন তেলত ১২ টকাৰ ঠাইত ৪৫ টকা, ডিজেল, পেট্ৰলৰ দাম টো ৯০ টকা পালেগৈয়ে। গেছৰ দাম ৪২৫ ৰ পৰা ৭৫০ টকা হ'ল। ৰাজ সাহাৰ্য্য নাই। আলু পিয়াজৰ দাম বাঢ়ি গৈ আছে। মাটিৰ খাজনা চাৰিগুণ বৃদ্ধি হ'ল। কাৰেন্টৰ বিলো বঢ়াই দিলে। আনফালে আকৌ free চাউল। আজি যদি আমি 'কেগ'ৰ ৰিপোৰ্ট চাওঁ দেখিম যে The commission once again recommends that the chief secretary issue instruction to all administrative department for immediate compliance of section -4(1)/B and 4 (2) by them and all the public authorities under them within 16 days from the date of issuing such information of the Ex-Employee, action against those who fail to comply with the above mention statutory provision. The Commission, in view, concerned with the following Department have failed to submit reports in relation to the public authorities under their jurisdiction as provided by Section 25(2) of the RTI Act, 2005 despite of several reminder. চৰকাৰে নিজে কৈছে যে আমি স্বচ্ছতাৰে চলাব পৰা নাই। তেওঁলোকে আমাক সময়মতে utilization certificate দিয়া নাই, সময়মতে টকা খৰচ কৰা নাই। আমি যদি বাজেট highlight খনলৈ চাওঁ তেতিয়া দেখিম যে যোৱাবাৰ 'আমি অসমীয়া 'বুলি এটা আঁচনি লৈছিল। এই চৰকাৰখনে অসম চুক্তিক নস্যাৎ কৰি অসাংবিধানিক 'কা' খন আনিলে যিখন আমাৰ সকলো ওচৰ চুবুৰীয়া, পাহাৰীয়া 1±æÉü÷ËÿÃô±ù±Ëá Âôåù ßÁËü Îî ÃÝËü±ËßÁÕ¿™Q1 üÑßÁéÂ Âô¿1Âô Âôåù ¼Âý Âþ ÂÆßÁËåÃ¦ ‡ÃÂË1 äÂßÁ1 äÂù±ýÃÕ±ËåÃ¼äÂßÁË1 ¿òËæÃÆßÁËåÃû Õ±¿÷ ¦‡ÃÂË1 äÂù±Âô Âô1±òýÃ¼¿ÂöÂËá Õ±÷±ßÁ ü÷ûþË ÂUtlization Certificate দিয়া নাই। সময়মতে টকা খৰছ্ কৰা নাই। আমি যদি বাজেট হাইলাইট চাওঁ তাত আমি অসমীয়া বুলি যোৱা বাৰ এটা আঁচনি লৈছিল। আমি অসমীয়া in street, আমি অসমীয়াই অসম চুক্তি নস্যাত কৰি অসাংবিধানিক 'কা ' খন আনিলো। যিসময়ত কাষৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী Conrad Kongkal Sangma ৰ পৰা আদি কৰি মনিপুৰ সকলো 'কা' নালাগে বুলি কলে। তেওঁলোকে নিজৰ অস্তিত্ব সংকতত পৰিব বুলি। অসমীয়া ভাষা এটা সয়মত যদি বঙ্গ মূল্য বা পাকিস্তানৰ পৰা আহে হিন্দী, বেঙ্গলীক লৈ তেওঁলোকে যদি জৰীপ হয় আজিৰ পৰা ২০ বছৰ পিছত কোন ভাষা তাত যদি বঙ্গ বা হিন্দী ভাষাৰ সংখ্যা বাঢ়ি যায় অসমীয়া ভাষাৰ কি হ'ব? 'কা'ৰ নামত পাচঁজনক পুলিচৰ গুলিত হত্যা কৰা হ'ল। তাৰ পিছত আমি অসমীয়া বুলি এটা আঁচনি লৈ অকল নিৰ্বাচনী চমক বুলি কব বিচাৰিছো।

চাহ বাগানৰ শ্ৰমিকসকলক কোৱা হ'ল যে **৩৫১** টকা দিয়া হ'ব। এই **৩৫১** টকাতো এতিয়ালৈকে দিয়া হোৱা নাই, আজিও **১৬৭** টকাতে সীমাবদ্ধ হৈ আছে। এতিয়া বঢ়াব বুলি খুজিছে যদিও খুব বেছি **২০০** বা **৩০০** টকা বঢ়াব। ইমান দিলে কিয় বঢ়োৱা নহ'ল। আৰু যিটো CCPA য়ে ASM ৰ বদনাম গায়, CCPA য়ে ASM য়ে চাহপাতৰ মূল্য, auction center ৰ মূল্য GDP rate সকলোখিনি চাই নিৰ্ধাৰণ কৰি আহিছিল। মাজত সোমাই গ'ল বৰ্তমানৰ বিজেপি দলৰ

চৰকাৰখনে মূল্য বঢ়াম বুলি, কিয় বঢ়োৱা নহ'ল। আজি ৰাইজে ইয়াৰ হিচাপ নিশ্চয় বিচাৰিব।

হুSC, ST জনজাতিকৰণ দিম বুলি কৈছিল। কিন্তু দিয়া নহ'ল।

চাকৰী দিম বুলি কোৱা হৈছিলে, দিয়া নহ'ল।

মাটি পট্টা দিম বুলি কোৱা হৈছিলে। প্ৰায় ৫০ হাজাৰ মান বৰ্ধিত টকা চাহ বাগানৰ শ্ৰমিকসকলে পাবলৈ বাকী আছে। আজি ৫০ হাজাৰ টকাৰ ৮ হাজাৰ টকা শ্ৰমিকৰে টকা শ্ৰমিককে দি আছে। মাছৰ দৰত মাছ বেচা কাম কৰি আছে, এই কথা নিশ্চয় আজি ৰাইজে বুজিব।

ইয়াত Non receipt of replies আকৌ CAG ৰ report ত কৈছে যে non recipt of the replies to the IRS in respect of the 55 department were indicative of the failure on the part of the Head of the Department. Director, Executive Engineer took indicisive action with regard to defect, omission and irregularities pointed out by the audit. The Commissioner & Secretary of the concerned department who were informed of the position through half yearly report also failed to ensure to take timely action from the officer of the department concerned. তাৰমানে মন্ত্ৰী সকলে অফিচত নবহে নেকি? যদি স্বচ্ছতাই ইমান তেনেহ'লে CAG য়ে report কিয় দি আছে। আমাৰ এই সদনত মাহামান্য এজনে বক্তব্য ৰাখিব, শাসক পক্ষই হাত চাপৰি বজাব। এনেকুৱাকৈ আমাৰ ৰাইজৰ টকা অপচয় হবলৈ দিম, অসমখনক পতন হ'বলৈ দিম, এইটো কেতিয়া হ'ব নোৱাৰে। আমি যদি চাওঁ যে কাষৰীয়া ৰাজ্য মিজোৰামে ৫ কিলোমিটাৰ সোমাই আহিলে। মোৰ মৰীয়নি সমষ্টিত মে মাহতে নগালোকসকলে দলং বনাবলৈ লৈছে। এই ক্ষেত্ৰত মই অসমৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াক এখন হাতে হাতে স্মাৰক পত্ৰ দিছিলো যে এই দলঙখন বনাবলৈ লৈছে, উচ্ছেদ কৰক। দলং বনাই দিলে, লাইট পোষ্ট বহাই দিলে, কেম্প বহাই দিলে, আজিলৈকে উচ্ছেদ নহ'ল। ১০ কিলোমিটাৰ তেওঁলোকে প্ৰবেশ কৰিলে। মিজোৰামে প্ৰৱেশ কৰিলে, অৰুণাচলে প্ৰৱেশ কৰিলে। আজি সীমা আমাৰ অসংৰক্ষিত। এইপিনে কয় জাতি মাটি ভেটিৰ ৰক্ষাৰ কথা। মাটি গ'লে আমাৰ। তাত এতিয়া military force আহি গ'ল। আমাৰ সন্মানীয় বিধায়ক হাজৰিকা ডাঙৰীয়াই কৈছে যে অসমত এনেকুৱা ৰাস্তা নাই, কেইদিনমান আগত মই গহপুৰ গৈছিলো বিহপুৰীয়া হৈ পেলাই ঢোনা গুৰি ঘাটেদি। এনেকুৱা বেয়া ৰাস্তা মই ক'তো দেখা নাই। মোৰ মৰিয়ণী সমষ্টিতো আছে। তাতকৈ বেয়া ৰাষ্টা মই এতিয়ালৈকে দেখা নাই।

আমি যদি চাওঁ যে বেঙ্গলী ভাষাৰ কাৰণে টকা দিয়া নহ'ল। বিভিন্ন ভাষাৰ কাৰণে টকা দিয়া হৈছে। বেঙ্গলী ভাষা অন্যতম গুৰুত্বপূৰ্ণ ভাষা। ইয়াৰ কাৰণে আমি তীব্ৰ দুখ পাইছো।

ইয়াত দুটা বড়ো উগ্ৰপন্থী সংগঠনৰ লগত আলোচনা কৰা হ'ল, ULFA আৰু UNLF লগত এতিয়াও আলোচনা কৰা হোৱা নাই। ইয়াৰ লগত বিশ্বব্ৰহ্মাণ্ড ফোৰ্চ আত্মা, আপা তেওঁলোকৰ লগত আলোচনা কৰা হোৱা নাই। আমাৰ মাহামান্য ৰাজ্যপালৰ ভাষণত এই ক্ষেত্ৰত কোনো উল্লেখ নহ'ল। এই ক্ষেত্ৰত আমি দুখ পাইছো যে ULFA আৰু UNLF লগত আৰু বিভিন্ন উগ্ৰপন্থী সকলৰ লগত আলোচনা হ'ব লগীয়া আছিল, KPLT ৰ পৰা আমাৰ ডিমাছা হাছাও আদি যিসকল উগ্ৰপন্থী আছে তেখেতসকলৰ লগত আলোচনা কৰিব লাগে।

মাননীয় বিধায়ক ৰণোজ পেগু ডাঙৰীয়াই কৈছে যে বৰ্তমান চৰকাৰৰ দিনত অসম ভাৰতৰ ৫ নং শ্ৰেষ্ঠতম ৰাজ্য হ'ব লাগে। হয় অসম ইতিমধ্যে হ'ল ভাৰতৰ ৫ নং শ্ৰেষ্ঠতম ৰাজ্য, কিয়ত হ'ল

NCR ত।

আজি যদি আমি চাওঁ চাউলৰ ক্ষেত্ৰত minimum price অসম চৰকাৰে কৈছিলে যে 1868 টকা দিয়া হ'ব। কিন্তু আমাৰ কৃষকসকলে **৭ শ ৮ শ** টকা পাই আছে। যেনে কেন্দ্ৰত পৃথিৱীৰ ৰাইজে দেখা পাইছে যে কৃষকসকলে আন্দোলন কৰি আছে। **১৩৫** জন কৃষৰ মৃত্যু হ'ল। গতিকে মই কব খুজিছো যে অসমৰ কৃষকসকলে অন্নৰ কাৰণে ৰাজপথত আন্দোলন কৰিবলৈ ওলাই নাহওঁক। সেইটোৰে আমি ক'বলৈ বিচাৰিছো।

দুৰ্নীতিমুক্ত কথা কৈছে। SI কেলেংকাৰীয়ে দুৰ্নীতিমুক্ততো ইতিমধ্যে অসমৰ প্ৰমাণ কৰি দিলে। আৰু চিণ্ডিকেটে ইতিমধ্যে প্ৰমাণ কৰি দিলে। প্ৰদূষণমুক্ত বুলি কৈছে, ইতিমধ্যে National Air Quality Monitoring Progamme ৰ air polution য়ে প্ৰমাণ কৰি দিলে যে অসম নৰ্থইষ্টৰ সৰ্বচেষ্ট polution state আৰু দ্বিতীয়তে আমাৰ Black Carbon Level world ৰ highest গুৱাহাটীত উৎপাদিত হৈ আছে, এইটো চৰকাৰী তথ্যই কৈছে।

ইয়াৰ লগতে সন্ত্ৰাসবাদ মুক্তবুলি কৈছে আমাৰ জোৱানসকল যে মৰি আছে, সেইটোৰে সন্ত্ৰাসবাদমুক্ত বুলি কৈছে। Govt. of India ৰ দাতাই কৈছে Center for Monitoring Indian Academy ত কৈছে যে অসম অন্যতম ৪ বা ৫ নংত থকা highest unemployment ৰাজ্য বুলি কৈছে। বেটি বচাওঁ, বেটি পঢ়াও justice for Gohpur girl, গহপুৰৰ ছোৱালীজনীৰ justice বিচাৰি মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো। নিৰ্মল পাল ডাঙৰীয়াৰ পাচঁজনীয়া পৰিয়ালে আত্মহত্যা কৰিব লগীয়া হ'ল। তিনিজনী কনমানী ছোৱালীয়ে বাপেক-মাকৰ লগত আত্মহত্যা কৰিলে। অন্যতম আমাৰ এই বেটি বচাওঁ, বেটি পঢ়াও কেনে চলি আছে, এইটো প্ৰমাণ কৰি দিলে। হাতীয়ে ঘৰ ভাঙে, মানুহ মাৰে এইটোৰ ক্ষেত্ৰত আমাৰ এটা আঁচনি (ASPC) আছিলে। বৰ্তমানৰ চৰকাৰখনত বিফলহোৱাতো ওলাই পৰে যে দুই তিনি বছৰলৈকে এই আঁচনি ৰাইজে পোৱা নাই। অৰ্থাৎ চমুকৈ কবলৈ গ'লে বৰ্তমানৰ চৰকাৰখনে পাচঁ বছৰৰ আগত নিৰ্বাচনৰ আগত প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ নামত সময়ে সময়ে শ্লো গান দি আহিছিল, আমাৰ দৃষ্টিত আৰু ৰাইজৰ দৃষ্টিত ব্যৰ্থ, **২০২১** চনত ইয়াৰ উত্তৰ পাব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য পদ্ম হাজৰিকা।

**শ্ৰীপদ্ম হাজৰিকা (চতিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি বিধান সভাত মহামান্য ৰাজ্যপালে বক্তব্য যি আগবঢ়াছিল, তাত ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন জনাই বক্তব্য ৰাখিবলৈ ওলাইছো। ইয়াত কথা বতৰা কোৱা হৈছে। আমি আচলতে এনেকুৱা কথা আশা কৰা নাছিলো। কাৰণ আমি দেখিছো মোৰ এইখন বিধান সভাত **২০** বছৰে হ'ল যে যিখিনি চৰকাৰে ভাল কাম কৰে তাৰ কিছু হলেও শলাগ লয় বিৰোধী দলে, আমিও লৈছিলো। আৰু বেয়া কামখিনি হাই লাইট কৰো। কিন্তু ইয়াত আজি যিটো trend হৈছে, সেইটোৰ শুভ লক্ষণ নহয়, জনসাধাৰণৰ স্বাৰ্থত আচলতে এনেকুৱা বক্তব্য অধ্যক্ষ ডাঙৰীয়াৰ বিবেচনা কৰিব যে যিবিলাক পাঁচ বছৰীয়া কাৰ্য্যকালত যিখিনি কাম হৈছে, বিত্তীয় শৃঙ্খলাবদ্ধতা আহিছে। মই প্ৰতিটো কথা কবলৈ নাযাওঁ যে বিত্তীয় শৃঙ্খলাবদ্ধতা আহিছে আমি বিধায়কৰ fund ৰ কাৰণে চিন্তা কৰি থাকিব লগা হোৱা নাই। সকলো দলৰ বিধায়কৰ fund ৫ বছৰৰ শেষৰ বৰ্ষতো সকলোৱে পাইছে। বাকী যিবিলাক Suhrid আঁচনি, যিবিলাক ৰাস্তা-পদুলী উন্নয়নমূলক কাম এইবিলাক একো দেখা নাপাওঁ। আমি খালী দেখিছো গোটেই negative কথা বিলাক। আমাৰ চৰকাৰে কোৱা নাই যে এশ শতাংশ সমস্যাৰ সমধান কৰি দিলো, সোণৰ অসম গঢ়ি দিলো। এতিয়াও কৰিবলগীয়া যথেষ্টখিনি কাম আছে। আমি যিবিলাক আঁচনি লৈছো তাত কৰবাত

কৰবাত বিজুতি আছে, সকলো অফিচাৰ ভাল নহয়। একাংশ এনেকুৱা বিষয়া কৰ্মচাৰী আছে, যি বিষয়া কৰ্মচাৰীয়ে চৰকাৰ আৰু জনসাধাৰণৰ মাজত শাকোস্বৰূপ একাংশ বিষয়া, কৰ্মচাৰীয়ে নিষ্ঠাৰে হয়তো গোটেই কামখিনি নকৰে। সেই বিষয়া কৰ্মচাৰীৰ সৃষ্টি কিন্তু আগৰ চৰকাৰৰ দোষ গাত পাতি লব লাগিব যে এতিয়াও সংস্কাৰ কৰিবলগীয়া বহুখিনি আছে। ইয়াত যিবিলাক কথা লৈ কৈ আছে যে যেনে তেনে খালী প্ৰতিবাদ প্ৰতিবাদ দেখিছে, ফুলনীলৈ গলে ফুল দেখিব, স্কুললৈ গলে পঢ়াই থকা দেখিব। এই লাষ্টগেটত প্ৰতিবাদ নেদেখি চৰকাৰী মানুহক গামোছা পিন্ধোৱা দেখিব নেকি। তাত প্ৰতিবাদ কৰিবলৈ মানুহ আহে যে অসন্তুষ্টি প্ৰকাশ কৰিবলৈ সেই ঠাইতোত, তাত দেখিছে অমুকৰ প্ৰতিবাদ, তামুকৰ প্ৰতিবাদ। প্ৰতিবাদ নাছিল নেকি আগৰ চৰকাৰৰ দিনত আৰু যিখিনি কথা কয় যে National Food Security Act ৰ কথা কৈছে। এই Act টো কেতিয়া হৈছিল ২০১৩ চনত সেইসময়ৰ প্ৰধানমন্ত্ৰী মনমোহন সিং ডাঙৰীয়া আছিল। অসমত কাৰ্য্যকৰী কেতিয়া হৈছিল ২০১৫ চনৰ ২৪ ডিচেম্বৰ। তেতিয়া প্ৰধানমন্ত্ৰী কোন আছিল দেশৰ? শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আছিল। এইযে সময়চোৱাৰ ভিতৰত ২ বছৰ কিয় লাগিল? অসমত ২০১৩ চনতে কাৰ্য্যকৰী কিয় নহ'ল? আৰু আজি National Food Security Act ত বিশেষকৈ কংগ্ৰেছদলৰ মানুহে দাবী কৰিব নোৱাৰাকৈ অৰিহনা কি আছে। আমি যদি চাওঁ যে ২০১৫ চনৰ ২৪ ডিচেম্বৰৰ পৰা যিটো হৈছিলে এই National Food Security Act ৰ যিখিনি হিতাধীকাৰীৰ তেওঁলোকৰ যিখন কাৰ্ড বনাব লাগে, সেই কাৰ্ডখন বনাইছিলে কোনে? কেনেকৈ বনাইছিল? হিতাধীকাৰীৰ পৰা ৫০ টকাৰ পৰা ৫০০ টকালৈকে লৈছিল সেই কাৰ্ডখনৰ কাৰণে। আমাৰ চৰকাৰ অহা লৈকে transporation যিটো খৰছতো ডিচেম্বৰ পৰা এপ্ৰিললৈকে যিটো কংগ্ৰেছ চৰকাৰ আছিলে সেই transporation খৰছতো দিয়া নাছিলে। সেই transporation ৰ পইচা আমাৰ চৰকাৰে আহি transporation পইচাও দিব লগা হৈছে। কংগ্ৰেছ চৰকাৰে যদি দিছে এটাই বস্তু দিছে যে কাৰ্ডখনত তেতিয়াৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ হাঁহি থকা ফটোখন লগাই দিছিল। তাকো কোৰ্টৰ অৰ্ডাৰত সেইখন ফটো মচিব লগা হ'ল। ৰাইজে যদি ৩০ টকাৰ পৰা ৩ টকাত চাউল খাব পাৰিছে তাৰ কাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বাহ বাহ পাব লাগে। এই চাউলৰ ভাৰা পৰ্য্যান্ত দিয়াৰ ক্ষেত্ৰত আমাৰ মূখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া আমাৰ চৰকাৰে বাহ বাহ পাব লাগিব। গতিকে এই কথাতো আপোনালোকে স্বীকাৰ কৰিব লাগিব। বাকী যিখিনি আপোনালোকে কৈছে সাম্প্ৰদায়িক কথা কৈ থাকে। সাম্প্ৰদায়িক উত্তেজনা কোনো বৃদ্ধি কৰিছে। অসমত এই পাচঁ বছৰীয়া শাসনৰ কালত কোনোবা দিনা সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে নে? কোনোবা দিনা সংঘাট ঘটাইছেনে? এটা মাত্ৰ হৈছিলে সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি কৰিবলৈ লোক সভা নিৰ্বাচনৰ আগত। আমাৰ জিলাত বিশ্বনাথ সমষ্টিত। তাত কোন জৰিত আছিল? মই এই কথাবিলাক মুকলিকৈ কবলৈ নাযাওঁ যে এটুকুৰা মাংস, কি মাংস ঠিক নাই, সেইটোক লৈ মোবালত ভাইৰেল কৰি দিলে আৰু গোটেই ভোটখিনি আমাৰ বিপৰীতে লৈ গ'ল। কাৰ ষড়যন্ত্ৰ আছিলে। গ্ৰেপ্তাৰ হৈছে সেইবিলাক মানুহ। গতিকে এই ষড়যন্ত্ৰ কৰি আৰু নিৰ্বাচনৰ আগত এইবিলাক যাতে নকৰে যে স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনক আপোনালোকে এশত এশ নম্বৰে দিব লাগিব। কাৰণ সাম্প্ৰদায়িক কোনো উত্তেজনা, সাম্প্ৰদায়িক সংঘৰ্ষ কিন্তু আমাৰ চৰকাৰৰ দিনত হোৱা নাই, যদি হৈছে কওঁক। আপোনালোকে ২০০১ চনৰ যিটো কথা টানিছে যে এনেকুৱা আছিল, তেনেকুৱা আছিল আৰু আমি যদি আৰু পিছুৱাই গৈ ১৯৯১-৯৬ চনলৈ যাওঁ, সেই সময়ত AGP দলৰ চৰকাৰ আছিল। সেইসময়ত এনেকুৱা এটা অৱস্থা ভাঙি পৰা অৰ্থনীতি, ভাঙি পৰা শাসন ব্যৱস্থা কংগ্ৰেছ চৰকাৰৰ দিনত Chief Secretary, DGP,

IGP, Finance Commissioner অসম এৰি পলায়ন কৰিব লগা কিয় হৈছিল। সেই অৱস্থা বিলাক কি হৈছিল। সেই সময়ত কেনেকুৱা ঘটনা বিলাক সংঘটিত হৈছিল। এই কথাবিলাক পাহৰি গ'লে নহব। এতিয়া যিটো আমি শান্তিৰ এক বাতাবৰণ পাইছো তাৰ কাৰণে চৰকাৰখনক ধন্যবাদ দিব লাগিব। আজি আপোনালোকে উন্নয়নৰ কথা কৈছে কিন্তু তাত বহি থাকি জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা বিচাৰি আমি সাম্প্ৰদায়িক সংঘৰ্ষ বন্ধ কৰিবৰ কাৰণে, নিৰিহ মানুহৰ হত্যা কাণ্ড হৈছিলে এইবিলাক বন্ধ কৰিবৰ কাৰণে আমি দাবী জনাইছিলো। আপোনালোকে মণত পেলাওঁক ভিমাজুলিৰ কাণ্ডৰ কথা, মণত পেলাওঁক চেওচাৰ কাণ্ডৰ কথা, হুৰ্গাজুলিৰ কথা আপোনালোকে মণত পেলাওঁক, তিনিকুথিৰ কথা আপোনালোকে মণত পেলাওঁক যে কি আছিল যে স্বাধীনতা দিৱসৰ পতকাৰ তলত ধেমাজীত কেনেকৈ শিশু হত্যা হৈছিল। ২০০৭ চনত ১৩ ডিচেম্বৰ তাৰিখে মই নিজে বিধায়কে national highway ত গুলিবৃদ্ধ হৈছিলো, আজিও মই দেহত এ.কে ৪৭ ৰ এটা গুলি লৈ বিধায়কৰ কাম কাজ কৰি আছো। যে কি পৰিস্থিতি আছিলে, সেই পৰিস্থিতিৰ উন্নত কোনো কৰিলে। ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে কৰিছে। ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ক্ষমতাত আহিছিল মাত্ৰ, গৃহমন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়া হৈছিল। কি অৱস্থা আছিল ২০১৪ চনৰ ২৪ ডিচেম্বৰৰ নিশা এশজনৰ ওপৰত আদীবাসী মানুহক লাইন কৰি গুলিয়াই হত্যা কৰিছিল। সেই সময়ত কিন্তু চৰকাৰৰ মানুহ তাত যোৱা নাছিলে। সেই সময়ত তাত বিষয়াই যোৱা নাছিলে। সেইসময়ত বিৰোধীদলৰ বিধায়ক হৈ মই নিজে গাড়ী চলাই গৈ প্ৰায় দুশ মানুহৰ ১২ কিলোমিটাৰ খোজকঢ়াই লৈ চৰকাৰে নকৰা দায়িত্ব মই যদিও সেই সমষ্টিটোৰ বিধায়ক নহয়, মই চেগুন পাতত কেনেকৈ খিচিৰি বনাই খুৱাইছিলো এই কথাবিলাক আপোনালোকে অলপ মণত পেলাব যে সেই অৱস্থা আজি আছে নেকি? নিৰিহ মানুহক হত্যা কৰা সেই অৱস্থা আছে নেকি? সেইদিনা মই ২৫ ডিচেম্বৰ তাৰিখত যিটো ঠাইত বড়ো মানুহ আৰু আদীবাসী মানুহ দেখিলে কাজীয়াৰ সৃষ্টি হয়। মই যেতিয়া বাথৌ মহাসভাত অংশগ্ৰহণ কৰিববলৈ গৈছিলো তাত যেতিয়া বাগৰোম বা নৃত্য হৈছিলে, তাৰ পিছত কৈছে এতিয়া চাওঁতালী নৃত্য প্ৰদৰ্শণ কৰিব। মই আচৰিত হৈছিলো যে এই ছবিখন আজিৰ ছবি। এইখন ছবি ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বৰ চৰকাৰৰ সময়ৰ ছবি যে আকাশ-পাতল পাৰ্থক্য। আজি সেই পৰিবেশ নাই, উগ্ৰপন্থীৰ সমান্তৰাল চৰকৰাৰ নাই, তাত মানুহে জীৱনৰ, সম্পত্তিৰ নিৰাপত্তা পাইছে। তাত ভাই ভাইকৈ জীয়াই থকাৰ আস্থা আৰু বিশ্বাসৰ অসম যদি গঢ় দিছে ভাৰতীয়া জনতা পাৰ্টীৰ নেতৃত্বৰ চৰকাৰখনে গঢ় দিছে। এই কথা শত্ৰুৱেও স্বীকাৰ কৰিব লাগিব, আপোনালোকেও স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনৰ সফলতাৰ এই বিলাক স্বীকাৰ কৰিব লাগিব। হয় এতিয়া বহুত সমস্যা আছে, সমাধান কৰিব লাগিব। আজি মাননীয় সদস্য ৰোন'জ পেগু ডাঙৰীয়াই কৈছে যে এইবাৰ সন্ত্ৰাশমুক্ত,বিদেশীমুক্ত, প্ৰদুষণমুক্ত অসমৰ লগতে বানপানী মুক্ত অসম কৰিব লাগিব। কাৰণ গঢ়াখহনীয়া, বানপানীয়ে আমাক বহুত সমস্যা কৰিছে। তাৰ কাৰণে আমি একেলগে কাম কৰিব লাগিব, ভাল পৰিবেশ কৰিব লাগিব। আমি কৰিব লাগিব অসমৰ লাখ লাখ নিৱনুৱাৰ সমস্যা সমাধান কৰিব লাগিব। আমাৰ চৰকাৰ অহাৰ পিছত next priority দিব লাগিব যে বানপানী মুক্ত অসম গঢ়াৰ কাৰণে। অধ্যক্ষ মহোদয়, সেইকাৰণে কৈছো অসমৰ নিবনুৱা সকলক সংস্থাপিত কৰিবৰ কাৰণে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম বিকাশ যোজনাৰ জৰিয়তে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে, সেইটোৱে এইটোকে বুজাইছে যে পৰৱৰ্তী সময়ত নিবনুৱা সমস্যাক অগ্ৰাধিকাৰ দিব লাগিব। এটা ভাল পৰিৰেশ আহিছে। এই পৰিৰেশৰ মাজতে নিবনুৱা সকল যাতে বহিঃ ৰাজ্যত গৈ হাবু-ডাবু খাবলগীয়া নহয়, মৃত্যুক আঁকোৱালি ল'ব লগা নহয় তাৰ কাৰণে আমাৰ চৰকাৰখনে শক্তিশালী

পদক্ষেপ গ্ৰহণ কৰিব লাগিব। লগতে, বানপানী নিয়ন্ত্ৰণ তথা নিবনুৱা সমস্যা সমাধান কৰিবলৈ আমি পদক্ষেপ গ্ৰহণ কৰিব লাগিব। গতিকে, এই কথাখিনিৰ কাৰণে আমি সকলোৱে দলীয় কিছু কথা-বাৰ্তাৰ ঊৰ্ধত থাকি একেলগে চৰকাৰৰ ভাল কথাবিলাকক সমৰ্থন জনোৱা দৰকাৰ। কোনোবা যদি বঞ্চিত হৈছে, তেন্তে আপোনালোকে কওঁক যে এইখিনি কাম কৰিব লাগে, কিয়নো কোনো বঞ্চিত হৈ থকাটো আমি কেতিয়াও নিবিচাৰো। এতিয়া নিৰ্বাচনৰ আগে আগে জনগোষ্ঠী ভিত্তিক যিবিলাক সন্দেহ সুমুৱাই দিয়া হৈছে সেইক্ষেত্ৰত এইটো নিশ্চিত যে সংখ্যালঘূ মানুহে মাটিৰ পট্টা পাইয়েই আছে। মই আশা কৰোঁ, এই কথাবিলাক মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বক্তব্যৰ জৰিয়তে আশ্বস্ত কৰিব। আমাৰ এন.আৰ.চি. ক লৈ এটা পৰিৱেশ সৃষ্টি কৰিব বিচাৰে। অসম চুক্তিৰ ৬ নং দফাক লৈও এটা পৰিৱেশ সৃষ্টি কৰিব বিচাৰে। কিন্তু, জনসাধাৰণে তাৰ প্ৰত্যুত্তৰ আগন্তুক নিৰ্বাচনত ভালকৈয়ে দিবলৈ সাজু হৈছে।

আমাৰ ৰাস্তা-পদূলিৰ যি উন্নয়ন হৈছে, সেইটো শত্ৰুৱেও স্বীকাৰ কৰিব, কণাইও হয়তো দেখিব। অসমত ৰাস্তা-পদূলিৰ এনে পৰিৱৰ্তন আগতে কেতিয়াও হোৱা নাই। দক্ষ মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মানুহৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নিশ্চিত কৰি শান্তিৰ এক বাতাৱৰণৰ মাজত আস্থা, বিশ্বাসৰ সমন্বয়-সম্প্ৰীতিৰ এনাজৰীডাল টনকিয়াল কৰি এখন সমৃদ্ধিশালী অসম গঢ়াৰ ক্ষেত্ৰত যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে এই ক্ষেত্ৰত সকলোৱে চৰকাৰক সমৰ্থন দিবলৈ আহ্বান জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাই মই দু-আষাৰ ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, মই আপোনাকো ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ আগতে চাৰি গৰাকী ব্যক্তি ক্ৰমে-পুলকেশ বৰুৱা ডাঙৰীয়া, গণেশ কুটুম ডাঙৰীয়া, টংক বাহাদুৰ ৰাই ডাঙৰীয়া আৰু পৃথিৱী মাঝি ডাঙৰীয়াক মই অসম বিধান সভাৰ অধ্যক্ষ হিচাপে পাইছো। তেওঁলোকেও বেলেগ বেলেগ ধৰণেৰে সদনখন ভালদৰে পৰিচালনা কৰিছিল। আপুনিও বিধান সভাত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় আনি ৰাজ্যৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত বহুত ডাঙৰ পদক্ষেপ গ্ৰহণ কৰিছে, গতিকে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

অধ্যক্ষ মহোদয়, অসমৰ ৰাইজে এতিয়া উন্নয়ন আৰু বিকাশৰ বাহিৰে আন একো বিচৰা নাই। স্বৰ্গদেউ সকলে ৰংঘৰত বহি য'ত খেল-ধেমালি কৰিছিল, সেই ঠাইখিনি ৰক্ষা কৰাৰ বাবে তাত এক ক্ৰীড়া প্ৰকল্প স্থাপন কৰাৰ বাবে মই অসম বিধান সভাৰ সদনত ২০০৬ চনৰে পৰাই উত্থাপন কৰি আহিছো আৰু এই বছৰৰ বিধান সভাত মাননীয় বিত্ত মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই ক্ৰীড়া প্ৰকল্প স্থাপন কৰিব বুলি ক'লে আৰু তাৰ বাবে ১০ কোটি টকা দিছে। বৰ্তমান তাত কাম চলি আছে। গতিকে এই সম্পৰ্কে তেখেতে সদনত ঘোষণাও কৰিছে আৰু বাস্তৱত ৰূপায়ণো হৈছে। অধ্যক্ষ মহোদয়, বৰ্তমানৰ চৰকাৰখনে জনকল্যাণ মূলক তথা অসমৰ মংগলৰ বাবে বহু কাম কৰিছে। এইখিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰিছো- ১৯৯৮ চনত অসমৰ পৰিবহন বিভাগ আৰু যোগান বিভাগত কেইজনমান ল'ৰাক নিযুক্তি দিয়া হৈছিল। তেওঁলোকে ৮ বছৰ কাল কাম কৰাৰ অন্তত পিছৰ চৰকাৰ আহি তেওঁলোকক কামৰ পৰা উলিয়াই দিলে। যাৰ ফলত মানুহখিনিৰ নাজল-নাথল অৱস্থা হৈছিল। এসময়ত শিক্ষকসকলৰ যি সাংঘাটিক সমস্যা আছিল, সেই সমস্যা সমাধান কৰি তেওঁলোকৰ পৰিয়ালসমূহ জীয়াই থাকিবলৈ চৰকাৰে

এটা বহুত ডাঙৰ কাম কৰি দিছে। ঠিক তেনেদৰে, এই ল'ৰাকেইজনৰ বিষয়টোও চাবৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো। লগতে, শিৱসাগৰ আৰু যোৰহাটৰ মাজতে আমগুৰি আছে। তাত এখন Science College খুলিলে ভাল হয়। গতিকে মই তাত এখন Science College বিচাৰিছো আৰু সেয়েহে এই বিষয়টো মই দাঙি ধৰিছো।

অধ্যক্ষ মহোদয়, আমাৰ উত্তৰ-পূৰ্বাঞ্চল Landlocked area ত আছে। This area has been identified as Landlocked area in South-Asisan countires. এই Landlock টো খোলাৰ বাবে আগতে কোনো চৰকাৰে চকু খোলা নাই। আপুনি জানে যে Landlock হৈ থাকিলে, অৰ্থাৎ stagnant water কেতিয়াও স্বাস্থ্যকৰ নহয়। তাত কেতিয়াও কাম কৰিব নোৱাৰে আৰু উন্নয়ন কেতিয়াও নহয়। কিন্তু, বৰ্তমানৰ চৰকাৰখন অহাৰ ফলত এই Landlockedness টো খোল খাইছে। সেইদিনাখন পৰিবহন মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে বাংলাদেশ, ভূটান, Yangon (Myanmar) এই ঠাইসমূহলৈ আমাৰ ইয়াৰ পৰা Train communication, Roadways communication, Waterways communication হৈ গৈছে। এই communication এতিয়া আৰম্ভ কৰিছে। তাৰোপৰি, Myanmar ৰ Rakhine State ৰ capital- Sittwe ত মিজোৰামৰ পৰা বৈ যোৱা Kaladan River ৰ মুখত ভাৰতে Port বনাই আছে। এই Sittwe Portটো তাত ভালদৰে বনোৱা হোৱাৰ পিছত, ই আমাৰ region ৰ বাবে বহু ধৰণে সহায়ক হ'ব। বাংলাদেশত অৱস্থিত Chittagong Port লৈ ধুবুৰীৰ পৰা Waterways খুলিবৰ বাবে ভাৰত চৰকাৰে ব্যৱস্থা কৰিছে। ইও আমাক বহু ধৰণে সহায় কৰিব। আমাৰ অৰ্থনৈতিক উন্নয়ন আমি অকল আমাৰ দেশৰ মাজতে চাই থাকিলে নহ'ব, ইয়াৰ বাবে দূৰলৈ দৃষ্টি দিব লাগিব। আন দেশৰ সৈতে ব্যৱসায়-বাণিজ্য কৰাৰ বাবে বাট-পথ খোল খাব লাগিব। বাংলাদেশ, ভূটান, Yangon আদিলৈ বিধান সভাৰ প্ৰতিনিধি গৈছে। এই ক্ষেত্ৰত মই সদনত কিছু তথ্য দাঙি ধৰিব বিচাৰিছো- ম্যানমাৰৰ Moreh ত ২০০৮ চনত ১২.৯ বিলিয়নৰ Trade হৈছিল। কিন্তু, ২০১৮ চনত দুগুণ হৈ ৩৯.৫ মিলিয়নৰ Trade হৈছিল। তাত ৰপ্তানি কৰোঁতে ভাৰতৰ ২০১৮ চনত GDP আছিল ২২.৪% আৰু ২০০৮ চনত ১৯.১% । আকৌ, আমদানি কৰোঁতে ২০১৮ চনত ভাৰতৰ GDP আছিল ৩৫.২% আৰু ২০০৮ চনত ১৮.৩%। তাৰ মানে ২০০৮ চনত আমাৰ ইয়ালৈ যিমান টকা আহিছিল, ২০১৮ বৰ্ষত তাতকৈ দুগুণ টকা উপাৰ্জন হৈছিল। গতিকে বিদেশৰ সেইখন ঠাইত আমি দেশৰ ব্যৱসায় -বাণিজ্য কৰিছো।আমাৰ কৰিমগঞ্জৰ Sutarkandi ঠাইখনত সম্পূৰ্ণৰূপে trade আৰম্ভ হ'লে আমাৰ ইয়ালৈ economy flow কৰিব। ব্ৰহ্মপুত্ৰলৈ সাগৰৰ পৰা মাছ নাহি, পাহাৰৰ পৰা আহিব নেকি ? গতিকে মাছ আহিবৰ বাবে এইফালটো খোল খাই থাকিব লাগিব। গতিকে, অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টিগোচৰ কৰিলো যে মহামান্য ৰাজ্যপালৰ ভাষণত উল্লেখিত কথা field তো exactly reflect কৰিছে।

অধ্যক্ষ মহোদয়, আমাৰ তাত আমি ১০ কোটি টকাৰ এখন ষ্টেডিয়াম বনাই আছো, ই অকল আমগুৰিৰ বাবেই নহয়, সমগ্ৰ জিলাখনৰ বাবে ই এক বৃহৎ সম্পত্তি হ'ব। আজি যদি আমি তাত ১০ কোটি টকা খৰচ কৰিছো, ভৱিষ্যতলৈ ইয়াৰ পৰা আমি নিশ্চয় কোটি-কোটি টকা উপাৰ্জন কৰিব পাৰিম। এতিয়া যি যি কাম কৰা হৈছে তাৰ পৰা এটা এটা সম্পদ সৃষ্টি হৈ আছে আৰু এই সম্পদবোৰৰ পৰাই ভৱিষ্যতলৈ আমাৰ অৰ্থনীতি বহুত উন্নত হ'ব। অধ্যক্ষ মহোদয়, মই নিজে দেখা কথাকেইটামান আপোনাক ক'ব বিচাৰিছো। Stilwell Road টো Pangsau Pass ত

ম্যানমাৰৰ লগত লগ লাগিছে আৰু এই Pangsau Pass ত এতিয়া এখন বজাৰ বহে। এই বজাৰখনলৈ ম্যানমাৰৰ ফালৰ পৰাও মানুহ আহে আৰু অসমৰ ফালৰ পৰাও মানুহ যায়। তাত আমাৰ local মাছ যেনে-মাগুৰ মাছ, কাৱৈ মাছ ইত্যাদিৰ বেহা-বেপাৰ হয়। Border area ত হোৱা এই বেহা-বেপাৰৰ ফলত দুইখন দেশৰ মানুহৰ মাজত এটা বুজা-পৰাৰ সম্পৰ্ক গঢ় লৈ উঠিছে আৰু তাত টকাৰো বিনিময় হৈছে। দুইখন দেশৰে বহুত সুবিধা হৈছে। ভাৰতৰ বহুখিনি বস্তু আনি তাত বিক্ৰী কৰিব পাৰিছো আৰু তেওঁলোকৰ বহুখিনি বস্তু আমাৰ ইয়াত বিক্ৰী কৰিব পাৰিছে। গতিকে, আমাৰ ইয়ালৈ যদি টকাৰ flow হয় তেন্তে আমাৰ ইয়াত অৰ্থনীতিৰ উন্নয়ন হ'ব আৰু অৰ্থনীতিৰ উন্নয়ন হ'লে মানুহ লাভৱান হ'ব। অধ্যক্ষ মহোদয়, আগতে, দিল্লীৰ পৰা বস্তু আহি আমাৰ periphery area বোৰত নাপায়, যাৰ ফলত periphery area বোৰক সদায় অৱহেলা কৰা হয়। সেয়েহে, সেই ঠাইৰ মানুহবোৰে নিজকে alienated বুলি ভাৱিছিল। কিন্তু, এতিয়া সেই অনুভৱবোৰ নাই। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এটা লক্ষ্যণীয় কথা যে পূৰ্বতে অসমৰ গ্ৰাম্য অঞ্চলসমূহৰ উন্নয়নৰ বাবে কোনো আঁচনি লোৱা হোৱা নাছিল আৰু ভাৰত চৰকাৰে লোৱা আঁচনিও আমাৰ ইয়াত ফলপ্ৰসূ হোৱা নাছিল কিয়নো কেন্দ্ৰত লোৱা কিছু আঁচনি আমাৰ অঞ্চলৰ বাবে উপযোগী নহয়। কিন্তু, বৰ্তমান চৰকাৰে আঁচনি সমূহ grassroot level ত গৈ গ্ৰহণ কৰিছে। যাৰ ফলত আজি যিদৰে গণেশগুৰিখন উন্নত হৈছে, ঠিক তেনেদৰে এখন এখন গাওঁ উন্নত হ'ব ধৰিছে, তাৰ basic কামসমূহো প্ৰায় শেষ হৈ গৈ আছে। গতিকে, যেতিয়ালৈকে গ্ৰামাঞ্চল সমূহৰ উন্নয়ন নহয়, তেতিয়ালৈকে এখন দেশৰ কেতিয়াও উন্নয়ন হ'ব নোৱাৰে। এই ক্ষেত্ৰত এতিয়া আমাৰ চৰকাৰে বহু আঁচনি হাতত লৈছে। উদাহৰণস্বৰূপে এতিয়া গাওঁ এখনলৈ গ'লে তাত নামঘৰ, সকলোৰে ঘৰে ঘৰে ফল-মূলৰ গছ, একোখনকৈ বাৰী থকা দেখিবলৈ পোৱা যায় আৰু অসমীয়া সমাজখন এনেদৰে জীয়াই আছে। এই অঞ্চলবোৰত আগতে চৰকাৰৰ কোনো সমৰ্থন নাছিল। যাৰ ফলত এই মানুহখিনি আগবাঢ়িব পৰা নাছিল। অধ্যক্ষ মহোদয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই সকলো ধৰ্ম -বৰ্ণ নিৰ্বিশেষে একেটা পাগতে খাব পৰা কৰিছিল। তেওঁৰে শিষ্য, নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ আতৈ আৰু মুছলমানৰ চান্দ সাই সকলোকে লৈ একেটা পাগতে খাব পৰা ব্যৱস্থা কৰি দিছিল। গুৰুজনাই কৈ যোৱা শ্ৰীকৃষ্ণকে আৰাধ্য দেৱতা হিচাপে গ্ৰহণ কৰি আমি সকলোৱে চলি আছো। নামঘৰ এনে এটা অনুষ্ঠান য'ত কেৱল ধৰ্মৰ চৰ্চাই নহয়, সকলো ধৰণৰ ব্যৱস্থা আছে। আজি মই নামঘৰৰ কথা এই কাৰণেই কৈছো যে- আজি যাৰ বাবে অসমীয়া জাতি জীয়াই আছে, যাৰ আদৰ্শৰে সমাজখন জীয়াই আছে, সেই অনুষ্ঠান আগৰ চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাছিল, কিন্তু বৰ্তমানৰ চৰকাৰখনে একে সমষ্টিৰ গড়ে ৫০ টাকৈ নামঘৰত অনুদান আগবঢ়াইছে। যাৰ ফলত তাৰ ৰাইজ তথা ভকত সকল অতি আনন্দিত হৈ চৰকাৰখনক আশীৰ্বাদ দিছে আৰু কৈছে যে -এনেকুৱা কাম কাহানিও কোনো চৰকাৰে কৰা নাছিল। গুৰজনাৰ যি secular ideology, সকলোকে লগত লৈ কাম কৰাৰ যি আদৰ্শ, সেই আদৰ্শক আমি সমগ্ৰ পৃথিৱীত বিস্তাৰ কৰিব লাগিছিল। কিন্তু, আমি কোনোবাই কৰিলো নে? চৰকাৰে যিদৰে সমাজ, অৰ্থনীতি ঠিক কৰিব বিচাৰিছে, ঠিক তেনেদৰে সত্ৰ সমূহেও উক্ত কামবোৰ কৰি আছে। সত্ৰ সমূহে সাংস্কৃতিক ক্ষেত্ৰখনো উন্নয়ন কৰিছে। কিন্তু, এই সত্ৰ সমূহৰ এসময়ত শোচনীয় অৱস্থা হৈছিল। উপাধ্যক্ষ মহোদয়, মোক বেঙেনাআটি সত্ৰৰ প্ৰভু ঈশ্বৰে এদিনাখন কৈছিল যে আজিকালি ল'ৰা-ছোৱালীবোৰ বাহিৰলৈ পঢ়িবলৈ গৈ এতিয়ালৈ ঘূৰি অহা নাই, সত্ৰ আৰু কিমান ৰখাব পাৰিম ঠিক নাই। গতিকে, উপাধ্যক্ষ মহোদয়, অসমীয়া সমাজখন, আৰ্থ-সামাজিক তথা সাংস্কৃতিক ভাৱে জীয়াই ৰখাৰ বাবে এই

মানুহ খিনিয়ে গোটেই জীৱন বিবাহ-পাশত আৱদ্ধ নোহোৱাকৈ কাম কৰি আছে। কিন্তু, আগৰ চৰকাৰবোৰৰ এই মানুহখিনিলৈ এবাৰো ঘূৰি চাবলৈ সময় নহ'ল। কিন্তু, আজি বৰ্তমানৰ চৰকাৰখনে অনুভৱ কৰিছে যে সমাজ এখন কেনেকৈ জীয়াই থাকিব, দেশ, জাতি কেনেকৈ বাচি থাকিব, অসমীয়া মানুহৰ মনত কিদৰে সাহস আহিব, এই কথাবোৰ এতিয়া বুজি পাইছে আৰু সেই কাৰণে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী, বিত্ত মন্ত্ৰী, এওঁলোকে এই আঁচনিবোৰ তৃণমূল পৰ্যায়লৈ গৈ চাইছে যে অসমীয়া সমাজখনত কি খেলি-মেলি হৈছে । সম্পূৰ্ণ একেবাৰে টীম গৈ চাইছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে গৈ চাইছে । অসমীয়া সমাজ খনত কি গণ্ডগোল হৈ আছে, কি কাৰণে মানুহ বিলাক এনেকুৱা হৈ আছে । তেওঁলোকে যিটো লৈ বাচি আছে, যিটোলৈ সমাজ চলাই আছে সেই বস্তুটো কোনো মানুহে আজিলৈ গুৰুত্ব দিয়া নাছিল উপাধ্যক্ষ মহোদয়। এতিয়া মানুহে গম পাইছে আৰু আমাৰ চৰকাৰেও গম পাইছে যে এইটো এটা ডাঙৰ পাপ কৰিছিলো। গুৰুজনাৰ নামত আমি মহাপাপ কৰিছিলো আৰু সত্ৰ, আমাৰ নামঘৰ এই বিলাকত আমি পাপ কৰিছো আৰু এতিয়া সেই পাপৰ প্ৰায়চিত্ত আমি কৰিব লাগিব । সেই কাৰণে এতিয়া যিটো ব্যৱস্থা হ'ল নামঘৰ বিলাকত, সত্ৰ বিলাকত অনুদান দিয়া, বে-দখল কৰা সত্ৰ

**মাননীয় উপাধ্যক্ষঃ** আমাৰ ৫ঃ৩০ বজালৈ সময় আছিল এতিয়া ১ ঘন্টা সময় বঢ়াই দিয়া হ'ল ।

**শ্ৰী প্ৰদীপ হাজৰীকা (আমগুৰি)ঃ** আজি যিটো কাম হৈছে সেইটো মোৰ মতে চৰকাৰৰ best thing they have done, the best decision they have taken. আৰু সেইটো সকলোৰে ধন্যবাদ জনাব লাগিব আৰু সেই কাৰণে তালৈ যোৱা ৰাস্তা, সত্ৰলৈ যোৱা, নামঘৰলৈ যোৱা, এই বিলাক institution কৰাৰ পিছত চাব অসমীয়া সমাজ কেনেকৈ আগবাঢ়ি আহে । মই এটা কথা কৈ শেষ কৰিব বিচাৰিছো যে চাওঁক আমাৰ গাওঁৰ ছবি খন এনেকুৱা আছিল উপাধ্যক্ষ মহোদয় যে শুৱনি আমাৰ গাওঁখন অতি শুৱনি গছৰে ভৰা, ডাল ভৰি ভৰি ফল মুল লাগে ক'ত পাম তল সৰা। এতিয়া তাত আমাৰ ফলমূলৰ গছ নাপায়। একাছিয়া ৰূব, চেগুন গছ ৰূব। সেই বিলাকত ফল ধৰে জানো। ফল নধৰা কিছুমান গছ ৰৈ দিছে আৰু সেই কাৰণে হাতী আৰু অন্যান্য জীৱ জন্তুই আহি ঘৰত অত্যাচাৰ কৰিব লৈছে। এতিয়া সেই কাৰণে মই ভাবো যে আগতে বুঢ়া সকলে হাবিয়ে বননিয়ে যেনেকৈ ফল-মুলৰ গছ ৰোপন কৰিছিলে, বৰ ডাঙৰ ডাঙৰ আম গছ আছিল, ঠিক তেনেদৰে গছ ৰোপন কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰাটো ভাল । লেটেকু, পনিয়ল, জামু, আম গছ এইবিলাক যদি ৰুই দিয়ে আকৌ দেখিব তাত এই বিলাক সোমায় যাব। এতিয়া উপাধ্যক্ষ মহোদয় মই এই কথা কেইটা ক'ব বিচাৰিছো যে- Rural Infrustracture development in my constituency light আমি তাত ১০০ শতাংশ সম্পূৰ্ণ কৰিছো। road and bridge, এখন ব্ৰীজ বাকী আছে। তাৰ পিছত মোবাইল নেটৱৰ্ক, গাওঁত যাতে 3G, 4G পাই যায় তেতিয়া গাওঁৰ মানুহে ওলাই নাহে চহৰলৈ। তেওঁলোকে তাতে সকলো কৰি ল'ব। আমি দেখিছো solar light আমি দিয়াৰ ব্যৱস্থা কৰিছো। healtcare- hospital আমি তাত এনেকুৱা ধৰণে ঠিক কৰিছো যাতে primary health care টো সকলোৰে পোৱাটো অসুবিধা নহয়। তাৰ পিছত হৈছে স্কুল-কলেজ, উপাধ্যক্ষ মহোদয় আৰু এটা কথা ক'ব লাগিব এতিয়া প্ৰায় ৬ হাজাৰ ছাত্ৰ-ছাত্ৰীক আমি ৫ হাজাৰ টকাকৈ আমি দি আছো । তেওঁলোকৰ নামভৰ্তিৰ কাৰণে, চিকিৎসাৰ কাৰণে। এতিয়া চাওঁক ৫ হাজাৰকৈ ১২৬ টা সমষ্টিত কিমান হ'ব হিচাপ কৰক। তাৰ পিছত হৈছে মাটিৰ পট্টা- এতিয়াটো ৩ লাখ মানুহক মাটিৰ পট্টা দিয়া হ'ল আৰু মোৰ তাত প্ৰায় ২,৩ হাজাৰ মানুহক পট্টা দিয়া হৈছে । আৰু পট্টা দিয়া কথাটো কওঁ যিবিলাক মানুহ

আজি যুগ যুগ ধৰি ইয়াতে থকা মানুহ সেই বিলাক মানুহৰে আজিলৈকে পট্টা নাছিল । এতিয়া চৰকাৰে পট্টা দিয়াটোৰ কাম কৰিছে । তাৰ পিছত হৈছে যে এতিয়া দুখীয়া মানুহক চিকিৎসা কৰা সেইটো চিকিৎসা সেৱাই কিমান মানুহক সহায় কৰিছে । তাৰ পিছত আছে sports- আমাৰ ৬ খন গ্ৰাউন্দ বনাইছো, এখন ষ্টেডিয়াম, দুটা swimming pool আৰু ৬ খন football ground আমি বনাই আছো এতিয়া। তাৰ পিছত হৈছে support to the Tea Workers- আমাৰ বাগানত উপাধ্যক্ষ মহোদয় লাইট কাৰো ঘৰত নাছিল, কেৱল মেনেজাৰৰ ঘৰত আছিল। এতিয়া প্ৰত্যেকৰে ঘৰে ঘৰে লাইট আৰু প্ৰত্যেকৰে ঘৰে ঘৰে মিটাৰ, বাগিছা অঞ্চলত। মই মোৰ সমষ্টিৰ কথা কৈ আছো । তাৰ পিছত এতিয়া শিক্ষকবিলাকৰ যি সমস্যা বিলাকৰ কথা আছিল প্ৰায় নাইকীয়া হৈ গ'ল । Women empowerment- এইটোৰ কাৰণে এতিয়াটো সকলোৰে গোটত কাম কৰি থাকে আৰু সেই কাৰণে Women empowerment টো যথেষ্ট উন্নত হৈছে । তাৰ পিছত হৈছে অৰুণোদয় আঁচনি- এইটো আচঁনিৰ যোগেদিটো মহিলা গোটেইখিনিকে লৈ ল'লে । তাৰ পিছত হৈছে untied fund- এই ফাণ্ডৰ যোগেদিও আমি তাত সকলো কাম কৰি আছো। এতিয়া এনেকৈ চেনিটেশ্যনৰ কামও য'ত প্ৰয়োজন আছিল তাত কৰা হৈছে । এনেধৰণে চি এম চিগনেচাৰ প্ৰজেক্টকে লৈ এই গোটেই খিনি এটা সমষ্টিত হয় তেতিয়াহ'লে সমষ্টিটো কেনেকুৱা হ'ব । এইটো উন্নয়ন হয়নে নহয় । সেইখিনি যদি গাও অঞ্চলত উন্নয়ন হয় তেতিয়াহ'লে বহু সমস্যা নাইকীয়া হৈ যাব । সেই কাৰণে মই আশা ৰাখিছো মহামাণ্য ৰাজ্যপালৰ যিটো ভাষণ সেই ভাষণটো very correctly reflact to the works of the Government. এইটো ভাল ধৰণে কৰিছে আৰু মই এইটো ধন্যবাদ জনাইছো । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্যা ৰ'জলিনা তিৰ্কী।

**শ্ৰীমতী ৰ'জলিনা তিৰ্কী (সৰুপথাৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ তেখেতৰ ভাষণত যিখিনি কথা দাঙি ধৰিছে তাত আমি ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ লগতে মইও সন্তুষ্ট নহয় । কাৰণ চৰকাৰ খনৰ কাম-কাজৰ যিখিনি কথা উল্লেখ কৰা হ'ল বা যি ধৰণে হ'ব লাগিছিল তেনেধৰণে হোৱা নাই আৰু বৰঞ্চ সম্পুৰ্ণ ভাবে ব্যৰ্থ হৈছে বুলি মই ভাবো। উদাহৰণ স্বৰূপে, ৰাজ্য খনৰ সন্ত্ৰাসবাদী সংগঠনক অস্বিস্তহীন কৰি পেলোৱা বুলি উল্লেখ কৰাৰ বিপৰীতে আমি দেখিবলৈ পাইছো যে কুইপৰ দুজন বিষয়াক উগ্ৰপন্থী সংগঠনে অপহৰণ কৰি মুক্তিপন দাবী কৰি নিৰ্দিষ্ট সময়সীমা বান্ধি দিয়াৰ পিছতো আৰক্ষীয়ে আজিলৈকে মুকলি কৰি আনিব পৰা নাই । দ্বিতীয়তে হৈছে, ইয়াৰোপৰি আমাৰ যি এছ আই নিযুক্তি কেলেংকাৰী মূল অভিযুক্তসকলক চিনাক্ত কৰি উচিত শাস্তি প্ৰদান কৰাৰ ক্ষেত্ৰতো বিফলতা হৈছে । ঠিক তেনেধৰণে কৃষিৰ কথা আমাক কোৱা হৈছে, কৃষিৰ ক্ষেত্ৰত চৰকাৰ খনে বৃহৎ পুঁজি খৰচ কৰা হৈছে আৰু যিহেতুকে আমাৰ অসমত ৭০ শতাংশতকৈ ওপৰত আমাৰ কৃষিজীৱি লোক আছে আৰু আমাৰ কৃষিৰ ওপৰত যি নিৰ্ভৰশীল হৈ আছে তেনেক্ষেত্ৰত অন্যান্য ৰাজ্যত যি ধৰণে আধুনিক পদ্ধতিত উন্নতভাবে আমাৰ কৃষি ক্ষেত্ৰত আগবঢ়োৱা হৈছিলে আমাৰ চৰকাৰে সেইখিনি কৰা দেখা নগ'ল । মোৰ সমষ্টিত সৰুপঠাৰ আৰু বৰপঠাৰৰ চাউল এটা সময়ত খুবেই বিখ্যাত আছিল এই কাৰণে মই মোৰ সমষ্টিত এটা কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা বাবে বিচাৰিছিলো । কিন্তু সেইটো কোনো গুৰুত্ব দিয়া নহ'ল । ঠিক তেনেধৰণে সীমান্ত সুৰক্ষা আৰু উন্নয়নৰ সম্পৰ্কত বহু কথা উল্লেখ কৰিছে যদিও আজি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ একেখন চৰকাৰে আছে, আজি আন্তঃৰাজ্যিক সীমান্ত বিবাদ দিনে দিনে বাঢ়ি থকাহে দেখিছো । এই চৰকাৰ খনে শাসনত অহাৰ পূৰ্বে কৈছিল যে ভাৰত আৰু বাংলাদেশ

সীমান্ত চীল কৰা হ'ব কিন্তু তাৰ প্ৰতিশ্ৰুতি দিছিল যদিও সেইয়া দেখা নগ'ল । যিখিনি সীমান্তত বসবাস কৰা জনসাধাৰণৰ জীৱন আৰু আমাৰ সম্পত্তি নিৰাপত্তাৰ লগতে আইন শৃংখলাৰ পৰিস্থিতত অটুত ৰখাত চৰকাৰ এখন সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। যাৰ ফলস্বৰূপে আজি আমি অসম-মিজোৰাম, অসম-নাগালেণ্ড বা অসম-মেঘালয় আদি সীমান্ত অতিকৈ উত্তপ্ত হৈছে আৰু তাৰে উদাহৰণ আমি দিনে দিনে বাতৰিত দেখি আছো। সেই অঞ্চলৰ অসমীয়া ৰাইজ আজি আতংকিত হৈছে। আনকি সেই অঞ্চলৰ গাওঁবুঢ়া সকলৰ কথা মই বিগত ২০১৬ চনৰ পৰা প্ৰতিটো বিধান সভাত উপস্থাপন কৰি আহিছো যে আমাৰ সীমান্তবাসী যি সকল গাওঁবুঢ়া আছে তেওঁলোক চৰকাৰী নহয় সেই চৰকাৰী নোহোৱা গাওঁ বুঢ়া সকলক চৰকাৰীকৰণ কৰিব লাগিছিল, নহ'লে তেওঁলোকক কিবা এটা মাননি দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল । কাৰণ তেওঁলোকে দিনে ৰাতি প্ৰশাসনৰ লগত কেতিয়া সীমান্ত অঞ্চলত বিবাদ হয় তেতিয়া দিনে ৰাতি খাতি থাকে। আজি যদি তেখেত সকলে খাতি নথকা হ'লে আজি যি আমাৰ বহিঃৰাজ্যৰ লোক সকলে আমাৰ বহুত মাটি লৈ গ'ল হেতেন। অন্যহাতে আমাৰ যি ৬ জনগোষ্ঠীৰ কথাৰে আহো, এইটো চৰকাৰৰ প্ৰতিশ্ৰুতি আছিল আমাৰ ৰাজ্যপালৰ ভাষণত এইখিনিৰ উল্লেখ কৰা আমি দেখা নাপালো । জনজাতি কৰিম বুলি দিয়া প্ৰতিশ্ৰুতি তেনেকৈ ৰৈ গ'ল । লগতে অসমৰ আন আন জাতি-জনগোষ্ঠীৰ ক্ষেত্ৰতো ৰাজনৈতিক উদ্দেশ্য ব্যৱহাৰ কৰিলে কিন্তু কোনো পদক্ষেপ দেখা নগ'ল । উদাহৰণস্বৰূপে, ৰাভা-হাচং অটোনোমাচ কাউঞ্চিলৰ বাহিৰত থকা ৰাভা লোক সকলক চেটেলাইট কাউঞ্চিল দিয়াৰ প্ৰয়োজনতা আছিল যদিও চৰকাৰ খনে একো নকৰিলে । তেনেদৰে অসমৰ যি গোৰ্খা সম্প্ৰদায়ৰ লোক সকলক মাহী আইৰ চকুৰে চোৱা দেখা গৈছে । পূৰ্বৰ চৰকাৰে Gorkha Development Council ৰ যোগেদি ফাণ্ড দিছিল, সেই ফাণ্ডটো এতিয়া হয়তো সদ্যহতে হ্ৰাস কৰা গৈছে । তেনেধৰণে অসমৰ অন্যান্য জাতি-সম্প্ৰদায় সকল যেনে- মিচিং, হিন্দু-বেংগলী, মাইনৰিটি, বুদ্ধিষ্ট, মনিপুৰী, কোচ, কলিতা ভোজপুৰী, মাৰোৱাৰী আদি সকলোৰ বাবে কোনো উন্নয়ন মূলক আঁচনি গ্ৰহণ নকৰিলে । চাহ জনগোষ্ঠীৰ ক্ষেত্ৰলৈ আহিছো। চাহ জনগোষ্ঠীৰ বহুতো কাম কৰিছে ৰাস্তা-পদূলি হৈছে, স্কুল-কলেজ হৈছে কিন্তু চাহ জনগোষ্ঠীৰ লোক সকলক পূৰ্বতে দিয়া প্ৰতিশ্ৰুতি মতে শ্ৰমিকৰ নিম্নতম যিটো মজুৰী ৩৫১ টকা দিব বুলি কৈছিলে সেইটো আজিলৈকে নহ'ল । কিন্তু গতানুগতিকভাবে আঁচনি আৰু নিৰ্বাচন কেন্দ্ৰীক ভাবে আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে । কিন্তু ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত আমাৰ শ্ৰমিকৰ নিম্নতম মজুৰী সম্পৰ্কত আমি যদি চাওঁ গুৰুত্ব তেখেত সকলে দিছে । আমাৰ কিন্তু অসমত তেনেকৈ দিয়া হোৱা নাই। যেনেকৈ কেৰেলাত নিম্নতম মজুৰী চাহ শ্ৰমিক সকলৰ প্ৰায় ৫০০ টকা হয় । আন্তৰিকতা বা সদিচ্ছা থকা হ'লে চৰকাৰ খনে অসমতো শ্ৰমিকৰ মজুৰী ৩৫১ টকা বৃদ্ধি কৰিব পাৰিলেহেতেন কিন্তু ৩৫১ টকা বৃদ্ধিৰ যি প্ৰতিশ্ৰুতি দিছিল আজি পৰ্য্যন্ত এই চৰকাৰ খনে সেই প্ৰতিশ্ৰুতি পুৰণ নকৰিলে। সেয়েহে মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত এই বিষয়ে ঠাই নাপালে। কিন্তু আৰু কেইটামান বিভাগ আছে আৰু আমাৰ সন্মানীয় বিধায়কেও এই বিষয়ে কৈছে আৰু ক'ব ও লাগিব। আমাৰ শক্তি বিভাগৰ কথা কৈছে যে ১০০ শতাংশ বৈদ্যুতিকৰণ হৈছে। ৰাজহ গাওঁবোৰত যিবোৰ বৈদ্যুতিকৰণ কৰা হোৱা বুলি কৈছে সেইবোৰ কিন্তু কাগজে কলমেহে হৈছে । আজি যদি মোৰ সমষ্টিকে কওঁ বা আমাৰ সন্মানীয় সদস্য সকলৰ কথাকে কওঁ তেতিয়াহ'লে সেইবোৰত হয়তো বৈদ্যুতিকৰণ কাগজে-কলমে হয়তো থাকিব পাৰে, সেইটো হয়তো অফিচত গ'লেহে গম পাম । কিন্তু যদিহে আমি ফিল্ডত যাওঁ তেতিয়াহ'লে মোৰ সমষ্টিৰে ৰতনপুৰ টিং বস্তি, আমাৰ কলনিৰ গীৰ্জাজ্যোতিৰ লাইন এনেকুৱা ঠাইবোৰত আজিলৈকে কোনো

ধৰণৰ বৈদ্যুতিকৰণৰ বাবে কোনো লাইট পোষ্ট পৰা নাই । কিন্তু কাগজে পত্ৰই বিভাগৰ অফিচত এই কেইখন গাওঁৰ বৈদ্যুতিকৰণ হয়তো হৈ আছে । এনেকুৱা ধৰণৰ কাম আমি দেখিবলৈ পাও । আমি আমাৰ সমগ্ৰ ৰাজ্য খনতেই অত্যাৰশ্যকীয় সামগ্ৰী সমূহৰ দাম যথেষ্ট বৃদ্ধি হৈ গৈ আছে । আজি ফ্ৰী চাউল পাইছে যদিও দুখীয়া লোক সকলে সেই ফ্ৰী চাউল বিক্ৰী কৰিহে অন্যান্য বস্তুবোৰ ক্ৰয় কৰিবলগীয়া হৈছে । আমাৰ যিহেতু অসমখনত বানপানীত যথেষ্ট ক্ষতিগ্ৰস্ত হয় । আজিৰ শাসক পক্ষৰ ফালৰ পৰা কৈছে আৰু আজি আমি শুনি ভাল পাইছো যে আগন্তুক আহিবলগীয়া চৰকাৰ খনে অসমক বানপানীমুক্ত হ'ব বা অন্যান্য গৰাখহনীয়া কামবোৰ ৰোধ হ'ব । কিন্তু এই ৫ টা বছৰত সবকা চাথ, সবকা বিকাশ কোৱা চৰকাৰ খনে কিন্তু মোৰ সমষ্টি আৰু অন্যান্য সমষ্টিবোৰত এই কামবোৰ হোৱা দেখা নগ'ল । যেতিয়াই আমি কওঁ গৰাখহনীয়াৰ কামৰ কথা তেতিয়া মোৰ সমষ্টিৰ মিঠা আম চপৰিত কিবা প্ৰজেক্ট লোৱা হ'ল নে,১ নং কৈৱৰ্ত্য নে মইনাপাৰাত লোৱা হ'ল নে কৰি গাওঁত লোৱা হ'ল নে বিল পথাৰত লোৱা হ'ল । মোৰ সমষ্টিত ৩ খনকৈ ডাঙৰ ডাঙৰ নৈ আছে, যেনে-ৰেংমা, ধনশিৰি আৰু দৈয়াং কিন্তু তাতো কোনো ধৰণৰ ব্যৱস্থা আজিলৈকে লোৱা দেখা নগ'ল। সেই কাৰণে মই ভাবিছো আৰু লগতে মোৰ শুভেচ্ছা থাকিল যদিহে চৰকাৰ আহে তেতিয়াহ'লে মোৰ এই কথাখিনি গুৰুত্বসহকাৰে বিবেচনা কৰিব আৰু লগতে ৰাইজেও যথেষ্ট আশাৰে বাট চাই আছে । আজি সবকা চাথ, সবকা বিকাশৰ কথা কৈছে। আজি নামঘৰ বোৰত অনুদান আগবঢ়াইছে মই খুবেই ভাল পাইছো । প্ৰতিটো সমষ্টিত যিমান পাব লাগে বিশেষকৈ মোৰ সৰুপথাৰ সমষ্টি যিমান খিনি পাব লাগিছিল সিমান খিনি দিব পৰা নাই। কেৱল নামঘৰেই নহয়, মই খ্ৰীষ্টান হয় গতিকে অন্যান্য অনুষ্ঠানবোৰেও বা ধৰ্মীয় অনুষ্ঠানবোৰেও যাতে অনুদানবোৰ লাভ কৰিব পাৰে মই ভাল পাম । আৰু তেতিয়াহে সবকা চাথ, সবকা বিকাশ হ'ব বুলি মোৰ শুভেচ্ছা থাকিল । মোৰ এই কথা খিনি মাননীয় মহামাণ্য ৰাজ্যপালৰ ভাষণত যিখিনি কথা আছে মই ভাবিছো মোৰ কথাখিনি সন্নিবিষ্ট কৰিলে ভাল হয় আৰু এই খিনি কথা কৈ মোৰ বক্তব্য শেষ কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ মই এটা কথা ক'ব বিচাৰিছো যে বক্তাৰ নাম অলপ আছে কিন্তু কেইজনমান অনুপস্থিত আছে। সেয়েহে মই কেৱল অশোক শৰ্মা ডাঙৰীয়াক বৰ্তমান উপস্থিত আছে, বাকীবোৰ বৰ্তমান উপস্থিত নাই গতিকে তেখেতৰ ভাষণেই শেষ হ'ব । আমি যিহেতু সকলোৰে সৰ্বসন্মতিক্ৰমে এটা সিদ্ধান্তত উপনীত হৈছো আমি সকলোৱে অহাকালি নতুন সদনত বহিম। মুখ্যমন্ত্ৰীয়ে মোলৈ এটা বাৰ্তা পঠাইছিল যে সদনৰ উত্তৰটো নতুন বিল্ডিংত দিব আৰু তেওঁ তাত অংশগ্ৰহণ কৰিব বিচাৰিছে। গতিকে কাইলৈ যদি তেওঁৰ উত্তৰটো তাৰ পৰা লোৱা হয় আৰু আমি সকলোৱে যিহেতু তালৈ যাম গতিকে তেখেতৰ wish টো fullfil কৰিব পাৰিম আৰু মই ভাল পাম । Ashok Sharma, you are the last speaker. তাৰ পিছত সদন স্থগিত হ'ব ।

**শ্ৰী অশোক শৰ্মা (নলবাৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই পৱিত্ৰ সদনত আমাৰ চৰকাৰ খনৰ ওপৰত অসমৰ মহামহিম ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ বক্তব্যৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ ৰখা হৈছিল তাৰ সমৰ্থনত ইতিমধ্যে আমাৰ যথেষ্ট সংখ্যক সতীৰ্থ সদস্যই বক্তব্য ৰাখিছিল আৰু সেই কাৰণে মই বিশেষ কোৱাৰ প্ৰয়োজন নাই । কিন্তু আমাৰ বিৰোধীৰ কেইজনমান সদস্যই কোৱা কিছুমান কথা শুনাৰ পিছত মই ভাবিলো যে মই যিহেতু ১২৬ টা সমষ্টিৰ ভিতৰত নৱদ্বীপ হিচাপে বা বুদ্ধিজীৱিৰ প্ৰাণকেন্দ্ৰৰ পৰা মই প্ৰতিনিধিত্ব কৰি এই পৱিত্ৰ বিধানসভালৈ নিৰ্বাচিত হৈ আহিছো । সেই কাৰণে মই নলবাৰীৰ প্ৰতিচ্ছবি এটা এই পৱিত্ৰ সদনত দাঙি ধৰি বিৰোধী সকলক

অসমত যে কিছু উন্নতি হৈছে, অসম যে উন্নতিৰ দিশে আগবাঢ়িছে সেই বিষয়ে মই ক'ব বিচাৰিছো । মাননীয় অধ্যক্ষ মহোদয়, মানুহৰ যেতিয়া খং উঠে তেতিয়া গালি পাৰে আৰু মানুহৰ মনত যেতিয়া দুখ লাগে তেতিয়া কান্দে। ঠিক তেনেদৰে মানুহৰ মনত যেতিয়া শান্তি বিৰাজ কৰে, যেতিয়া মানুহৰ মনত সহানুভূতি আহে তেতিয়া আপোনা আপুনি কবিতাৰ আবিৰ্ভাৱ হয় আৰু মানুহৰ মনত সুন্দৰ সুন্দৰ শ্লোকে শোভা পায় আৰু আজি অসমত উন্নতিয়ে বিৰাজ কৰাৰ কাৰণে অসমত এক সুন্দৰ পৰিবেশত আগবঢ়াৰ কাৰণে তাৰ প্ৰতিফলন ঘটিছে এই বাজেটত আৰু মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে বাজেটৰ ভাষন ৰখাৰ আগ মুহূৰ্তত শ্লোকেৰে তেখেতৰ ভাষণ আৰম্ভ কৰে। এই কথাটো আজি আমাৰ ইয়াৰ বক্তব্যত বহু কেইজন সদস্যই সুন্দৰ সুন্দৰ কবিতাৰ স্তৱকেৰে তেখেতসকলৰ ভাষণ ৰাখিছে। কিন্তু মই সেই কথাটো কব বিচাৰিছো যে মানুহৰ মনত যেতিয়া খং উঠে তেতিয়া গালি পাৰে। আজি বিৰোধী সকলে গম পাইছে যে এই বিগত ৫ বছৰত যেনেকৈ তেওঁলোকে বিৰোধী আসনত বহি কতালে আৰু অহা ৫ বছৰো তেওঁলোকে বিৰোধীৰ আসনত বহিব লাগিব বুলি তেখেত সকলৰ খং উঠিছে। তাৰ বাবে তেওঁলোকে হোৱা কামবোৰো নোহোৱা বুলি ইয়াত হুলস্থূল কৰি আছে আৰু তাৰ বাবেহে মই দুটামান কথা কব বিচাৰিছোঁ। অধ্যক্ষ মহোদয়, এটা সুন্দৰ বাতাবৰণৰ প্ৰতিফলন ঘটিছে আপোনাৰ এই কাৰ্যকালত, আপুনি আমাৰ সকলো সদস্যক গ্ৰন্থ প্ৰদান কৰি। আগতে এনেকুৱা নজিৰ নাছিল যে অধ্যক্ষই সদস্য সকলক অধ্যয়ন কৰাৰ বাবে গ্ৰন্থ প্ৰদান কৰা। গতিকে যিহেতু এতিয়া সমাজত শান্তি বিৰাজ কৰিছে সদস্য সকলৰো আধ্যত্মিক চিন্তা চৰ্চাৰ প্ৰয়োজন আছে। সমজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যি প্ৰয়োজনীয়তা আছে সেই কথাটো আপোনাৰ কাৰ্যকালত প্ৰকাশ ঘটাটো দেখিছো, তাৰ বাবে মই মহোদয়ক ধন্যবাদ জনাইছো। মহোদয়, আমি যেতিয়া বিৰোধীসকলৰ মন্তব্য শুনিছিলো তেতিয়া এটাও মন্তব্য কৰা নাছিলো কিন্তু তেখেত সকলে আমাৰ কথা শুনিবলৈ অপাৰগ। কাৰণ তেখেতসকলে জানিছে যে অহা ৫ বছৰ তেখেত সকলে আৰু বিৰোধীৰ আসনতে থাকিব লাগিব। মহোদয়, মই বেছি আগৰ কথা কব নাযাও।

**মাননীয় অধ্যক্ষ ঃ** চমু কৰক।

**শ্ৰী অশোক শৰ্মা (নলবাৰী) ঃ** মই যোৱা ২০১৬ চনৰ উদাহৰণ দিব বিচাৰিছো যে, মই বিজেপি দলৰ জিলা সভাপতি হিচাপে ২০১২ চনত কাৰ্যনিৰ্বাহ কৰি আছিলো। মই চৰকাৰৰ প্ৰতিটো কাম নিৰীক্ষণ কৰি আছিলো, মই যি ৰাস্তাৰে অহা যোৱা কৰো সেইটো এটা মূল ৰাস্তা আৰু মই বিজেপিৰ বিধায়ক হোৱাৰ কাৰণে সেই গোটেই ৰাস্তাটো যিটো ৰাস্তাত প্ৰকাণ্ড প্ৰকাণ্ড গাট আছিল, য'ত কালভাৰ্ট এটা ভাঙি যোৱাৰ বাবে মানুহ অহা যোৱা কৰাত সমস্যা হৈছিল, কিন্তু আজি আমাৰ চৰকাৰ হোৱাৰ পিছত অকল সেইটো ৰাস্তায়ে নহয় নলবাৰী জিলাৰ বাত পথ বোৰ কেনেদৰে উন্নতি হৈছে এবাৰ আপোনালোকে গৈ চাই আহিলে গম পাব। সেই সময়ত গড়কাপ্তানী মন্ত্ৰী মাননীয় শ্ৰী পৰিমল শুক্লবৈদ্য আছিল আৰু অসম চৰকাৰৰ পৰা চি আৰ এফ ৰ আঁচনিত যেতিয়া অসমৰ আঁচনিসমূহ লৈ যোৱা হৈছিল মই তেখেতক আবেদন কৰি নলবাৰী সমষ্টিৰ দুটা প্ৰকল্প অনুমোদন কৰাইছিলো, তেখেতৰ লগত দিল্লীলৈ গৈ। সেই ৰাস্তা আজি নলবাৰী জিলাৰ সৌন্দৰ্য বৃদ্ধি কৰাই নহয় তাৰ লগতে মানুহৰ মাজত সন্তুষ্টি প্ৰকাশ পাইছে। আজিৰ পৰা প্ৰায় ৬-৭ বছৰ আগতে নলবাৰী জিলালৈ গলে তেতিয়া দেখিছিল যে নলবাৰীলৈ সোমোৱা ৰাস্তাটোত পাগলাদিয়া নদীৰ ওপৰত এখন সৰু দলং আছিল, কিন্তু আজি সেই পথত দাবোল দলং বনাবলৈ আমি সফল হৈছো। যান-যঁট দূৰ কৰাৰ বাবে আমি হৰিমন্দিৰৰ সন্মুখত এখন উৰণীয়া সেঁতু নিৰ্মাণ কৰাৰ বাবে ৫৯ কোটি টকা অনুদান আনিবলৈ সক্ষম হৈছো আৰু মন্ত্ৰীয়ে আজি এই পবিত্ৰ সদনত বহি আছে

আৰু মই তেখেতক ধন্যবাদ দিছোঁ। আজিৰ এই পবিত্ৰ সদনত আমাৰ চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় বিত্তমন্ত্ৰীৰ ডাঙৰীয়াৰ লগতে আমাৰ নলবাৰী জিলাত প্ৰতিনিধিত্ব কৰা আৰু অসম চৰকাৰৰ ৮ টা কৈ গুৰুত্বপূৰ্ণ পদবী লৈ থকা মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। কাৰণ তেখেত সকলৰ সহযোগিতাত আজি নলবাৰী জিলাৰ যি উন্নতি হৈছে তাক দেখি মানুহ আচৰিত হৈছে। অধ্যক্ষ মহোদয়, মই মাত্ৰ ২ টা উদাহৰণ দিব বিচাৰিছোঁ। বিৰোধীয়ে কৈছে যে উন্নতি হোৱা নাই, পৰিবৰ্তন হোৱা নাই। যোৱা ২০১৬ চনৰ কথা বেছি দিন হোৱা নাই মই বিধায়ক হৈছো মাত্ৰ তেনে সময়ত এনেকুৱা কিছুমান মানুহ মোৰ ওচৰলৈ আহিছিল যে যি সকলে নিজৰ লৰা-ছোৱালীক পঢ়োৱাবলৈ অপাৰগ আছিল। এগৰাকী বয়োজেষ্ঠ পিতৃয়ে আহি মোক কৈছিল যে মহাশয়, মোৰ লৰাটোৱে ডিচটিংচন পাইছে, তাৰ কলেজত পঢ়াৰ ইচ্ছা আছে, কিন্তু মই ঠেলা চলাই তাক কেনেকৈ পঢ়াম। গতিকে মহাশয়, মই মোৰ লৰাটোক আপোনাক গতালো, আপুনি যি ভাল দেখে তাকে কৰিব। এই আছিল এক বাস্তৱ প্ৰতিশ্ৰুতি, তেতিয়া মানে ২০১৬ চনত আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত গঠিত চৰকাৰ খনৰ প্ৰথমটো অভিলাষী আঁচনি ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ঘোষণা কৰিছিল শিক্ষা মন্ত্ৰী হিচাপে যে অসমৰ প্ৰতিটো দুখীয়া পৰিয়ালৰ লৰা-ছোৱালীক বিনামূলীয়াকৈ নামভৰ্ত্তিৰ ব্যৱস্থা কৰা হ'ব। এইটো পৰিবৰ্তন নহয় নেকি? কিন্তু এইবিলাক কথা আমাৰ বিৰোধীয়ে কিয় দেখা নাপায়, হয় তেখেত সকলে আজি বিৰোধীৰ আসনত বহি আছে ই এক গণতান্ত্ৰিক প্ৰক্ৰিয়া, কিন্তু বিৰোধীত থাকিলে বুলি ভাল কথাবোৰ যে স্বীকাৰ নকৰিব এইটো কিবা কথা নেকি?

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়া আপোনাৰ ২ নং পইন্টটো কওঁক।

**শ্ৰী অশোক শৰ্মা (নলবাৰী) ঃ** ঠিক আছে, মহাশয়, মই বেছি আৰু নকও। আমাক কেলেংকাৰীৰ কথা কৈ আছে। কিন্তু কেলেংকাৰী কাক কয় সেইটো পাহৰিলে নহ'ব। যিটো কাৰ্য সংঘটিত হৈ তাৰ কোনো বিচাৰ নহয়, তাক কেলেংকাৰী বুলি কোৱা হয়। ইয়াত কোৱা হৈছে এচ আই কেলেংকাৰী, কিন্তু প্ৰকৃতাৰ্থত এচ আই কেলেংকাৰী হোৱা নাই, সেইটো এটা অপপ্ৰচাৰহে, যিটো বিৰোধী সকলে আলোচনা কৰি আছে। দুৰ্নীতি মুক্ত কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, মাথো প্ৰশ্নকাকত ফাদিল হোৱা বুলি গম পোৱাৰ ১৫ মিনিটৰ ভিতৰত সেই পৰীক্ষা বাতিল কৰি সুন্দৰ ভাৱে পুনৰ মেধাৱী ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পৰীক্ষা পাতি আজি তাৰ নিযুক্তি প্ৰক্ৰিয়াও প্ৰায় সম্পূৰ্ণ কৰাৰ পথত। গতিকে ইয়াক কেলেংকাৰী বুলি নকয়। কিন্তু আগৰ চৰকাৰৰ দিনত যে কেলেংকাৰীত নিমোজিত হোৱা এ পি এচ চিত যি দুৰ্নীতি হৈছিল সেই দুৰ্নীতি নিৰ্মূল কৰাৰ বাবে তাৰ অধ্যক্ষ সহ বহু কেইগৰাকী ব্যক্তিক জেলৰ ভাত খুওৱা হৈছে। আগৰ টো হৈছে কেলেংকাৰী আৰু পিছৰ টো হৈছে দূৰ্নীতিৰ বিৰূদ্ধে আমাৰ চৰকাৰে গ্ৰহণ কৰা মুখ্যমন্ত্ৰী মহোদয়ৰ কথোৰ পদক্ষেপ।

**মাননীয় অধ্যক্ষ ঃ** সমাপ্ত কৰক।

**শ্ৰী অশোক শৰ্মা (নলবাৰী)ঃ** মই আজি এই পবিত্ৰ সদনৰ জৰিয়তে মোৰ সেৱাৰ নলবাৰীবাসীলৈ ধন্যবাদ জনাব বিচাৰিছোঁ যে মই এজন সাধাৰণ ব্যক্তি হোৱাৰ পিছতো নলবাৰী সমষ্টিবাসীয়ে যি আশাৰে মোক বিধায়ক হিচাপে নিৰ্বাচিত কৰিছে তাৰ অৰ্থ আজি মই পূৰণ কৰাৰ প্ৰয়াস কৰিছোঁ আৰু ৮০ শতাংশ এইখন চৰকাৰৰ জনপ্ৰতিনিধি হোৱাৰ বাবে মই সক্ষম হৈছো আৰু সেই কাৰণে আজি মই পুনৰবাৰ এই চৰকাৰখনৰ প্ৰতিগৰাকী মাননীয় মন্ত্ৰী মোৰ সতীৰ্থ বিধায়ক, আৰু মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় বিত্তমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ আৰু মই

আপোনাৰো মই যিহেতু প্ৰথমবাৰৰ বাবে বিধায়ক হৈ আহিছো, পূৰ্বৰ মোৰ অধ্যক্ষৰ অভিজ্ঞতা নাই আমাৰ প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কৈছে যে তেখেতে বহুকেইগৰাকী অধ্যক্ষ পাইছে কিন্তু আপোনাৰ নেতৃত্বত যি ধৰণে সুন্দৰভাৱে চলি আছে ঠিক তেনেকুৱা সুস্বাদ তেখেতে পোৱা নাছিল আৰু মই মোৰ জীৱনৰ প্ৰথম বিধায়কৰ কাৰ্যকালতে আপোনাৰ দৰে অধ্যক্ষৰ নেতৃত্বত মই আজি কথা কোৱাৰ সুবিধা পাইছো আৰু এই পবিত্ৰ সদনতে মই মোৰ নলবাৰী সমষ্টিবাসীলৈ যি আজি ধন্যবাদ জনোৱাৰ এক সুযোগ পাইছো তাৰ বাবে আপোনাকো ধন্যবাদ জনাইছোঁ আৰু সমষ্টিবাসীৰ শ্ৰীচৰণত আকৌ এবাৰ প্ৰণিপাত জনাই সকলোকে ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদন কালি পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হৈছে আৰু কাইলৈ আমি আমাৰ প্ৰপোজ নিউ বিল্ডিঙত ৰাতিপুৱা ৯.৩০ বজাত বহিম আৰু তালৈকে মই সকলোকে বাত চালো, ধন্যবাদ।

——oo——